| | | |
|---|---|---|
| [illegible] | [illegible] | [illegible] |
| [illegible] | [illegible] | [illegible] |
| [illegible] | [illegible] | [illegible] |
| [illegible] | [illegible] | [illegible] |
| [illegible] | [illegible] | [illegible] |
| [illegible] | [illegible] | [illegible] |
| [illegible] | [illegible] | [illegible] |
| [illegible] | [illegible] | [illegible] |
| | [illegible] | [illegible] |
| [illegible] | [illegible] | [illegible] |
| [illegible] | [illegible] | |
| | [illegible] | [illegible] |

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

TENTH SESSION OF THE ASSAM LEGISLATIVE
ASSEMBLY ASSEMBLED AFTER THE ELEVENTH
GENERAL ELECTIONS UNDER SOVEREIGN
DEMOCRATIC REPUBLICAN
CONSTITUTION
OF INDIA.

## WINTER SESSION

NO. 3

**THE 16th DECEMBER, 2004**

PRICE : Rs. 50/-

# CONTENTS

## WINTER SESSION

## NO. 3

***Dated, the 16TH DECEMBER, 2004***


| | | Page |
|---|---|---|
| 1. | *Questions and Answers* | *1* |
| 2. | *Voting On Supplementary Demands for Grants* | *67* |
| 3. | *Introduction, Consideration and Passing of the Assam Appropriation (No.X) Bill, 2004* | *124* |
| 4. | *Adjournment* | *132* |
| 5. | *Annexures I to IX* | *133* |

# Debates of the Assam Legislative Assembly

**Thursday, the 16th December, 2004.**

**The House met at 9.00 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Prithibi Majhi, Speaker in the Chair.**

## STARRED

## QUESTIONS AND ANSWERS

**(To which oral replies were given)**

**Mr. Speaker :** Starred Question No. 41, Hon'ble Member, Shri Khalilur Rahman Choudhury.

**বিষয় ঃ "কলং ওৱাটাৰ শ্বেড" আঁচনি।**

**শ্ৰী খলিলুৰ ৰহমান চৌধুৰীয়ে সুধিছে ঃ**

* ৪১। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাৰ "কলং ওৱাটাৰ শ্বেড" আঁচনিৰ কাম কেতিয়াৰ পৰা আৰম্ভ কৰা হৈছে আৰু বৰ্তমানলৈকে কিমান সংখ্যক আঁচনি লোৱা হৈছে?

(খ) কোন কোন আঁচনি ইতিপূৰ্বে সম্পূৰ্ণ হৈছে আৰু বৰ্তমান কোন কোন আঁচনিত কি কি কাম চলি আছে, তথ্য আঁচনিবোৰৰ প্ৰাক্কলন ব্যয় কিমান ধাৰ্য্য কৰা হৈছে? (বিতং তথ্য দাখিল কৰিব)

(গ) উক্ত কামবোৰ কাৰ কাৰ মাৰফৎ কৰা হৈছে? যদি কোনো ঠিকাদাৰৰ মাৰফৎ কৰা হৈছে তেন্তে উক্ত ঠিকাদাৰ সকলৰ নাম সহ তথ্য দাখিল কৰিবনে?

(ঘ) Flood protection Bundh at Charlok নামৰ আঁচনিখনত বৰ্তমানলৈকে কিমান টকা ব্যয় কৰা হৈছে, আৰু উক্ত কামবোৰ কাৰ কাৰ মাৰফৎ কৰা হৈছে। (বিতং তথ্য দাখিল কৰিব)।

**শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) কলং জলচ্ছেদ প্ৰকল্পটো ১৯৯৯-২০০০ চনৰ পৰা আৰম্ভ কৰা হৈছে। বৰ্তমানলৈকে ২৬টা ক্ষুদ্ৰ জলচ্ছেদৰ অধীনত ২১১টা আঁচনি লোৱা হৈছে। তালিকাৰ পৰিশিষ্ট '১'ত গাঠি দি সদনৰ মেজত পেচ কৰা হ'ল।

(খ) বৰ্তমানলৈকে হোৱা প্ৰগতি তথ্য সম্পূৰ্ণ হোৱা আঁচনিৰ সমূহৰ বৰ্তমান চলি থকা আঁচনিৰ প্ৰাক্কলন ব্যয় সহ পৰিশিষ্ট '২'ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

(গ) বৰ্তমান এই কামবোৰ জিলা গ্ৰামোন্নয়ন অভিকৰণৰ দ্বাৰা গঠিত জলচ্ছেদ সমিতি সমূহে জলচ্ছেদ উন্নয়ন দলৰ তত্বাবধানত কৰি আছে। কোনো ঠিকাদাৰৰ মাৰফৎ কৰা হোৱা নাই।

(ঘ) Flood protection Bundh at Charlok নামৰ আঁচনিখনত বৰ্তমানলৈকে ৫,৩৭,৯৬৮.০০ টকা খৰচ কৰি ১ম আৰু ২য় পৰ্য্যায়ৰ কাম সমাপ্ত কৰা হৈছে। এই আঁচনিৰ ৰূপায়ন জলচ্ছেদ উন্নয়ন দল ৩ ৰ তত্বাবধানত চাৰ'লক জলচ্ছেদ সমিতিয়ে কৰিছে।

* **শ্ৰী খলিলুৰ ৰহমান চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ 'গ' প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে কৈছে, বৰ্তমান এই কামবোৰ জিলা গ্ৰামোন্নয়ণ অভিকৰণৰ দ্বাৰা গঠিত জলচ্ছেদ সমিতিসমূহে জলচ্ছেদ উন্নয়ন দলৰ তত্বাবধানত কৰি আছে। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে 'চাৰলকৰ' ফ্লাড প্ৰটেকচন বান্ধৰ কামবোৰ কাৰ মাৰফৎত কৰা হৈছে।

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৱা কথাখিনি মই ভালকৈ বুজা নাই। অনুগ্ৰহ কৰি আকৌ এবাৰ কলে ভাল হয়।

* **শ্ৰী খলিলুৰ ৰহমান চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "ফ্লাড প্ৰটেকচন বান্ধ এটা চাৰলক" নামৰ আঁচনিখনৰ কথা কৈছো। তাত থকা কমিটী ৩ খনত

* Speech not corrected

কোন কোন সদস্য আছে। কোনে কোনে ইমপ্লিমেন্ট কৰি আছে? মাননীয় মন্ত্ৰী মহোদয়ে জনাব নে?

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কলং ওৱাটাৰ চ্ছেদ, মাইক্ৰ ওৱাটাৰ চ্ছেদ আঁচনি ১৯৯৯-২০০০ চনৰ পৰা আৰম্ভ কৰা হৈছে। তেতিয়াৰ পৰা প্ৰজেক্টবোৰ চলি আছে। ৫ কোটি টকাৰ পৰা ১৬ কোটি টকালৈকে প্ৰজেক্ট চলি আছে। ফ্লাড প্ৰটেকচন বান্ধ নামৰ আঁচনিখনত ১, ২ আৰু ৩ তত্বাবধানত কোন কোন সদস্য আছে তালিকাখন আমাক দিয়া নাই কাৰণ মাননীয় সদস্যজনে প্ৰশ্নত সোৱা নাছিল। এই কমিটীখন বহুত ডাঙৰ। তেখেতে যদি কয় মেচেজ পঠিয়াই আনিব পৰা যাব। তেতিয়াহে দিব পৰা হ'ব।

* **শ্ৰী খলিলুৰ ৰহমান চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ফ্লাড প্ৰটেকচন বান্ধটো কোন সমষ্টিত পৰে? এই বান্ধৰ কাম কোনে কি কৰি আছে কোনেও নাজানে। বি,ডি,অ' পঞ্চায়তৰ প্ৰেচিডেন্ট, গাওঁ পঞ্চায়ত আদি তেখেত সকলৰ কোনেও নাজানে। মই নিজে জানো কোনে কোনে কি কৰি আছে। এই আঁচনিখনত বৰ্তমানলৈকে ৫,৩৭,৯৬৮.০০ টকা খৰচ কৰিছে। যি ধৰণৰ কাম হ'ব লাগে সেই ধৰণৰ কাম হোৱা নাই বুলি জনা গৈছে। এই কামৰ কাৰণে যথেষ্ট অভিযোগ আছে। সেইকাৰণে মই এটা কথা জনাব বিচাৰিছো মোৰ সমষ্টিত যথেষ্ঠ বদনাম (স্কেন্দেল) আছে। ভিজিলেঞ্চ কমিচনৰ চেক্ৰেটাৰীয়ে সেই অভিযোগবোৰ তদন্ত কৰিব নেকি?

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনিখনৰ নাম হৈছে আই,ডব্লিউ,ডি,পি, এই আঁচনিখন প্ৰণয়ন কৰা সময়ত পঞ্চায়তৰ জড়িত কৰা হোৱা নাছিল। ২০০৩ চনৰ পৰা হাৰিয়ালি এজেঞ্চিৰ দ্বাৰা প্ৰজেক্টটো কৰা হ'ল। পতিত মাটিত জলচ্ছেদ আঁচনিখন পঞ্চায়তৰ দ্বাৰা কৰা হৈছে। আঁচনিৰ কাম কৰিবৰ সময়ত সভা আহ্বান কৰিব লাগে। ১৯৯৯ চনৰ পৰাই এই আঁচনিৰ কাম আৰম্ভ কৰা হৈছে। তেতিয়া পঞ্চায়ত নাছিল কাৰণে পঞ্চায়তৰ মানুহ তাত ইনভল্ব কৰা নাই সেইকাৰণে তেওঁলোকে নাজানে। মই মাননীয় সদস্য গৰাকীক কৈছো ব্যক্তিগতভাৱে এখন তালিকা দিয়া হ'ব।

---

* Speech not corrected

* **শ্ৰী গুনিন হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা পৰিপূৰক প্ৰশ্ন কৰিব খুজিছো, বিষয়টোৰ কোন সমষ্টিৰ লগত জড়িত হৈ আছে। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই আঁচনিখন জিলা পৰ্য্যায়ত কোনে মলিটৰিং কৰে, ডি,চি, বি,ডি,অ' আদি কোনোৱে নাজানে। আমি ডি,চিক লিখিত ভাৱে দিছিলো আৰু মৌখিকভাৱে জনোৱা হৈছিল। আমাৰ সমষ্টিত তেনেকুৱা আঁচনি আছে সেই আঁচনিখনৰ কাৰণে কমিটী কৰি দিয়া হৈছে। কমিটীয়ে সভা আহ্বান কৰিব লাগে আৰু কমিটীয়ে কি কাম কৰে তাৰ কোনো হিচাব নাই। জিলা পৰ্য্যায়ত কোনে মনিটৰিং কৰে? ২০০০-০১ আৰু ২০০২ চনত এই বিষয়ে বহুতবাৰ আলোচনা কৰা হৈছে তাৰ পিচতো কাৰ্য্যকৰী হোৱা নাই। এই আঁচনিখনৰ লগত জড়িত কৰিবৰ কাৰণে বিধায়সকলক সুবিধা দিব নে নাই?

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আঁচনিখনৰ লগত জড়িত কৰিবৰ কাৰণে আমি জনাম। ডিষ্ট্ৰিক্ট ওৱাটাৰ ছেদ কমিটী আছে তাৰ ওপৰত গৰ্ভণিং বডিৰ মিটিং হ'ব পাৰে। মাননীয় সদস্য গৰাকীয়ে এই বিষয়ে নাজানো বুলি কোৱাৰ কাৰণে তেখেতক জনোৱা হ'ল। তেখেতে মিটিংত বিষয়টো উত্থাপন কৰিছে। ডি,আৰ,ডি,এ গভনিং বডিৰ সভা বহিলে তাত আলোচনা কৰিব পাৰে।

* **শ্ৰী গুনিন হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ওৱাটাৰ ছেদ আঁচনিত যি কমিটী আছে সেই কমিটীত বিধায়কসকলক জড়িত কৰিব নেকি?

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয়, নিৰ্দ্দেশ দিয়া আছে।

* **শ্ৰী গুনিন হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ওৱাটাৰ ছেদ আঁচনিত যিখন কমিটী আছে সেইখনৰ বিষয়ে বি,ডি,অ'ই একোকে নাজানে। তাত আলোচনা কৰি কিবা লাভ হ'ব নেকি।

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা ব্লকত যিখিনি কাম হয় সেই কামৰ বিষয়ে বি,ডি,অ' জনে নাজানো বুলি কোৱা কথাষাৰ অসত্য। কৰবাত কিবা অভিযোগ থাকিলে বি,ডি,অ'ক জনাব লাগে। তেখেতে যদি কোনো ব্যৱস্থা নলয় তেতিয়া আমি ব্যৱস্থা লম।

* Speech not corrected

* **শ্ৰী খলিলুৰ ৰহমান চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আগতে কৈছো যে বি,ডি,অ'ই একো নাজানে বুলি আমাক কৈছে। কিছুমান এজেঞ্চীৰ দ্বাৰা কাম কৰি আছে। কলং জলচ্ছেদ আঁচনিটো এটা ডাঙৰ আঁচনি। ইয়াত ২৬টা ক্ষুদ্ৰ জলচ্ছেদৰ অধীনত ২১১টা আঁচনি লোৱা হৈছে। এই আঁচনি সম্পৰ্কত বহুতো ৰাজহুৱা অভিযোগ আছে। মই অনুৰোধ কৰিছো এই গোটেই আঁচনিবোৰৰ কামবিলাক তদাৰক কৰি বিতং তথ্য জনাব লাগে।

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানিত সদস্য গৰাকীক জনাব বিচাৰিছো যে এই আঁচনিখন ১৯৯৯ চনতে আৰম্ভ হৈছে। সেই সময়ত তেখেত বিধায়ক আছিল। তেখেত সকলৰ দিনতে এই "অন গ'ইং স্কীমৰ" কাৰণে যদি কিবা কমিটী হৈছিল তেখেত সকলৰ দিনতে হৈছিল। তেখেতসকলৰ পৰামৰ্শমতে ক'ত কি হৈছিল আমি ধৰিব পৰা নাই।

**Mr. Speaker :** Now, Starred Question No.42, Hon'ble Member, Shri Banendra Kumar Mushahary.

## বিষয় ঃ আৱন্টনৰ ক্ষেত্ৰত চৰকাৰৰ নীতি নিৰ্দ্দেশনা।

**শ্ৰী বানেন্দ্ৰ মুছাহাৰীয়ে সুধিছে ঃ**

* ৪২। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) IAY আৰু PMGY আঁচনি আৱন্টন কৰাৰ ক্ষেত্ৰত চৰকাৰৰ নীতি নিৰ্দ্দেশনা কি কি?

(খ) ২০০২-২০০৩, ২০০৩-২০০৪ আৰু ২০০৪-২০০৫ বৰ্ষত অসমৰ কোন কোন জিলাত কিমান সংখ্যক IAY আৰু PMGY আঁচনি আৱন্টন দিয়া হৈছে? (জিলা ভিত্তিত তালিকা দাখিল কৰিব)

(গ) ধুবুৰী জিলাত আৱন্টন দিয়াৰ ক্ষেত্ৰত যথোপযুক্ত হৈছে নে?

(ঘ) ধুবুৰী জিলাৰ দেবীতোলা উন্নয়ন খণ্ডত যোৱা ২০০২-২০০৩ আৰু ২০০৩-২০০৪ বিত্তীয় বৰ্ষত আৱন্টন দিয়া IAY আৰু PMGY আঁচনিৰ

---

* Speech not corrected

সংখ্যা কিমান আৰু কোনে কোন হিতাধিকাৰীৰ নামত আৱন্টন দিয়া হৈছিল? (তালিকা সদনৰ মেজত দাখিল কৰিব)।

**শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) (১) IAY আৰু PMGY আঁচনিৰ ক্ষেত্ৰত হিতাধিকাৰী সকল দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা হ'ব লাগিব। (২) আৱন্টিত ধনৰ শতকৰা ৬০ ভাগ অনুসূচীত জাতি/জনজাতিৰ কাৰণে নিৰ্দ্দিষ্ট হ'ব লাগিব। (৩) বাৰ্ষিক আৱন্টিত ধনৰ শতকৰা ৮০ ভাগ নতুন গৃহ নিৰ্মাণ আৰু বাকী ২০ ভাগ উন্নিতকৰণৰ (Up-gradation) ৰ বাবে খৰছ কৰিব লাগে। (৪) আবাস গৃহৰ আৱন্টন, ঘৰৰ গৃহনীৰ নামত হ'ব লাগে। অন্যথাই গৃহস্থ আৰু গৃহিনীৰ দুয়োৰে নামত হ'ব পাৰে। (৫) হিতাধিকাৰী সকলক গ্ৰামসভাৰ বৈঠকত বাচনি কৰিব লাগে। (৬) উন্নিতকৰণ কৰিবলগীয়া উপযুক্ত হিতাধিকাৰী নাথাকিলে সেই শিতানত নিৰ্দ্ধাৰণ কৰা পুঁজি নতুন গৃহ নিৰ্ম্মাণৰ বাবে ব্যৱহাৰ কৰিব পাৰে। (৭) কেন্দ্ৰীয় চৰকাৰে ৰাজ্যলৈ আঁচনিখনৰ পুঁজি আৱন্টন কৰোঁতে সাধাৰণতে দুটা উপাদান মাপকাঠি হিচাবে লয়। তাৰে এটা হ'ল বাসোপযোগী গৃহৰ আৱশ্যকতা আৰু আনটো হ'ল দৰিদ্ৰত। জিলাভিত্তিক আৱন্টন কৰোঁতে বাসোপযোগী ঘৰৰ সংখ্যা আৰু অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ ওপৰত নিৰ্ভৰ কৰে।

(খ) ২০০২-২০০৩, ২০০৩-২০০৪ আৰু ২০০৪-২০০৫ বৰ্ষত IAY আৰু PMGY আঁচনিৰ আৱন্টনৰ তালিকা জিলাভিত্তিত পৰিশিষ্ট "ক"ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

(গ) হয়, হৈছে।

(ঘ) ধুবুৰী জিলাৰ দেৱীতোলা উন্নয়ণ খণ্ডত যোৱা ২০০২-০৩ আৰু ২০০৩-২০০৪ বিত্তীয় বৰ্ষত আৱন্টন দিয়া। IAY আৰু PMGY আঁচনিৰ সংখ্যা তলত দিয়া হ'ল ঃ—

| আঁচনি | চন | New Construction | Up-gradation |
|---|---|---|---|
| IAY | ২০০২-২০০৩ | ৮৩ | ৪৫ |
| | ২০০৩-২০০৪ | ১০৯ | ৫৮ |
| PMGY | ২০০২-২০০৩ | ৭৭ | ৩৫ |
| | ২০০৩-২০০৪ | ১১৬ | ৫৮ |

হিতাধিকাৰীৰ তালিকা পৰিশিষ্ট ‘খ’ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ’ল।

* **শ্ৰী বানেন্দ্ৰ মুছাহাৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰটো দীঘলীয়া (খ) প্ৰশ্নত মই জানিব বিচাৰিছিলোঁ যে জিলা ভিত্তিত আই,এ,ওৱাই আৰু পি,এম,জি.ওৱাই আঁচনিত কোন জিলাত কিমান দিয়া হৈছে? আৱন্টনৰ তালিকা তেখেতে উত্তৰত জনাইছে। কিন্তু আচৰিত কথা ধুবুৰী জিলাত অনুসূচীত জাতি আৰু জনজাতি লোক যথেষ্ট বেছি কিন্তু জনসংখ্যাৰ ভিত্তিত এ,এম,জি আৰু পি,এম,জি,ওৱাই আঁচিন আৱন্টন যথেষ্ট কম হৈছে। আমাৰ হাতত থকা তথ্যমতে ১৯৯১ চনৰ চেঞ্চাচত যি জনসংখ্যা আছিল সেই জনসংখ্যা অনুপাতে বেলেগ বেলেগ জিলাত যথেষ্ট বেছি আৱন্টন দিছে। ২০০৪-০৫ পৰ্য্যন্ত ধুবুৰী জিলাত ৮০০ৰ বেছি ঘৰ আৱন্টন দিয়া নাই। আমি গভৰ্নিং বডীৰ সভাত এটা প্ৰস্তাৱ পঠিয়াইছো এই বিসঙ্গতিৰ কাৰণে। মোৰ হাতত থকা তথ্য মতে চাৰিখন জিলাত হাইলাকান্দি ৪ লাখ ৬৯ হাজাৰ, জনসংখ্যাৰ ভিতৰত ৫০ হাজাৰ এচ,টি,এচ,চি আছে। কিন্তু তেওঁলোকে ঘৰ পাইছে ৩১৯৫ টা। আনজিলাটো তেনে হৈছে। ধুবুৰী জিলাত শতকৰা ৯৬ ভাগ অনুসূচীত জাতি জনজাতিৰ লোক থকা সত্বেও মাত্ৰ ৮১২টা ঘৰহে পাইছে। তিনিচুকীয়া, শিৱসাগৰ আদি জিলাত সেই অনুপাতে বহুত ঘৰ পাইছে। সেই তুলনাত ধুবুৰীত বহুত কম হৈছে। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ধুবুৰী জিলাত কিয় কম হৈছে।

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে সোধাৰ

* Speech not corrected

নিচিনা ধুবুৰী জিলাতে অকল কম নহয়। প্ৰায় বিলাক জিলাতে এই অসমজস্য হৈছে। মই পঞ্চায়ত মন্ত্ৰী হিচাপে মোৰ সমষ্টিৰে এখন গাওঁত শতকৰা এশভাগেই জনজাতিৰ লোক আছে। কিন্তু তেওঁলোকে জনসংখ্যা অনুপাতে প্ৰাপ্য সুবিধাৰ পৰা বঞ্চিত হৈছে। কিন্তু এইটো আমি কৰা নাই। দিল্লীৰ পৰা ১৯৯১ চনৰ জনসংখ্যাৰ অনুপাতে এলকেশ্যনটো আহে। ১৯৯১ চনৰ চেন্সাচই ৰিফ্লেক্ট হৈছে ইয়াত। ২০০১ চনত আমি ইয়াৰ নতুনকৈ চেন্সাচ কৰিছোঁ। কিন্তু এই চেন্সাচ গ্ৰামোন্নয়ন মন্ত্ৰণালয়ে মানি লোৱা নাই। তেওঁলোকৰ বিবেচনাধীন হৈ আছে। মাননীয় সদস্য জনৰ নিচিনা অভিযোগ সকলোৰে আছে। জনসংখ্যা অনুপাতে ৰিফ্লেকশ্যন হোৱা নাই। কিন্তু সংশোধনটো দিল্লীয়েহে কৰিব পাৰিব আমি নোৱাৰো। যদি ২০০১ চনত চেন্সাচ ইমপ্লিমেন্ট হয় তেতিয়াহে নিজে নিজে হ'ব।

* **শ্ৰী বানেন্দ্ৰ মুছাহাৰী ঃ** অধ্যক্ষ মহোদয়, ১৯৯৬ চনৰে পৰা আমি এই দাবী কৰি আহিছো। আমাৰ জিলাত অনুসূচীত জাতি জনজাতিৰ সংখ্যা বেছি থকা সত্বেও আমি ঘৰ কম পাই আছোঁ কিন্তু আন জিলাত বেছি পাইছে। গতিকে মন্ত্ৰী মহোদয়ে ধুবুৰী জিলাৰ কথাটো সুকীয়া ভাৱে ভাৰত চৰকাৰক অৱগত কৰিবনে?

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ গ্ৰামোন্নয়ত আমাৰ কথাটো অৱগত কৰাইছোঁ যে অনুপাতিক ভিত্তিত আৱন্টন হ'ব লাগে। আমাৰ প্ৰস্তাৱ তেওঁলোকৰ বিবেচনাধীন হৈ আছে, আমি পুনৰ সোঁৱৰাই দিম।

* **শ্ৰী আফতাবুদ্দিন মোল্লা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী আৰু গোৱালপাৰা জিলা দুইখনতে মোৰ অংশ পৰে। গোৱালপাৰা জিলাৰ জলেশ্বৰ ব্লকত ২৫-৪০টা ঘৰ পাইছে কিন্তু ধুবুৰী জিলাত অন্য এখন গাওঁ পঞ্চায়ত মাত্ৰ ১০টা ঘৰ পাইছে। এই লৈ ৰাইজ অসন্তুষ্ট হৈছে। বিষয়টো আমি গৰ্ভনিং বডীটো আলোচনা কৰিছোঁ। কিন্তু আজিলৈ চৰকাৰে একো কৰা নাই। ধুবুৰীয়েই আটাইতকৈ বানপীড়িত জিলা। এই দিশত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে।

---

* Speech not corrected

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, কিমান দিনত কৰিব পৰা যাব কব নোৱাৰো যিহেতু মোৰ হাতত নাই। ইতিমধ্যে আমি কেন্দ্ৰীয় চৰকাৰক জনাইছোঁ যে সামানুপাতিক হোৱা নাই। সকলো খণ্ড পৰ্য্যায়তে জনসংখ্যা ৰিফ্লেক্ট হোৱা নাই। গতিকে সংশোধনী কৰিব লাগিব।

* **শ্ৰী দীনেশচন্দ্ৰ সৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো উদ্বেগজনক। মন্ত্ৰী মহোদয়ে বিষয়টো গুৰুত্ব সহকাৰে লব লাগে। মোৰ নিজা সমষ্টিতে খুব কম ঘৰ পাইছে। অতি সোনকালে ব্যৱস্থা লব বুলি মন্ত্ৰী মহোদয়ৰ পৰা আশ্বাস বিচাৰিছোঁ।

* **শ্ৰী আলী আকবৰ মিঞা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো আমি গৰ্ভনিং বডীটো আলোচনা কৰিছো। কেন্দ্ৰীয় চৰকাৰৰ লগত কি যোগাযোগ কৰিছে আমাক তাৰ নকল দিলে ভাল পাম। এইটো আমাৰ বহুদিনীয়া দাবী। মন্ত্ৰী মহোদয়ে জাষ্টিফাই কৰি কেন্দ্ৰীয় চৰকাৰলৈ লিখিব লাগে। আনহাতে মন্ত্ৰী মহোদয়ৰ জুৰিডিকশ্যনত যিখিনি কৰিব পাৰে সেইখিনি অতি সোনকালে কৰিবনে?

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য আলী আকবৰ মিঞা, মুছাহাৰী আৰু সৰকাৰৰ মনৰ কথা বুজিছোঁ। আচলতে ভাৰত চৰকাৰৰ হাতত থকা ৰিৰ্পট মতে এচ,চি,এচ,টি জনসংখ্যা বহুত কম দেখুৱাইছে। সেই ভিত্তিতে টোটেল এলকেশ্যন শতকৰা ৬০ ভাগ এচ,চি,এচ,টিৰ কাৰণে ৰিজাৰ্ভ থাকে। বাকী শতকৰা ৪০ ভাগ সাধাৰন মানুহে পায়। সেই হিচাপে এচ,চি,এচ,টি জনসংখ্যা থকা কোকৰাঝাৰ, নলবাৰী আদিত বেছি পাইছে। গতিকে এই বিষয়টো অনুপাতিক কৰিবৰ কাৰণে আমি ব্যৱস্থা লৈছো আৰু লম।

**Mr. Speaker :** Now, Starred Question No.43, Hon'ble Member, Shri Dilip Kr. Saikia.

## বিষয় ঃ টকা আৱন্টন।

### শ্ৰী দিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

* ৪৩। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

* Speech not corrected

(ক) ২০০১-০২, ২০০২-০৩ আৰু ২০০৩-০৪ চনত পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ শিতানত কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান কোটি টকা আৱন্টন পোৱা হৈছিল?

(খ) এই আৱন্টিত ধন সমূহ কোন কোন জিলাত কিমানকৈ আৱন্টিত হৈছিল? (বছৰ ভিত্তিত জনাব)

(গ) কোন কোন জিলাত আৱন্টিত ধনৰ কিমান টকা এতিয়ালৈ খৰছ নোহোৱাকৈ আছে? (সবিশেষ জনাব)

**শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ২০০১-০২, ২০০২-০৩ আৰু ২০০৩-০৪ চনত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন শিতানৰ বিভিন্ন আঁচনিৰ বিপৰীতে কেন্দ্ৰীয় চৰকাৰৰ পৰা ১৪১৩.৪৯ কোটি টকা আৱন্টন পোৱা হৈছিল।

(খ) এই আৱন্টিত ধনসমূহ জিলা ভিত্তিত ও বছৰ ভিত্তি আঁচনিৰ বিপৰীতে কৰা আৱন্টনৰ পৰিমান পৰিশিষ্ট 'ক'ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল। (See Annexure - I)

(গ) উক্ত আৱন্টিত ধনৰ ৩১-১০-০৪ লৈকে খৰচ নোহোৱাকৈ থকা টকাৰ পৰিমান পৰিশিষ্ট 'খ'ত জিলা ভিত্তিত সদনৰ মেজত পেচ কৰা হ'ল।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই পৰিপূৰকলৈ যোৱাৰ আগতে মোৰ এটা পইন্ট অৱ অৰ্ডাৰ আছে। আমি যি বিলাক প্ৰশ্ন বিধানসভাত উত্থাপন কৰিছো সেই প্ৰশ্ন বিলাকৰ উত্তৰ মাননীয় সদস্য সকলে জানিব লাগে, ৰাইজে জানিব লাগে আৰু গেলাৰীয়েও জানিব লাগে। ইমান টকা অব্যৱহৃত হৈ আছে সমগ্ৰ ৰাইজে জনা উচিত। যোৱা কালি আমাৰ সংসদী মন্ত্ৰী নৰহ ডাঙৰীয়াই তথ্য জনাৰ অধিকাৰ বিল দাঙি ধৰিছে। গতিকে আমি ইয়াত প্ৰশ্নটোৰ উত্তৰ সমূহ লুকাই ৰখাৰ কি যুক্তি আছে?

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, লুকাই ৰখাৰ প্ৰশ্ন নুঠে। নিয়ম অনুযায়ী আমি ২০০ কপি বিধানসভাত জমা দিওঁ এতিয়া বিতৰন হৈছে নে নাই

* Speech not corrected

সেইটো দায়িত্ব আমাৰ নহয়।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** অধ্যক্ষ মহোদয়, এই কথাটো কিয় এনেকুৱা হৈছে আমি নাজানো। যোৱা কালিও আমি অসুবিধাত পৰিছো। উত্তৰ বিলাক আমি পোৱা নাই, সাংবাদিসকলেও পোৱা নাই।

**माननीय অধ্যক্ষ ঃ** কিয় পোৱা নাই সেইটো মই চাম। যদি দিবলগীয়া কপি খিনি দিছে আমাৰ কৰ্মচাৰী সকলে দিনে ৰাতিয়ে কাম কৰে কৰবাত কিবা অসুবিধা হ'ব পাৰে।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** অধ্যক্ষ মহোদয়, যোৱা কালিও এই ঘটনাটো ঘটিছে। সেই কাৰণে মই আপোনাৰ দৃষ্টিগোচৰ কৰিছো। মই এতিয়া পৰিপূৰক প্ৰশ্নলৈ আহিছো। ২০০১ চনৰ পৰা ২০০৪ চনলৈ মুঠ কিমান টকা আৱন্টন কৰা হৈছিল জিলা ভিত্তিত ইতিমধ্যে মন্ত্ৰী মহোদয়ে উত্তৰ দিছে মই দীঘলীয়া নকৰো। ডি,আৰ,ডি,এৰ যি বিলাক ধন আৱন্টিত হৈছে সেই বিলাক সঠিকৰূপে ৰূপায়ন হৈছে নে? ইতিমধ্যে মই এখন কমিটীৰ ভিজিলেন্স কমিটীৰ চেয়াৰমেন আছিলো। মই পঞ্চায়ত আৰু মুখ্যমন্ত্ৰীৰ লিখিত পত্ৰ আকাৰে এটা অভিযোগ দিছিলো। তাৰ প্ৰতুত্ত্যৰ ও বিহিত ব্যৱস্থা লম বুলি বিধান সভাত উত্তৰ দিছিল। মই অভিযোগ কৰিছিলো যে শতকৰা নব্বৈভাগো কাম হোৱা নাই। মোৰ সেই চিঠিৰ ওপৰত কিবা ব্যৱস্থা ললেনেকি? যিবিলাক টকা আনস্পেন্ট হৈ আছে অৰ্থাৎ বেলেন্স হৈ আছে এই বিলাক খৰতকীয়াকৈ খৰছ কৰাৰ ব্যৱস্থা লৈছে নেকি? এই খৰছৰ হিচাপ নিদিয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা আহিবলগীয়া টকাত কিবা বাধা হৈছে নেকি?

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আনস্পেন্ট এমাউন্ট সকলো জিলাতে আছে। অসমৰ সাধাৰনতে এপ্ৰিলৰ পৰা মে মাহলৈ বাৰিষা হয়। এই সময়চোৱাত কাম নহয়। নৱেম্বৰৰ পৰা মাৰ্চলৈ কাম হয়। গতিকে আনস্পেন্ট টকা থকাটো স্বাভাৱিক। যোৱাবছৰ বেছি ভাগ বাৰিষাতে গল। এতিয়া আমি ডিচেম্বৰৰ পৰা মাৰ্চৰ ভিতৰত ফুলচুইমত কাম কৰিম। গতিকে খৰছ হোৱা নাই বুলি কথা নাই। পইচাটো একুমুলেট হৈ আছে। দ্বিতীয়তে ইউটিলাইজেশ্যন চাৰ্টিফিকেট নিদিয়াৰ কাৰণে একো সমস্যা এতিয়ালৈকে

---

* Speech not corrected

হোৱা নাই। যিমান বিলাক ইউটিলাইজেশ্যন চার্টিফিকেট দিয়া হৈছে তাৰ প্ৰথম কিস্তিৰ টকা পাইছো। দ্বিতীয় কিস্তিৰ কাৰণে আমি ইউটিলাইজেশ্যনৰ ব্যৱস্থা কৰি আছো। শতকৰা ১০ ভাগো কাম নোহোৱা কথাটো সকলোতে প্ৰযোজ্য নহয়। তেখেতৰ তাত কি হৈছে নাজানো কিন্তু বহুত সমষ্টিত ডি,আৰ,ডি,এৰ যোগেদি যথেষ্ট উন্নয়নৰ কাম হৈছে। এই কথাটো সকলোৱে স্বীকাৰ কৰিব। আগৰ চৰকাৰৰ তুলনাত এতিয়া যথেষ্ট কাম হৈছে, তেখেতৰ সমষ্টিটো হৈছে। কিন্তু প্ৰতিবছৰে বানপানীয়ে তেখেতৰ সমষ্টি জুৰুলা কৰে কাৰণে কামখিনি ধৰিব নোৱাৰে। অভাৰ অল গোটেই অসমত সাংঘাতিক ধৰণে উন্নয়ন হৈছে।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই নিজে ভিজিলেন্স কমিটীৰ চেয়াৰমেন আছিলো আৰু তেতিয়া মুখ্যমন্ত্ৰী আৰু পঞ্চায়ত মন্ত্ৰীলৈ অভিযোগ পত্ৰ প্ৰেৰণ কৰিছিলো। মই তাৰ উত্তৰ পাম বুলি বিধানসভাত প্ৰতিশ্ৰুতি দিছিল। ৰিপৰ্ট বিচৰাটো জানো কিন্তু কি ব্যৱস্থা ললে এতিয়াও মোক জনোৱা নাই। তাত বিভিন্ন ধৰণৰ অভিযোগ আছিল কৰবাত শতকৰা দহ্ ভাগ কাম কৰা, কৰবাত বিশ্ ভাগ কোনোবাখন দলংৰ প্ৰকল্প এক লাখ টকা কিন্তু কাম কৰিছে মাত্ৰ দহ্ হাজাৰ টকা মোৰ অভিযোগ পত্ৰৰ ও পৰত মুখ্যমন্ত্ৰী মহোদয়ে কি ব্যৱস্থা ললে মন্ত্ৰী মহোদয়ে জনাবনে?

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** তেখেতৰ অভিযোগ পত্ৰখন জিলা ভিত্তিত তদন্ত কৰিবলৈ পঠিওৱা হৈছে। প্ৰতিবেদন সংগ্ৰহ কৰি আছো, কিছুমান প্ৰতিবোদন পোৱা নাই, প্ৰতিবেদন পোৱাৰ কাৰণে খৰতকীয়া ব্যৱস্থা লম, পুনৰ প্ৰতিবেদন বিলাক কম্পাইল কৰি থকা হৈছে। অভিযোগ পত্ৰখন বৰ দীঘলীয়া খণ্ড খণ্ডকৈ কম্পাইল কৰি থকা হৈছে, নিশ্চয় তেখেতক জনাম।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মই এই অভিযোগ দিছিলো ২০০৩ চনতে এতিয়া ২০০৪ চনো যাব প্ৰতিবেদন বিলাক বিষয়াই দিছে সেইবিলাকো শুদ্ধ নহয় যিবিলাক জিলালৈ প্ৰতিবেদন বিচাৰিছে সেই বিলাক বিষয়াই সেই বিলাক কাম কৰিছিল এই বিলাক কথা আমি ঢুকিয়ে নাপাও। মন্ত্ৰী মহোদয়ে নিজা বৰীয়াকৈ এজন উচ্ছ পদস্থ বিষয়াৰ দ্বাৰা চৰজমিন তদন্ত কৰাৰ ব্যৱস্থা কৰিব নে?

---

* Speech not corrected

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** কৰা হ'ব।

* **শ্ৰী হেমন্ত তালুকদাৰ ঃ** মাননীয় অধ্যক্ষ মহাশয়, আমি পঞ্চায়তৰ দ্বাৰা বহুত কামেই কৰিছো। কথা হৈছে যে চাৰ, আমি সময়ত কিছুমান সামগ্ৰী নাপাওঁ। এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহাশয়ে অকণমান চালে ভাল হয়। বেনিফিচাৰী স্কিম বিলাক অলপ চাব লাগে। মোৰ সমষ্টিত পঞ্চায়তৰ দ্বাৰাই ৰাস্তা পকা কৰা কামো কৰিছো। আমি এইটো স্বীকাৰ কৰিবই লাগিব যে পঞ্চায়তৰ দ্বাৰা আমি যথেষ্ট উপকৃত হৈছো।

* **শ্ৰী চন্দন চৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহাশয়, যোৱা প্ৰলয়ংকৰী বানপানীৰ সময়ত উপায়ুক্ত সকলে সিবিলাক চাউল মুকলি কৰবি লাগিছিল সেই বিলাক চাউল সোনকাৰে মুকলি কৰি দিয়াৰ কাৰণে মাননীয় মন্ত্ৰী মহাশয়ে অতি শীঘ্ৰে এটা তাৰ বাৰ্তা পঠালে ভাল হয়। আমাৰ দুখীয়া মানুহখিনিৰ কাৰণে বিৰাট এটা ভাল সুবিধা হয় চাৰ।

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহাশয়, বানপানীৰ সময়ত জিলা উপায়ুক্ত সকলৰ ওচৰত যিটো ফান্দ থাকিব লাগিছিল সেইটো আমাৰ চৰকাৰৰ ফালৰ পৰা দিয়া হোৱা নাছিল বাবে দিব পৰা নাছিল আৰু এই বিধান সভাতেই মাননীয় মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰী ডাঙৰীয়াই চাপ্লিমেন্টেৰী ডিমাণ্ড দিছে গতিকে এইটো অতি কম দিনৰ ভিতৰতে হৈ যাব তাৰ কাৰণে আপোনালোকে চিন্তা কৰিব নালাগে যিহেতুকে মাননীয় মুখ্যমন্ত্ৰী মহাশয়ে এই ক্ষেত্ৰত এটা দৃঢ় পদক্ষেপ হাতত লৈছে। বানপানীৰ সময়ত ডি,আৰ,ডি,এৰ চাউল দিয়া হৈছিল। সেই সময়ত সময় আমাৰ হাতত নাছিলে। যিহেতুকে প্ৰলয়ংকৰী বানপানীয়ে ৰাইজৰ হাহাকাৰৰ অৱস্থাৰ সৃষ্টি কৰিছে।

**Mr. Speaker :** Now, Starred Question No.44, Hon'ble Member, Shri Monilal Gowala.

## Sub : Din Dayal Yojana.

**Sri Monilal Gowala asked :**

* 44. Will the Minister of Handloom & Textile be pleased to State :

---

* Speech not corrected

(a) Whether the Govt. received proposals from MLA, LA-2, Patharkandi Constituency under the Din Dayal Yojana.

(b) If so, what is the fate of the proposals?

**Dr. Hemo Prova Saikia (Minister, Handloom Textiles & Sericulture) replied :**

(a) Yes.

(b) Govt. of India has sanctioned 3 Nos. of proposals under Deen Dayal Hathkhargha Pratsahan Yojana for LA-2 Patharkandi Constituency, namely (i) Lowaipowa (ii) Hatairbond and (iii) Shibargool and released fund for 1st instalment of Rs. 5.61 lakhs against each project for implementation by ARTFED. Out of the released fund by the Govt. of India. R. 5.61 lakhs has already been released to the ARTFED for implementation of Shiburgool Project. Funds for other two project are being released to artfed for implementation.

* **Shri Monilal Gowala :** Hon'ble Speaker Sir, may I request the Hon'ble Minister in charge of Handloom and Textile that how many proposals received by the Govt. from Patharkandi constituency under the Din Doyal Joyana, how much schemes have been implemented and what is the fate of other proposal?

* **Dr. Hemoprova Saikia (Minister, Sericulture) :** Government has received proposals from M.L.A of Patharkandi Constituaencs and out of those proposal, Govt. of India has sanctioned three nos. of proposal. Out of which only one proposal under Dindoyal Jayana has already been implemented. The rest two proposals are pending and it will be implemented as soon as the sanction received from Govt. of India.

**Mr. Speaker :** Now, Starred Question No. 45, Hon'ble Member, Shri Bimolangshu Roy.

---

* Speech not corrected

## Sub : Fund received by the State Govt. under different heads in cash.

**Shri Bimolangshu Roy asked :**

* 45. Will the Minister of Panchayat & Rural Development be pleased to state :

(a) What is the total fund received by the State Govt. under different heads in cash and kind in last 3 years from the Centre and fund released in favour of the districts? (Headwise, yearwise and districtwise figure may be furnished for last 3 years)

(b) State share released year wise to different districts may also be furnished seperately?

(c) How many self help groups have so far been formed in the state and how they have been provided help? (District wise figure and amount provided may be furnished seperately)

(d) What is the total fund utilised in Annapurna Yojana during 2003 and 2004 (Districtwise allotment of fund and name of beneficiaries in Cachar District may be furnished)

**Shri Ripun Bora (Minister of State (Ind.), Panchayat & Rural Development) replied :**

(a) Districtwise, Headwise and Yearwise fund received by the State Govt. in last 3 years in cash and kind are shown in Annexure-I and Annexure-II respectively and placed at the table of the House.

(b) Districtwise, headwise and yearwise fund released by the State Govt. is shown at Annexure-III and placed at the table of the House.

(c) Districtwise statement showing SHG formed and giving financial assistance is shown at Annexure-IV and placed at the table of the House.

(d) During the year 2003, no fund was utilised by the panchayat & Rural Development Department under Annapurna Yojana. During the year 2004 (2003-04) an amount of Rs. 18061581.00 has been released for implementation of this scheme (Districtwise allotment of fund and quantity of food grains is enclosed at Annexure-IV placed at the table of the House.

An amount of Rs. 979710.00 for 17340 Kg. of rice against 1445 nos. of beneficiaries has been released for Cachar district.

The allotted foodgrains has not been released by FCI for which utilisation is yet to take place. Therefore, the list of beneficiaries could not be furnished. Instruction has been issued for immediate distribution of rice to the beneficiaries.

* **শ্ৰী বিমলাংশু ৰয় ঃ** মাননীয় অধ্যক্ষ মহাশয়, মই মাননীয় মন্ত্ৰী মহাশয়ৰ পৰা জানিব বিচাৰিছো যে ২০০৩ চনত অন্নপূৰ্ণা আঁচনিৰ চাউল কিয় বিতৰণ কৰা নহল আৰু এই চাউল খিনি যে কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা চাউল আছিল দুখীয়া-গৰীব মানুহৰ বাবে কিন্তু চাৰ, এই চাউল আমাৰ কাছাৰ জিলাত এটাও দুখীয়া-গৰীব মানুহে পোৱা নাই। এই ক্ষেত্ৰত মই মাননীয় মন্ত্ৰী মহাশয়ৰ পৰা জানিব বিচাৰিছো যে, আমাৰ কাছাৰ জিলাৰ বাদে অন্য জিলাত পাইছিল নেকি? অধ্যক্ষ মহাশয়, এই অন্নপূৰ্ণা আঁচনিৰ জৰিয়তে যিখন আঁচনি কেন্দ্ৰীয় চৰকাৰে আমাৰ ৰাজ্যখনত দিছিল কেৱল মাত্ৰ দুখীয়া-গৰীব মানুহ খিনিৰ উদ্ধাৰৰ বাবেহে। কিন্তু দেখা গ'ল যে আমাৰ এই অন্নপূৰ্ণা আঁচনি খনৰ যি আঁচনি সেই আঁচনি ৰূপায়ণ কৰা নহল। অধ্যক্ষ মহাশয় মাননীয় মন্ত্ৰী মহাশয়ে স্বীকাৰ কৰিছে যে এই আঁচনিৰ দ্বাৰা আমাৰ দুখীয়া-গৰীব জনসাধাৰণৰ প্ৰতি

* Speech not corrected

মাহে ১০ কিলোগ্ৰাম কৈ চাউল বিনামূলীয়াকৈ দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছিল যদিও সময়ত হৈ নুঠিল। এই ক্ষেত্ৰত বিভাগীয় মন্ত্ৰী হিচাবে তেখেতে কি ব্যৱস্থা লৈছে মাননীয় মন্ত্ৰী মহাশয়ৰ পৰা মই জানিব বিচাৰিছো চাৰ।

অধ্যক্ষ মহাশয়, এই আঁচনিৰ দ্বাৰা আমাৰ দুখীয়া মানুহখিনিৰ বাবে যি সকাহ আৰু অন্যান্য ডি,আৰ,ডি,এৰ দ্বাৰাও কৰিব পৰা গ'লহেঁতেন কিন্তু অধ্যক্ষ মহাশয় এইটো ব্যৱস্থা কিয় হৈ নুঠিল মই মাননীয় মন্ত্ৰী মহাশয়ৰ পৰা জানিব বিচাৰিছো।

* **শ্ৰী ৰিপুণ বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহাশয়, মাননীয় সদস্য জনৰ প্ৰশ্নৰ উত্তৰত কবলৈ গৈছো যে তেখেতৰ প্ৰশ্নটো একেবাৰে সত্য আৰু এই বিষয়ত মই কবলৈ গৈছো যে এই অন্নপূৰ্ণা আঁচনিখন একোখন গাওঁ পঞ্চায়তৰ অধীনত ১১ জন হিতাধিকাৰীৰ মাজত ১০ কিঃগ্ৰাঃকৈ চাউল প্ৰতিমাহে বিনামূলীয়াকৈ দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। এই আঁচনিখনৰ মূল উদ্দেশ্য আছিল গাওঁৰ একেবাৰে দুখীয়া আৰু ৬৫ বছৰৰ অধিক বৃদ্ধ মানুহক প্ৰতি মাহে ১০ কিঃগ্ৰাঃ চাউল বিনামূলিয়াকৈ দিয়াৰ ব্যৱস্থা কৰা। অধ্যক্ষ মহাশয়, এই চাউলখিনিৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৫ কোটি টকা আমাক দিছিল আৰু সেই টকাৰে ২০০২ আৰু ২০০৩ চনৰ বাবে আমি এই আঁচনিখন ৰূপায়ণ কৰিছো। অধ্যক্ষ মহাশয় এই চাউলখিনি সেই সময়ত খাদ্য আৰু অসামৰিক যোগান বিভাগে আমাক যোগান ধৰিছিল যদিও কেন্দ্ৰীয় চৰকাৰে আমাক এটা নতুন গাইড লাইন দিলে যে এই চাউলখিনি ডি,আৰ,ডি,এৰ জৰিয়তেহে বিতৰণ কৰিব। এই যে খাদ্য আৰু যোগান বিভাগৰ লগত এটা আদান-প্ৰদান থাকি গ'ল তাৰ বাবে যোৱা ২০০৪ চনত আমি সেই চাউল যোগান ধৰিব পৰা নাই। মাননীয় সদস্যজনৰ ওচৰত মই এই বিষয়ত পুনৰ কবলৈ গৈছো যে আমি যোৱা চেপ্তেম্বৰ মাহতেই পুনৰ এই আঁচনি খন মুকলি কৰিছো ডি,আৰ,ডি,এৰ দ্বাৰা আৰু ২০০৫ চনৰ ৩১ মাৰ্চলৈকে, আমি সেই হিচাবে চাউল আবন্টন দিছো। এইটো ঠিক যে যোৱাটো বছৰত যি লেপচ্ হ'ল সেইটো পুনৰ ঘুৰাই অনাৰ বাবে আমি কোনো প্ৰকাৰৰ চেষ্টা কৰা নাই আৰু কেন্দ্ৰীয় চৰকাৰলৈ আমি চিঠি লিখিছো যে আৰু তেওঁলোকে আমাৰ চিঠিৰ উত্তৰত কৈছে যে যিটো হৈ গ'ল আৰু তাত ৰিটাৰ্ন কৰিব নালাগে।

* Speech not corrected

* **শ্ৰী বিমলাংশু ৰয় ঃ** মাননীয় অধ্যক্ষ মহাশয়, মাননীয় মন্ত্ৰী মহাশয়ে স্বীকাৰ কৰিছে যে অন্নপূৰ্ণা আঁচনিখনৰ যি চাউল বিতৰণৰ পদ্ধতি সেই পদ্ধতিত কিছু খুতি নাতি আছে আৰু সেইটো দূৰ কৰাৰ বাবে তেখেতে চেষ্টা কৰিব। অধ্যক্ষ মহাশয়, কাছাৰ জিলাত কিয় হিতাধীকাৰীৰ মাজত বিতৰণ কৰা হোৱা নাই এই আঁচনিৰ চাউল তেখেতে নিশ্চয় এটা তদন্ত কৰিব আৰু আমি আশা কৰিছো এই ক্ষেত্ৰত দুখীয়া-গৰীৱ মানুহখিনিয়ে কিছু সকাহ পাব। অধ্যক্ষ মহাশয়, মই মাননীয় মন্ত্ৰী মহাশয়ৰ পৰা জানিব বিচাৰিছো যে ডি,আৰ,ডি,এতেই হওঁক বা অন্য কিবাতেই হওঁক আমাৰ কাছাৰ জিলাত যাতে এইটো কোনো প্ৰকাৰে লেপচ্ নপৰে এই ক্ষেত্ৰত যেন মাননীয় মন্ত্ৰী মহাশয়ে এটা চোকা দৃষ্টি অটুত ৰাখে তাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহাশয়ক অনুৰোধ কৰিছো। দ্বিতীয়তে, আমাৰ কাছাৰ জিলাত যি ধৰণে অন্নপূৰ্ণা বা অন্তোদ্দয়াৰ আঁচনিৰ চাউল, সেই চাউল যাতে সময় মতে হিতাধীকাৰীৰ মাজত বিতৰণ কৰে সেইটো যাতে তেখেতে লক্ষ্য ৰাখে মই অনুৰোধ কৰিছো। মোৰ তৃতীয় প্ৰশ্ন হৈছে যে আমি জনসাধাৰণৰ প্ৰতিনিধি হিচাবে ইন্দিৰা আবাস যোজনাৰ অধীনত যি দুখীয়া-গৰীৱ মানহক ঘৰ বনাই দিয়াৰ আঁচনি আছে আমি তাত একোৱেই পোৱা নাই। আমি কি জনসাধাৰণৰ প্ৰতিনিধি হিচাব এই ক্ষেত্ৰত কিয় এই সুবিধাৰ পৰা বঞ্চিত হৈছো আমাৰ কি প্ৰাপ্য নাপাম নেকি? অধ্যক্ষ মহাশয় মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহাশয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে এই ক্ষেত্ৰত তেখেতে যে এটা চোকা নজৰ ৰাখে। আমি জনসাধাৰণৰ প্ৰতিনিধি হিচাবে এই ক্ষেত্ৰত কি সদায়ে এই সুবিধা বিলাকৰ পৰা বঞ্চিত হৈয়ে থাকিম নেকি? আমাৰ প্ৰাপ্যটো আমি নাপাম নেকি?

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এটা কথা কৈছে যে কাছাৰ জিলাৰ নাম নাই। এই কথাটো সঁচা নহয়। ২৩ খন জিলালৈহে পঠোৱা হৈছে, সকলো বিলাক জিলাক দিয়া নাই।

* **শ্ৰী বিমলাংশু ৰয় ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাক ডিপ্ৰাইভ কৰিলে। বিধায়ক পুঁজিৰ পৰা কাছাৰ জিলাৰ ডিপ্ৰাইভ কৰিলে।

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আঁচৰিত হৈছো যে

* Speech not corrected

তেখেতে বিধায়ক হিচাপে অভিযোগ আনিছে। পঞ্চায়ত আইনত এইটো আছে। গাওঁ পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়ত বিলাকে লব লাগে। মাননীয় বিধায়ক জনো ইয়াৰ সদস্য। গতিকে মই সুধিছো যে তেখেতে বিধায়ক পুঁজিৰ এটা টকাও কিয় পোৱা নাই। এই গোটেই কথাটো এটা মিউচুৱেল আন্দাৰষ্টেনদিঙৰ কথা। মই ভাবো মাননীয় সদস্যজন সন্তুষ্ট হৈছে।

* **শ্ৰী বিমলাংশু ৰয় ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপুনি কিমান টকা ক'ত ক'ত দিছে এনেক্সাৰ ৪, ৫, ৬ ত উল্লেখ নাই। ষ্টেটচেয়াৰ কম কৰাৰ কাৰণে আমি বহি আলোচনাও কৰিছো। এই সংক্ৰান্তত আপুনি কাক ক'ত কিমান টকা দিব লাগে কিবা নিৰ্দ্দেশ দিছে নেকি?

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই বিষয়ে উল্লেখ কৰিছোৱেই, তেনে নিৰ্দ্দেশ দিয়াৰ প্ৰশ্নই উঠিব নোৱাৰে। কেন্দ্ৰীয় মন্ত্ৰী সিং ডাঙৰীয়া আহোতে আমাৰ কাম-কাজত সন্তুষ্টি প্ৰকাশ কৰিছে। ষ্টেটচেয়াৰ ৭৭টা কৰিব লাগে বুলি আমি বিত্তীয় আয়োগক প্ৰস্তাৱ দিছো আৰু তেওঁলোকে গ্ৰহণ কৰিছে।

**Mr. Speaker :** Now, Starred Question No. 46, Hon'ble Member, Shri Jagadish Bhuyan.

## বিষয় ঃ চাউলৰ চোৰাং বেপাৰ।

**শ্ৰী জগদীশ ভূঞাই সুধিছে ঃ**

* ৪৬। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ চাউলৰ চোৰাং বেপাৰ চলি থকা বুলি সংবাদ মাধ্যমত উঠা বিভিন্ন অভিযোগৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, উক্ত অভিযোগ সমূহৰ সত্যতা উদঘাটনৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) যদি কৰা নাই, কিয় কৰা নাই।

---

* Speech not corrected

**শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, জ্ঞাত।

(খ) উক্ত অভিযোগ সমূহৰ সত্যতা উদঘাটনৰ বাবে বিভাগীয় অনুসন্ধানৰ ব্যৱস্থা কৰা হৈছে।

(গ) প্ৰশ্ন নুঠে।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন কেইটা হৈছে—

(ক) পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ চাউলৰ চোৰাং বেপাৰ চলি থকা বুলি সংবাদ মাধ্যমত উঠা বিভিন্ন আভিযোগৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, উক্ত অভিযোগ সমূহৰ সত্যতা উদঘাটনৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) যদি কৰা নাই, কিয় কৰা নাই?

মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এতিয়ালৈকে যিমান অভিযোগ আহিছে তাৰ সত্যতা উদঘাটন কৰিবলৈ চৰকাৰে কি ব্যৱস্থা লৈছে?

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানিত সদস্যজনে এই চাউল চোৰাং বেপাৰৰ বিষয়ে যোৱা ৩ বছৰে যিমান ৰাজহুৱা অভিযোগ আহিছে সেই বিষয়ে সুধিছে। চাৰ, এই অভিযোগসমূহৰ সত্যাসত্য উদঘাটনৰ বাবে নিৰ্দ্দেশ দিয়া হৈছে। এই সংক্ৰান্তত পুলিচেও চোৰাং বেপাৰীক গ্ৰেপ্তাৰ কৰিছে। কাছাৰ জিলাত ইতিমধ্যে এজন জুনিয়ৰ ইঞ্জীনিয়াৰক নিলম্বিত কৰা হৈছে, এতিয়ালৈকে ৭ জন বি,ডি,অ'ক গ্ৰেপ্তাৰ কৰা হৈছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেওঁলোকক ভৱিষ্যতৰ কাৰণে এটা ৱাৰনিং দিবলৈ কৈছিল কিন্তু মই তেওঁলোকক বৰ্খাস্ত কৰিব লাগে বুলি কৈছো। চাউলৰ চোৰাং বেপাৰৰ ওপৰত তদন্ত কৰিবলৈ প্ৰত্যেক উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক সকলক নিৰ্দ্দেশ দিয়া হৈছে আৰু তেওঁলোকে ইয়াৰ ওপৰত চোকা নজৰ ৰাখিছে আমালৈ ৰিপোৰ্ট পঠাইছে।

* Speech not corrected

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সত্য বুলি প্ৰমাণ হোৱা অভিযোগৰ সংখ্যাটো কিমান জানিব বিচাৰিছো।

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তদন্ত যিহেতু চলি আছে সম্পূৰ্ণ নোহোৱাকৈ কব নোৱাৰি। এতিয়ালৈকে প্ৰায় ৪৭ জন বিষয়াৰ ওপৰত ব্যৱস্থা লোৱা হৈছে।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, গাপ দিবলৈ চেষ্টা নকৰাই ভাল। বিভাগীয় মন্ত্ৰীজনৰ বিৰুদ্ধে তদন্ত কৰিবলৈ কাক দায়িত্ব দিয়া হৈছে।

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদনক আগতেও কৈছো আৰু এতিয়াও কওঁ যে মোৰ বিৰুদ্ধে উঠা অভিযোগ যদি সত্য বুলি প্ৰমাণিত হয় ২৪ ঘন্টাৰ ভিতৰত পদত্যাগ কৰিম আৰু ৰাজহুৱা জীৱনো ত্যাগ কৰিম।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো তদন্ত কৰাৰ বাবে সদন কমিটি গঠন কৰা হওঁক। আপোনালোকে কৈছে যে বাতৰি কাকতৰ অভিযোগমতে সত্যাসত্য নিৰূপণ কৰিবৰ বাবে চেষ্টা চলাইছো। গতিকে আমি সদন কমিটি গঠনৰ বাবে প্ৰস্তাৱ দিছো। এই ক্ষেত্ৰত মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই নিজা বৰীয়াকৈ ব্যৱস্থা কৰক।

সদনত কথাটো পৰিস্কাৰ হব লাগে। চাউল চুৰি ব্যৱস্থাত চৰকাৰ জৰিত নহয় কিন্তু এজন মাননীয় সদস্যই গুৰুতৰ অভিযোগ আনিছে এইটো তদন্তৰ কাৰণ দায়িত্ব দিয়া উচিত হ'ব।

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** মই এইটো স্পষ্ট ভাৱে কৈছো সদনৰ দ্বাৰা তদন্ত কৰিব পাৰে আৰু দায়িত্ব সহকাৰে কৈছো চৌবিশ ঘন্টাৰ ভিতৰত মই বিধায়ক পদৰ পৰা পদত্যাগ কৰিম আৰু ৰাজহুৱা জীৱনৰ পৰাও পদত্যাগ কৰিম। এই কথা মই আগতেও কৈছো আৰু বিধান সভাতো কলো।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** সদন কমিটি গঠন কৰা হওক। এজন মাননীয় বিধায়কে কৰা অভিযোগ আৰু বাতৰি কাকততো ওলাইছে। মন্ত্ৰী ডাঙৰীয়াও অভিযোগ প্ৰমাণিত হলে ৰাজহুৱা জীৱনৰ পৰা পদত্যাগ কৰাৰ কথা ঘোষণা

---

* Speech not corrected

কৰিছে। গতিকে নিৰপেক্ষ তদন্তৰ কাৰণে সদন কমিটি গঠন কৰি দিব লাগে অথবা মুখ্যমন্ত্ৰীয়ে নিজাববীয়াকৈ তদন্ত কৰক অথবা চি-বি-আইক অৰ্পণ কৰক। কিয়নো মন্ত্ৰী ডাঙৰীয়া অভিযোগৰ পৰা মুক্ত হ'ব লাগে।

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** প্ৰমাণ কৰক। মই ইতিমধ্যে কেচ কৰিছো।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** কাগজে পত্ৰে ওলাইছে। চতিয়া সমষ্টিৰ মাননীয় বিধায়কে বিষয়টো অভিযোগ হিচাপে উত্থাপন কৰিছে। মই কোৱা যি কোনো প্ৰকাৰে তদন্তৰ ব্যৱস্থা কৰক। কোনো আইনৰ উৰ্দ্ধত নহয়।

* **ডঃ ইদ্ৰিচ আলী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এটা পৰামৰ্শ আছে। আমাৰ বিভিন্ন গোডাউন আছে। হেডকোৱাটাৰৰ গোডাউনৰ পৰা সেই বিলাক বিভিন্ন ঠাইলৈ পঠিওৱাৰ ব্যৱস্থা কৰিব লাগে।

* **শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ** আমাৰ নীতি নিৰ্দ্দেশনা আছে। প্ৰত্যেক ব্লকতে গোডাউন থাকিব লাগে। এইটো দিয়া আছে। কোনো ব্লকত গোডাউন নাথাকিলে চৰকাৰী ওৱেৰহাউচত ৰাখিব পাৰে নহলে প্ৰাইভেট গোডাউনতো ৰাখিব পাৰে। কিন্তু বস্তুৰ লিষ্টখন এ,পি, ডি,চিৰ হাতত দিব লাগে।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** মন্ত্ৰীৰ কথা সঁচা। কিন্তু সদন কমিটি কৰা হবনে নহয়?

(সদনত গোলমাল। ভালেকেইজন মাননীয় সদস্যই একেলগে কয় কাৰো কথা ভালকৈ শুনা নাযায়।)

(সদনত গোলমাল চলি থাকে। কাৰো কথা শুনা নাযায়।)

**মাননীয় অধ্যক্ষ ঃ** কোনোটো সত্য বুলি এতিয়াই কব নোৱাৰে। ডিফেমেশ্বন কেচ দিছে। তাৰ পিচত এই হব। সদন কমিটি কৰা কথা নাহে। Please do not make it generalise. Please make supplementary only.

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** এইটো এটা গুৰুতৰ অভিযোগ। মাননীয় বিধায়ক এগৰাকীয়ে অভিযোগ আনিছে। ইয়াৰ ওপৰত সিদ্ধান্ত নিদিয়াৰ কাৰণে আমি প্ৰতিবাদ কল্পে সদন ত্যাগ কৰিলো।

(অ,গ,প দলৰ মাননীয় সদস্য সকলে সদন কক্ষ ত্যাগ কৰে)

---

* Speech not corrected

* **শ্ৰী হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** শ্ৰী হিতেন গোস্বামী ডাঙৰীয়াই দলৰ মুৰব্বী থকা সত্ত্বেও দলৰ বিধায়ক সকলক লৈ ওলাই গ'ল।

* **শ্ৰী বৃন্দাবন গোস্বামী ঃ** মন্ত্ৰী ডাঙৰীয়াৰ কথা সত্য নহয়। ইয়াৰ প্ৰতিবাদত আমি সদন কক্ষ ত্যাগ কৰিছো।

**Mr. Speaker :** Now, Starred Question No. 47, Hon'ble Member, Shri Pabindra Das.

## বিষয় ঃ ৰবি শস্যৰ খেতি।

**শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছে ঃ**

* ৪৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বানপানীয়ে বিধ্বস্ত কৰি যোৱা ৰাজ্যখনত বিস্তৃত ৰবি শস্যৰ খেতি কৰাৰ বাবে চৰকাৰে কি কি আঁচনি লৈছে?

(খ) এনে আঁচনি ৰূপায়নৰ বাবে ৰাজ্যখনৰ কিমান মাটি নিৰ্দ্ধাৰন কৰা হৈছে?

(গ) এতিয়ালৈ কি কি শস্যৰ বীজ কৃষক সকলক যোগান ধৰা হৈছে আৰু কিমানটা কৃষক পৰিয়ালক যোগান ধৰা হৈছে?

(ঘ) উক্ত আঁচনি ৰূপায়ন কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা আৰ্থিক অনুদান চৰকাৰে পাইছেনে?

(ঙ) যদি পাইছে কিমান পাইছে?

**শ্ৰী ৰাজেদ আলি চৌধুৰী (কৃষি বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৰাজ্যখনত ঘেঁহু, মটৰ, মচুৰ, মাকৈ, সৰিয়হ, মগু আৰু ধানৰ বিনামূলীয়াকৈ বীজ বিতৰনৰ লগতে টেক্টৰেৰে মাটি চহোৱাৰ আঁচনি লোৱা হৈছে। বান বিধ্বস্ত অঞ্চলত ৰবি শস্যৰ খেতি কৰাৰ বাবে।

(খ) এনে আঁচনি ৰূপায়ন কৰাৰ বাবে ১,৯৩,৪৯৪ হেক্টৰ মাটি নিৰ্দ্ধাৰন কৰা হৈছে।

---

* Speech not corrected

(গ) এতিয়ালৈকে মাটিমাহ ঘেঁহু, মটৰমাহ, মচুৰ মাহ, সৰিয়হ আৰু মাকৈৰ বীজ মুঠ ৭,৫৮,৯২০ টা খেতিয়ক পৰিয়ালক যোগান ধৰা হৈছে।

(ঘ) পাইছে।

(ঙ) ১৫.০০ কোটি টকা বীজ বিতৰণৰ বাবে আৰু ৪.৯৮ কোটি টকা টেক্টৰেৰে মাটি চহোৱাৰ বাবে পাইছে।

* **শ্ৰী পবিন্দ্ৰ ডেকা ঃ** এই বিনামূলীয়া চীড দিয়াৰ পিচত কিমান উৎপাদন হৈছে ঘেহু কিমান হ'ব পাৰে, মটৰ কিমান হ'ব, মচুৰ কিমান হ'ব পাৰে, মগু কিমান হ'ব আৰু সাত লাখ আঠানব্বৈ হাজাৰ পৰিয়ালৰ পৰা কিমান উৎপাদন কৰিব বৃদ্ধি কিমান হ'ব কিমান মেট্ৰিক টন বা কুইন্টল বৃদ্ধি হ'ব সেইটো হিচাব হ'ব লাগে।

* **শ্ৰী ৰাজেদ আলি চৌধুৰী (মন্ত্ৰী) ঃ** চৰকাৰৰ ফালৰ পৰা বিনামূলীয়া কৈ দিয়াৰ ব্যৱস্থা কৰা হৈছে তাৰ লগতে বিনামূলীয়াকৈ মাটি চহাই দিয়াৰ ব্যৱস্থা কৰা হৈছে। কিন্তু কিমান উৎপাদন এই বিলাক সুবিধা পোৱাৰ পিচত কৰিব পাৰিছে সেইটো তথ্য বৰ্তমানে দিব পৰাকৈ আমাৰ হাতত পৰাহি নাই।

**Mr. Speaker : Now, Question hour is over.**

(Starred Questions Nos. 48 to 60 could not be taken up for disposal as the Question Hour was over. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

## বিষয় ঃ গৃহ নিৰ্মাণ আঁচনি।

**শ্ৰী দীনেশ চন্দ্ৰ সৰকাৰে সুধিছে ঃ**

* ৪৯। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) SGRY আঁচনিৰ অধীনত ২০০২-২০০৩ বৰ্ষত ছত্ৰশাল গাওঁ পঞ্চায়ৰ বা শকাল প্ৰগতি মহিলা সমিতিৰ গৃহ নিৰ্মাণৰ বাবে কিমান টকা আঁচনি গ্ৰহণ কৰা হৈছে?

* Speech not corrected

(খ) এই আঁচনি কাৰ্য্যকৰী কৰাৰ বাবে সম্পূৰ্ণ টকা বেংকৰ পৰা উঠাই লোৱা কথাটো সঁচানে?

(গ) এইটো সঁচানে যে উক্ত ঘৰ এতিয়াও নিৰ্মাণ কৰা হোৱা নাই?

(ঘ) যদি সঁচা হয়, উক্ত টকা কোনে ৰাখিছে আৰু তাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিব?

**শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) উক্ত আঁচনি কাৰ্য্যকৰণৰ বাবে মুঠ ৪০,৩৪.০০ টকা ধাৰ্য্য কৰা হৈছে।

(খ) কথাটো সঁচা।

(গ) সঁচা।

(ঘ) ছত্ৰশাল গাওঁ পঞ্চায়তৰ সভাপতি গৰাকীৰ ওচৰত মুকলি কৰি দিয়া টকা জমা আছে।

এই সম্পৰ্কে ইতিমধ্যে জিলা গ্ৰাম্য উন্নয়ণ অভিকৰণ ধুবুৰীৰ কাৰ্য্যবাহী অভিযন্ত্ৰাৰ দ্বাৰা তদন্ত কৰা হৈছে। তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত উক্ত খণ্ড উন্নয়ন বিষয়া গৰাকীৰ জৰিয়তে গাওঁ পঞ্চায়তৰ সভাপতিৰ পৰা উক্ত টকা ঘূৰাই দিয়াৰ ব্যৱস্থা হাতত লোৱা হৈছে।

## বিষয় ঃ নগাঁও জিলাৰ পথৰ মেৰামতি।

**শ্ৰী সুশীল দত্তই সুধিছে ঃ**

* ৫০। মাননীয় পঞ্চায়ত ও গ্ৰমোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান চৰকাৰ কাৰ্য্যভাৰ লোৱাৰ পিছত ২০০১-২০০৪ অক্টোবৰলৈকে নগাঁও জিলাৰ অন্তৰ্গত লামডিং সমষ্টিৰ উদালী আৰু লামডিং উন্নয়ণ খণ্ডৰ অধীনত গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ দ্বাৰা বিভিন্ন শিতানত মুঠ কিমানটা পথ নিৰ্মাণ আৰু মেৰামতি কৰা হ'ল।

(খ) কোন কোন পথ নিৰ্মাণ, মেৰামতি আৰু IAY ৰ অধীনত কিমান ঘৰ নিৰ্মাণ কৰা হ'ল প্ৰতিটো ঘৰ আৰু প্ৰতিটো ৰাস্তা নিৰ্মাণ, মেৰামতিৰ বিপৰীতে কিমান টকা আৱন্টন দিয়া হ'ল আৰু IAYৰ অধীন কোন কোন হিতাধিকাৰী ঘৰ পাইছে? (নাম বিলাক সদনৰ মেজত তালিকাসহ দাখিল কৰিব)

(গ) ২০০১-২০০২, ২০০২-২০০৩ চনত EAS শিতানত লামডিং আৰু উদালী উন্নয়ণ খণ্ডৰ অধীনত কি কি কাম কৰা হৈছে? প্ৰতিখন ৰাস্তাৰ নাম আৰু কামৰ বিপৰীতে টকাৰ পৰিমাণ উল্লেখ কৰি এখন তালিকা সদনৰ মেজত দাখিল কৰিবনে?

**শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰীয়ে উত্তৰ দিছে ঃ**

(ক) বৰ্তমান চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ পাছত ২০০১ চনৰ পৰা ২০০৪ চনৰ অক্টোবৰ মাহ পৰ্য্যন্ত নগাঁও জিলাৰ লামডিং সমষ্টিৰ ওদালী আৰু লামডিং উন্নয়ণ খণ্ডৰ অধীয়ত গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ দ্বাৰা নিৰ্মাণ কৰা আৰু মেৰামতি কৰা পথ সমূহৰ বিৰৰণ তলত উল্লেখ কৰা হ'ল ঃ—

**২০০১-২০০৪ চনৰ অক্টোবৰ মাহলৈ নিৰ্মাণ কৰা পথৰ সংখ্যা**

| | | ওদালী উন্নয়ণ খণ্ড | লামডিং উন্নয়ণ খণ্ড |
|---|---|---|---|
| ১। | জিলা পৰিষদ, নগাঁও | ২৯ টা | ১২ টা |
| ২। | আঞ্চলিক পঞ্চায়ত পৰ্য্যায়ৰ নিৰ্মাণ সমিতি | ৩৩ টা | ৩০ টা |
| ৩। | গাওঁ পৰ্য্যায়ৰ, গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ নিৰ্মাণ সমিতি | ১৩ টা | ৩৩ টা |
| ৪। | আঞ্চলিক পঞ্চায়ত | ৫৩ টা | ৩৯ টা |
| ৫। | গাওঁ পঞ্চায়ত | ১১৭ টা | ৮৪ টা |

(খ) ২০০১ চনৰ পৰা ২০০৪ চনৰ অক্টোবৰ মাহলৈকে লামডিং সমষ্টিৰ ওদালী আৰু লামডিং উন্নয়ণখণ্ডৰ এলেকাত নিৰ্মাণ কৰা আৰু মেৰামতি কৰা ৰাস্তা আৱন্টিত ধন আৰু খৰছৰ তালিকাৰ লগতে IAY ৰ হিতাধিকাৰী সকলৰ নামৰ তালিকা তলত দেখুওৱা পৰিশিষ্ট অনুযায়ী দাখিল কৰি সদনৰ মেজত পেচ কৰা হৈছে। IAY ২০০১-২০০২ বৰ্ষত নিৰ্মাণ কৰা প্ৰতিটো ঘৰৰ বিপৰীতে ২০,০০০.০০ টকা, উন্নীতকৰণৰ বিপৰীতে প্ৰতিটো ঘৰৰ ১০,০০০.০০ টকা আৱন্টন দিয়া হৈছে।

২০০২-২০০৩, ২০০৩-২০০৪ বৰ্ষৰ বাবে আৱন্টন দিয়া প্ৰতিটো নতুন ঘৰৰ বাবে ২২,০০০.০০ টকা আৰু উন্নীতকৰণ কৰা প্ৰতি ঘৰ সমূহত ১০,০০০.০০ টকা আৱন্টন দিয়া হৈছিল। ২০০৪-২০০৫ বৰ্ষৰ IAY ঘৰ সমূহৰ নতুন ঘৰৰ বিপৰীতে ২৫,০০০.০০ টকা আৰু উন্নীতকৰণৰ বিপৰীতে ১২,৫০০.০০ টকা আৱন্টন দিয়া হৈছে যদিও এই ঘৰ সমূহৰ কাম এতিয়াও প্ৰাৰম্ভিক পৰ্য্যায়ত আছে।

(১) নগাঁও জিলা পৰিষদ - পৰিশিষ্ট-১

(২) ওদালী উন্নয়ণ খণ্ড ঃ
ৰাস্তাৰ তালিকা - পৰিশিষ্ট-২
IAY হিতাধিকাৰীৰ তালিকা - পৰিশিষ্ট-৩

(৩) লামডিং উন্নয়ণ খণ্ড ঃ
ৰাস্তাৰ তালিকা - পৰিশিষ্ট-৪
IAY হিতাধিকাৰীৰ তালিকা - পৰিশিষ্ট-৫ ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

(গ) ২০০১-২০০২ চনৰ EAS শিতানৰ লামডিং আৰু ওদালী উন্নয়ণ খণ্ডৰ অধীনত ৰূপায়ণ কৰা আঁচনি সমূহৰ তালিকা আৰু আৱন্টিত ধনৰ পৰিমান যথাক্ৰমে পৰিশিষ্ট-৬ আৰু পৰিশিষ্ট-৭ ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

২০০২-২০০৩ চনত EAS আঁচনিখনৰ বিলুপ্তি হয় আৰু SGRY-I আঁচনিৰ লগত বিলীন হয়।

**বিষয় ঃ PMGSY ৰ অধীনত ৰাস্তা।**

**শ্ৰী গুণীন হাজৰিকাই সুধিছে ঃ**

* ৫১। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাত PMGSY ৰ বাবে ২০০৪-২০০৫ চনত কেইটা ৰাস্তা কৰা হৈছে আৰু উক্ত পথ সমূহৰ নাম কি কি?

(খ) ২০০২-২০০৩, ২০০৩-২০০৪ আৰু ২০০৪-২০০৫ বিত্তীয় বছৰত কলিয়াবৰ উন্নয়ণ খণ্ডৰ কোন কেইটা ৰাস্তা PMGSY ত ধৰা হৈছে।

(গ) এই পথ নিৰ্বাচনত নগাঁও জিলা পৰিষদৰ দ্বাৰা কৰা হৈছিল নে DRDA ৰ দ্বাৰা কৰা হৈছিল? নগাওঁ জিলাৰ পৰিষদ আৰু ব্লক লেভেল সমিতিৰ সভা সমূহ কেতিয়া কোন তাৰিখে অনুস্থিত হৈছিল?

**শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) Superintending Engineer, P.W.D, Nagaon Road Circle, Nagaon ৰ পৰা পোৱা তথ্য মতে নগাওঁ জিলাত PMGSY ৰ বাবে ২০০৪-২০০৫ চনত মুঠ ১৩ (তেৰটা) ৰাস্তা ধৰা হৈছে আৰু উক্ত পথ সমূহৰ নাম তলত দিয়া হ'ল।

১। মাধপাৰাৰ পৰা শিমলুগুৰিলৈ মুঠ ৭.০০ কিঃমিঃ (কঠিয়াতলি উন্নয়ণ খণ্ড)

২। ননৈ দক্ষিণপাট গড় কাপ্তানী পথৰ পৰা কছুবা গাৱলৈ মুঠ ৩.৫০০ কিঃমিঃ (গাখিমৰীয়া উন্নয়ন খণ্ড)।

৩। নগাওঁ ননৈ পথৰ পৰা ছুটহয়বৰ হীৰা গাওঁ মুঠ দৈৰ্ঘ্য ৩.৫০০ কিঃমিঃ (পাখিমৰীয়া উন্নয়ণ খণ্ড)।

৪। ১ম কিঃমিঃ ৰাষ্ট্ৰীয় পথ-৫৪ ৰ পৰা বৰহাৱাৰ/ মুঠ দৈৰ্ঘ্য ৯.৯৫০ কিঃমিঃ (বিনাকান্দি উঃ খণ্ড)।

৫। উত্তৰ বিদ্যানগৰৰ পৰা চাওতাল বস্তি হৈ কেন্দুগুৰিলৈ। মুঠ দৈর্ঘ্য ১৪,৮৮ কিঃমিঃ (যোগীজান উঃখঃ)।

৬। হোজাই বজাৰৰ পৰা সংকা। মুঠ দৈর্ঘ্য ১০.৫৫ কিঃমিঃ (ধলপুখুৰী উঃখঃ)।

৭। পূৰ ওদালিৰ পৰা চড়ক বস্তি। দৈর্ঘ্য ১.৮৩ কিঃমিঃ (লামডিং উঃখঃ)।

৮। ভালুকমাৰীৰ পৰা কছাৰী গাওঁলৈ। দৈর্ঘ্য ৩.৪০ কিঃমিঃ (ওদালি উন্নয়ণ খণ্ড)।

৯। বৰবহাৰ পৰা পূৱ কান্দুৰালৈ। দৈর্ঘ্য ০.৯২০ কিঃমিঃ (ওদালি উঃখঃ)।

১০। কাটৰালৰ পৰা জুৰীয়া হৈ ৰালিকটিয়া। মুঠ দৈর্ঘ্য ১৪.৮০০ কিঃমিঃ (জুৰিয়া উঃখঃ)।

১১। কহুৱা আটি খলশীয়াৰৰ পৰা দলংঘাট মুঠ দৈর্ঘ্য ২.০০ কিঃমিঃ (দলংঘাট উঃখঃ)।

১২। গেৰেকীৰ পৰা ৰূপহী টাউন, পূৱ। দৈর্ঘ্য ৫.৫০০ কিঃমিঃ (ৰহা উঃখঃ)।

১৩। হাতীগড় পশ্চিমৰ পৰা বালিজুৰি বজাৰ দৈর্ঘ্য ৫.৫০০ কিঃমিঃ (বহা উঃ খঃ)

(খ) ২০০২-২০০৩, ২০০৩-২০০৪ আৰু ২০০৪-২০০৫ বিত্তীয় বছৰত কলিয়াবৰ উন্নয়ণ খণ্ডত কোনো ৰাস্তা PMGSY ৰ অধীনত ধৰা হোৱা নাই।

(গ) ২০০৩-০৪, ২০০৪-০৫ বিত্তীয় বছৰত পথ সমূহ নগাওঁ জিলা পৰিষদৰ দ্বাৰা নির্বাচন কৰা হৈছিল। ২০০০-০১, ২০০১-০২ ৰ পথ সমূহ DRDA ৰ দ্বাৰা নির্বাচন কৰা হৈছিল।

নগাওঁ জিলা পৰিষদৰ সাধাৰণ সভাসমূহ যোৱা ৩-৮-২০০২, ৩১-৯-২০০২, ২-১১-২০০২, ২৭-২-২০০৩, ১০-৭-২০০৩,

১৩-১-২০০৪ আৰু ৯-১১-২০০৪ তাৰিখে অনুষ্ঠিত হৈছিল বুলি নাগওঁ জিলা পৰিষদৰ পৰা জনাইছে। তাৰোপৰি কলিয়াবৰ উঃ খণ্ডৰ ব্লক লেভেল ভিজিলেন্স আৰু মনিটৰিং সমিতিৰ সভা যথাক্ৰমে ২১-৪-২০০৩ আৰু ১২-৮-২০০৩ তাৰিখে অনুষ্ঠিত হৈছিল।

## বিষয় ঃ জিলা পৰিষদ।

**ডঃ জয়নাথ শৰ্মাই সুধিছে ঃ**

* ৫২। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দৰং জিলাত জিলা পৰিষদৰ তৰফৰ পৰা যোৱা ২০০১-২০০২, ২০০২-২০০৩, ২০০৩-২০০৪, ২০০৪-২০০৫ চনত কি কি আঁচনি ৰূপায়ণ কৰা হ'ল? উক্ত আঁচনি সমূহৰ কোন আঁচনিত কিমান টকা ব্যয় হ'ল?

(খ) ছিপাঝাৰ খণ্ড উন্নয়ণৰ অধীনত আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়ত সমূহে ৰূপায়ণ কৰা আঁচনি সমূহৰ প্ৰত্যেকৰে বিপৰীতে কিমান টকা ব্যয় হ'ল? কোন আঁচনিত কিমান চাউল শ্ৰমিকক দিয়া হ'ল?

**শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) দৰং জিলাত জিলা পৰিষদৰ তৰফৰ পৰা ২০০১-২০০২ চনত কোনো আঁচনি ৰূপায়ণ কৰা হোৱা নাই। ২০০২-২০০৩ আৰু ২০০৩-২০০৪ চনত দৰং জিলা পৰিষদৰ তৰফৰ পৰা ৰাস্তা নিৰ্মাণ, ৰাজহুৱা ঘৰ নিৰ্মাণ, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণ, বজাৰ গৃহ নিৰ্মাণ, জিৰনি চৰা নিৰ্মাণ, ৰাস্তাৰ উন্নিতকৰণ ইত্যাদি আঁচনিৰ অধীনত ৰূপায়ণ কৰা হৈছে। ২০০৪-২০০৫ চনৰ অধীনত লোৱা কাম সমূহ এতিয়ালৈ আৰম্ভ কৰিব পৰা হোৱা নাই। ৰূপায়ণ কৰা আঁচনি সমূহৰ বিপৰীতে খৰচ হোৱা টকাৰ পৰিমান পৰিশিষ্ট 'ক' আৰু 'খ'ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

(খ) ছিপাঝাৰ উন্নয়ণ খণ্ডৰ অধীনত আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়ত সমূহে ৰূপায়ণ কৰা আঁচনি সমূহৰ বিপৰীতে মুঠ খৰচৰ পৰিমান আৰু শ্ৰমিকক দিয়া চাউলৰ মূল্য পৰিশিষ্ট 'গ'ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

## Sub : Buffer Stock Godown of FCI.

**Shri Mission Ranjan Das asked :**

* 53. Will the Minister of Food & Civil Supplies be please to State :

(a) What are the steps taken by the Govt. for construction of a Duffer Stock Godown of F.C.I. in and around Karimganj town to cater to public need (Please give the details).

**Dr. Nazrul Islam (Minister of Food & Civil Supplies, Assam) replied :**

(a) The State Govt. have taken up the matter of construction of one buffer stock godown of Food Corporation of India Authorities, Guwahati, vide letter No. FSB.82/99/35 dtd. 07-08-2004. Due to non-availablility of suitable Govt. land in and around the Karimganj Town for setting up the buffer stock godown of the FCI, as reported by the Deputy Commissioner, Karimganj vide letter No. DC.5/2004, dtd. 16-11-2004, the FCI authorities have been requested to submit necessary proposal to the Deputy Commissioner, Karimganj for aquisition of suitable private land for constructing the godown, The State Govt. have also requested the Sr. Regional Manager, FCI to submit 29-11-2004, as requested by the Deputy Commissioner, Karimganj. The proposal from the FCI side is awaited, but the matter is being pursued from our side.

## বিষয় ঃ বিভিন্ন আঁচনি।

**শ্ৰী হেমন্ত তালুকদাৰে সুধিছে ঃ**

* ৫৪। মাননীয় হস্ত তাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনে ঃ

পশ্চিম গুৱাহাটী সমষ্টিৰ অধীনত তলত দিয়া আঁচনি সমূহ কোন কোন ঠাইত দিয়া হৈছে তাক হিতাধিকাৰীৰ তালিকাসহ দাখিল কৰিবনে?

(a) Health Package.

(b) IHTP.

(c) SHGY.

(d) Rural Workshed - cum - Housing Scheme.

**ডঃ হেমপ্ৰভা শইকীয়া (হস্ত তাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

পশ্চিম গুৱাহাটী সমষ্টিৰ অধীনত হস্ত তাঁত আৰু বস্ত্ৰ শিল্প বিভাগে লোৱা আঁচনি ও ঠাই সমূহৰ নাম তলত উল্লেখ কৰা হ'ল—

| আঁচনিৰ নাম | ঠাইৰ নাম |
|---|---|
| ১। সমন্বিত স্বাস্থ্য আঁচনি (Health Package) | ঃ হস্ত তাঁত ও বস্ত্ৰ বিভাগৰ পৰা পূৱ মাজিৰ গাওঁ আৰু আৰ্টফেডৰ পৰা পশ্চিম বৰা গাওঁত স্বাস্থ্য সেৱাৰ আঁচনিৰ বাবে অনুদান বিতৰণ কৰিছে। হিতাধিকাৰীৰ তালিকা প্ৰ-পত্ৰ "ক"ত দিয়া হ'ল। (See Annexure - II)<br>ইয়াৰোপৰি আৰ্টফেডৰ জৰিয়তে বৰঝাৰ সৰু আগচিয়া ৰোৱা-কটা সমবায় সমিতি লিঃ আৰু পশ্চিম বৰাগাওঁ শিপিনী নগৰত এটাকৈ মুঠ ২টা পকী নাদ এই আঁচনিৰ অধীনত স্থাপন কৰা হয়। |

| | | |
|---|---|---|
| ২। সংহত হস্ত তাঁত প্ৰশিক্ষণ প্ৰকল্প (IHTP) | ঃ | পূব মাজিৰ গাওঁৰ কনকলতা বয়ন শিল্প সমিতি লিঃৰ বাবে প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে পঠোৱা হৈছে। (২০০৪-২০০৫ চনৰ বাবে) |
| ৩। এছ.এইছ.জি.ৱাই (SHGY) | ঃ | এনে ধৰণৰ কোনো আঁচনি হস্ত তাঁত ও বস্ত্ৰ শিল্প বিভাগে লোৱা নাই। |
| ৪। গ্ৰাম্য কাৰখানা গৃহ আঁচনি | ঃ | হস্ত তাঁত ও বস্ত্ৰ শিল্প বিভাগৰ পৰা পূব মাজিৰ গাওঁ আৰু কেন্দুকুছি গাওঁত এই আঁচনি লোৱা হৈছে। হিতাধিকাৰীৰ তালিকা নিচান "খ"ত দিয়া হ'ল। (See Annexure - II-A) |

## বিষয় ঃ চাহ মজদুৰ সকলৰ ভৱিষ্যনিধি।

**শ্ৰী এতোৱা মুণ্ডাই সুধিছে ঃ**

* ৫৫। মাননীয় শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আজি তাৰিখলৈকে মুঠ কিমানখন চাহ বাগিছা মালিকে চাহ মজদুৰৰ ভৱিষ্যনিধিৰ টকা জমা up to date কৰিব পাৰিছে আৰু কিমানখন চাহ বাগিছা মালিকে টকা জমা কৰিব পৰা নাই? (টকাৰ মুঠ পৰিমান জিলা ও চাহ বাগিছা ভিত্তিত সদনৰ মেজত দাখিল কৰিব)।

(খ) ভৱিষ্যনিধিৰ টকা জমা দিব নোৱাৰা কোম্পানী বিলাকৰ ওপৰত কি ব্যৱস্থা লোৱা হৈছে আৰু যদি ব্যৱস্থা লোৱা নাই কিয়?

(গ) বৰ্তমানলৈকে অৱসৰপ্ৰাপ্ত কিমানজন চাহমজদুৰ/কৰ্মচাৰীয়ে ভৱিষ্যনিধিৰ ধনৰ পোৱা নাই? (জিলা ভিত্তিত তালিকা সহ জনাব)

**শ্ৰী ৰামেশ্বৰ ধানোৱাৰ ( শ্ৰম ও নিয়োগ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্তমান আঁচনিত অৰ্ন্তভুক্ত সৰ্বমুঠ ৮৮৭খন বাগিছাৰ ভিতৰত ২৩৮খন

বাগিছাই ভৱিষ্যনিধিৰ দেয় ধন জমা দিয়াত ত্ৰুটি কৰিছে। দেয় ধনসহ বাগিছাসমূহৰ জিলা ভিত্তিক তালিকা 'খ' সদনৰ মেজত দাখিল কৰা হ'ল।

(খ) ভৱিষ্যনিধিৰ দেয় ধন জমা দিয়াত ত্ৰুটি কৰা বাগিছাসমূহৰ ওপৰত আইনগত ব্যৱস্থা লোৱা হৈছে।

(গ) জিলাভিত্তিক তালিকা 'খ' সদনৰ মেজত দাখিল কৰা হ'ল।

## বিষয় ঃ সামগ্ৰী যোগান।

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

* ৫৬। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত সৰ্বমুঠ কিমানজন দৰিদ্ৰ সীমাৰেখা (BPL)ৰ তলৰ পৰিয়াল আছে?

(খ) প্ৰতিখন জিলাৰ বিপৰীতে কিমানটা পৰিয়াল আৰু সৰ্বমুঠ জনসংখ্যা কিমান?

(গ) উক্ত পৰিয়াল সমূহক বৰ্তমান কি কি সামগ্ৰী কি মূল্যত দিয়া হয়?

**ডাঃ নজৰুল ইছলাম (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৰাজ্যখনত সৰ্বমুঠ ১৮,৯২,৬৯৬ টা দৰিদ্ৰ সীমাৰেখা (BPL)ৰ তলৰ পৰিয়াল আছে।

(খ) প্ৰতিখন জিলাৰ বিপৰীতে থকা পৰিয়ালৰ সংখ্যা আৰু সৰ্বমুঠ জনসংখ্যা সংলগ্ন 'ক'ত গাঠি দিয়া হ'ল। (See Annexure - III)

(গ) উক্ত পৰিয়াল সমূহক বৰ্তমান চাউল, চেনি, আটা, নিমখ আৰু কেৰাচিন তেল উল্লেখিত মূল্যত দিয়া হয়।

চাউল - প্ৰতিকেজিত ৬.২৭ৰ পৰা ৬.৬৭ টকাত।

| | | |
|---|---|---|
| চেনি | - | প্ৰতিকেজিত ১৩.৫০ । |
| কেৰাচিন তেল | - | প্ৰতিলিটাৰত ৮.৮০ টকাৰ পৰা ৮.৯৪ টকাত। |
| আটা | - | প্ৰতিকেজিত ৭.৮২ টকাৰ পৰা ৮.০০ টকাত। |
| নিমখ | - | প্ৰতিকেজিত ৪.০০ টকা। |

## বিষয় ঃ পতিত মাটিৰ উন্নয়ণ আঁচনি।

**শ্ৰী প্ৰণৱ কলিতাই সুধিছে ঃ**

* ৫৭। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ দ্বাৰা কাৰ্য্যকৰী হৈ থকা পতিত মাটিৰ উন্নয়ণ আঁচনিখনৰ নামত চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান টকাৰ অনুদান লাভ কৰিছে? ইতিমধ্যে এই আঁচনিৰ কি কি শিতানত কিমান টকা খৰচ হৈছে?

(খ) পলাশবাৰী সমষ্টিত কি কি কামত কিমান টকা খৰছ হৈছে?

**শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ দ্বাৰা কাৰ্য্যকৰী হৈ থকা সমন্নিত পতিত ভূমি উন্নয়ণ প্ৰকল্প (IWDP/Hariali) আঁচনি খনৰ মুঠ ৭৪ টা প্ৰকল্পৰ বিপৰীতে বৰ্তমানলৈকে মুঠ ৭১২২৯.৭৯ লাখ টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা হৈছে। উক্ত পৰিমানৰ আবন্টিত ধনৰ বিপৰীতে প্ৰশাসনিক (Admn.) সামূহিক সংগঠন (Community Organisation) প্ৰশিক্ষণ (Training) আৰু কৰ্ম আঁচনি (Work component)ৰ বিপৰীতে বৰ্তমানলৈকে মুঠ ৬৩০৪.৭৯ লাখ টকা খৰছ কৰা হৈছে।

মুঠ ৫৪ টা তেনে প্ৰকল্প প্ৰতিটো শিতানৰ বিপৰীতে হোৱা খৰছৰ

পৰিমান পৰিশিষ্ট 'ক'ৰ ক্ৰমিক নং ৭,৮ আৰু ৯ত সন্নিৱিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

চলিত বছৰৰ নৱেম্বৰ মাহত মুঠ ২০টা প্ৰকল্পৰ বিপৰীতে লাভ কৰা ৮২৫.০০ লাখ টকা বৰ্তমানলৈ খৰছ কৰা হোৱা নাই। উক্ত ২০টা প্ৰকল্পৰ তালিকা পৰিশিষ্ট 'খ' সন্নিৱিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

(খ) পলাশবাৰী সমষ্টিৰ এলেকাত ৰূপায়ণ কৰা 'কামৰূপ-৪ সমন্বিত পতিত ভূমি উন্নয়ণ প্ৰকল্প (IWDP) বিভিন্ন শিতানত খৰচ হোৱা টকাৰ পৰিমান আঁচনিৰ বিপৰীতে পৰিশিষ্ট 'গ'ত সন্নিৱিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

## বিষয় ঃ বাঘমৰা উন্নয়ণ খণ্ড।

**শ্ৰী ৰনজিৎ দত্তই সুধিছে ঃ**

* ৫৮। মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শোণিতপুৰ জিলাৰ বাঘমৰা উন্নয়ণ খণ্ডত ২০০১ চনৰ পৰা ২০০৪ চনৰ ৩০-১১-০৪ লৈকে কিমানটা IAY (New and U.G.) দিয়া হৈছে? (প্ৰত্যেক পঞ্চায়ত ভিত্তিত তালিকা সদনৰ মেজত দিব)

(খ) এতিয়ালৈকে কিমান ঘৰ সম্পূৰ্ণ কৰা হৈছে? (পঞ্চায়ত ভিত্তিত তালিকা দাখিল কৰিব)

(গ) যদি সম্পূৰ্ণ হোৱা নাই কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰিব?

**শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) শোনিতপুৰ জিলাৰ বাঘমৰা উন্নয়ণ খণ্ডত ২০০১ চনৰ পৰা ২০০৪ চনৰ ৩০-১১-০৪ লৈকে —

| | | |
|---|---|---|
| IAY (New) | = | ২০৩ টা |
| IAY (Up Gr) | = | ১১১ টা |

PMGY (New) = ৩২ টা

PMGY (Up Gr) = ১৬ টা ঘৰ দিয়া হৈছে। পঞ্চায়ত ভিত্তিত তালিকা পৰিশিষ্ট "ক"ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

(খ) এতিয়ালৈকে উক্ত ঘৰৰ মুঠ ৩০৪ টা ঘৰ সম্পূৰ্ণ কৰা হৈছে আৰু ৮টা ঘৰ সম্পূৰ্ণ কৰিবলৈ বাকী আছে। ওপৰৰ "ক" প্ৰশ্ন উত্তৰ "ক" পৰিশিষ্টত সন্নিবিষ্ট কৰি পঞ্চায়ত ভিত্তিত তালিকা সদনৰ মেজত পেচ কৰা হ'ল।

(গ) অসম্পূৰ্ণ ৮টা ঘৰ অহা বছৰৰ জানুৱাৰী মাহত সম্পূৰ্ণ কৰিবলৈ চেষ্টা কৰা হৈছে।

## বিষয় ঃ শালি খেতি।

**ডাঃ আনন্দ ৰাম বৰুৱাই সুধিছে ঃ**

* ৫৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাওঁ জিলাৰ ৰহা সমষ্টিত এইবাৰ শালি খেতি কিমান নষ্ট হ'ল যোৱা দুয়োটা বানপানীত?

(খ) খেতিয়ক বোৰৰ বানপানীৰ ফলত পানীত হাঁহ নচৰা অৱস্থা হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে?

(গ) বড়ো ধানৰ কঠিয়া প্ৰয়োজন অনুসাৰে বাইজক বিতৰণ কৰিছেনে?

**শ্ৰী ৰাজেদ আলি চৌধুৰী (কৃষি বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৰহা সমষ্টিত প্ৰথমটো বানপানীত মুঠ ১৩,২০৫ হেক্টৰ শালি খেতি নষ্ট হয় আৰু দ্বিতীয়টো বানপানীত ৪,৫৩৮ হেক্টৰ মাটিৰ শালি খেতি নষ্ট হয়। মুঠতে দুয়োটা বানপানীত ১৭,৭৪৩ হেক্টৰ শস্যৰ পথাৰ ক্ষতি হয়।

(খ) বানপানীয়ে কৰা দুৰ্য্যোগৰ বিষয়ে চৰকাৰ অৱগত।

(গ) বড়ো ধানৰ কঠিয়া বিতৰণ কৰা হোৱা নাই। কিন্তু বীজ হিচাবে বড়ো ধানৰ বীজ ১০০ কুইন্টল আৱন্টন দিয়া হৈছে।

## Sub : Display of signboard.

**Shri Premodhar Bora asked :**

* 60. Will the Minister of Panchayat & Rural Development be pleased to state :

(a) Whether it is compulsory to display clearly the signboard with details of approved schemes under the Panchayat & Rural Development Department?

(b) If so, whether the policy has been implemented in letter and spirit by the Department?

**Shri Ripun Bora {Minister of State (Ind Panchayat & Rural Development)} replied :**

(a) Yes.

(b) Yes, the policy has been implemented by the Department strictly.

## UNSTARRED QUESTIONS & ANSWERS

## বিষয় ঃ ছাত্ৰাবাস আৰু অতিথিশালা নিৰ্মাণ।

**শ্ৰী ৰামেশ্বৰ তেলীয়ে সুধিছে ঃ**

৮০। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ইতিমধ্যে হৈ যোৱা লোকসভা নিৰ্বাচনৰ প্ৰাক মুহুৰ্তত গুৱাহাটীত চাহ জনজাতি ছাত্ৰাবাস আৰু অতিথিশালা নিৰ্মাণৰ বাবে অসমৰ মাননীয় মুখ্যমন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰা গৃহটোৰ কাম কিমান আগবাঢ়িলে আৰু কেতিয়া সম্পূৰ্ণ হয়?

(খ) চাহ জনজাতিৰ উন্নয়ণৰ অৰ্থে গঠিত চাহ মন্ত্ৰনালয় শাখাটো কেতিয়াৰ পৰা কাৰ্য্যকৰী হ'ব আৰু ইয়াৰ অধীনত কি কি বিভাগ থাকিব?

**শ্ৰী ৰামেশ্বৰ ধানোৱাৰ (শ্ৰম ও নিয়োগ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) গুৱাহাটী হেঙেৰাবাৰীৰ বৰবাৰীত ছাত্ৰাবাস আৰু অতিথিশালাৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হোৱা নাই।

(খ) চাহ মন্ত্ৰনালয় বিভাগটো গঠণ কৰি অনতিপলম কাৰ্য্যকৰা হোৱাকৈ অধীসূচনা জাৰি কৰা হৈছে। এই মন্ত্ৰনালয়ৰ অধীনত "Director of Tea Garden & Ex-Tea Garden Tribes" বিভাগটো অৰ্ন্তভুক্ত কৰা হৈছে।

## বিষয় ঃ চৰকাৰী নিৰ্দ্দেশ কাৰ্য্যকাৰীকৰণ ও চৰ অঞ্চলত কেৰাচিন তেল বিতৰণ।

**শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ**

৮১। माननीয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চিঠি নং FSB.171/2002/57, dated 30-08-03, W.T. NO. FSB.171/2002/58, dated 26-09-03, W.T. No. FSB.171/2002/62, dated 05-08-04 আৰু No..M/F&CS/FISH/1/2004/153 dated 09-11-04 যোগে চৰকাৰে কিবা নিৰ্দ্দেশ মহকুমাধিপতি বিলাসীপাৰাই এতিয়াও কাৰ্য্যকৰী নকৰাৰ কাৰণ কি? কেতিয়া উক্ত আদেশ/নিৰ্দ্দেশ কাৰ্য্যকৰী কৰা হ'ব?

(খ) তৰা চিহ্নিত প্ৰশ্ন নং ৩০৪ তাং ৩-৪-৯৭ ৰ প্ৰশ্নোত্তৰ আৰু চিঠি M/F&CS/FISH/2004 ৰ ভিত্তিত চৰ অঞ্চলৰ ৰাইজলৈ অধিক পৰিমাণে কেৰাচিন তেল বিতৰণৰ ব্যৱস্থা কৰা হলনে, কৰা হৈ নাথাকিলে কেতিয়ালৈ এই ব্যৱস্থা কাৰ্য্যকৰী কৰা হ'ব?

(গ) (১) মহকুমাখনৰ চৰ অঞ্চলত কেৰাচিন তেল বিতৰণ কৰিবলৈ

লাইচেন্স প্ৰদান কৰা 'হকাৰ' সকলে সেয়া নিজ নিজ গাওঁত বিতৰণ নকৰি অন্য ঠাইৰ পৰা বিতৰণ কৰে সঁচা নে মিছা?

(২) এই প্ৰসংগত হকাৰ সকলে কোৰ্টৰ পৰা এক আদেশ আনিছে উক্ত আদেশৰ বিপক্ষে এফিডেভিট দাখিল কৰা হলনে? (আদেশ আৰু এফিডেভিটৰ কপি দিব)

(ঘ) চৰ অঞ্চলৰ মানুহক বিলাসীপাৰা বা চহৰ অঞ্চলৰ পৰা কেৰাচিন তেল দিলে লোৱাত সুবিধা হয় এনে যুক্তিৰে কোনো ব্যক্তি বা ৰাইজৰ পৰা আবেদন পোৱা হৈছে নেকি? (পাই থাকিলে তাৰ কপি দিব)?

**ডাঃ নজৰুল ইছলাম (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) আদেশ কাৰ্য্যকৰী কৰা হৈছে।

(খ) কেন্দ্ৰীয় চৰকাৰৰ পৰা কেঃ তেলৰ আৱন্টন বৃদ্ধি হলে চৰ অঞ্চলৰ ৰাইজলৈ অধিক পৰিমানৰ কেঃ তেল বিতৰণৰ বাবে বিবেচনা কৰা হ'ব।

(গ) (১) সঁচা।

(২) উক্ত আদেশৰ কপি সংলগ্ন 'ক'ত দিয়া হ'ল আৰু উক্ত আদেশৰ বিপক্ষে এফিডেভিট তৈয়াৰ কৰিবলৈ আবেদন দফাৰ মন্তব্য দিয়া হৈছে।

(ঘ) পোৱা হোৱা নাই।

## বিষয় ঃ বি,টি,এ,ডি এলেকাত টকা অনুমোদন।

**শ্ৰী প্ৰশান্ত বৰুৱাই সুধিছে ঃ**

৮২। মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৪ আৰু ২০০৫ বৰ্ষত ধুবুৰী জিলাৰ গোলোকগঞ্জ, ৰূপশ্ৰী, দেবীতোলা, মহামায়া, চাপৰ, শালকোছা আৰু বিলাসীপাৰা উন্নয়ণ খণ্ডৰ অৰ্ন্তগত, গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদ মিলি BTAD এলেকাৰ কাৰণে বৰ্তমানলৈকে কিমান টকা অনুমোদন পাইছে?

(খ) উক্ত অনুমোদিত ধনেৰে কি কি আঁচনি তালিকাভূক্ত কৰা হৈছে আঁচনি সমূহৰ নাম, ধাৰ্য্য কৰা ধনৰ পৰিমান উন্নয়ণ খণ্ড ভেদে বেলেগে বেলেগে সদনৰ মেজত দাখিল কৰিবনে?

(গ) আঁচনি সমূহ ৰূপায়ন কৰাৰ ক্ষেত্ৰত স্থানীয় বিধায়ক গৰাকীৰ কৰ্তৃত্ব কি?

(ঘ) চাপৰ শালকোছা আৰু বিলাসীপাৰা উন্নয়ণ খণ্ডৰ কিমান কেইখন গাওঁ BTAD ৰ অধীনলৈ গৈছে? (তালিকা সদনৰ মেজত দাখিল কৰিব)

**শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ২০০৪ আৰু ২০০৫ বৰ্ষত ধুবুৰী জিলাৰ গোলোকগঞ্জ, ৰূপশ্ৰী, দেবীতোলা, মহামায়া, চাপৰ, শালকোছা আৰু বিলাসীপাৰা উন্নয়ণ খণ্ডৰ বিভিন্ন আঁচনিৰ বিপৰীতে BTAD এলেকাৰ কাৰণে দিয়া টকাৰ পৰিমান Annexure "A" ত সদনৰ মেজত দাখিল কৰা হ'ল।

(খ) উক্ত অনুমোদিত ধন ৰাশিৰ দ্বাৰা ৰূপায়িত কৰিবলগীয়া আঁচনি সমূহৰ তালিকা আৰু ধন ৰাশিৰ পৰিমান উন্নয়ণ খণ্ড ভিত্তিত Annexure "B" ত সংলগ্ন কৰি সদনৰ মেজত দাখিল কৰা হ'ল।

(গ) অধিসূচনামতে স্থানীয় বিধায়কজন B.L.C.C. আৰু DRDA Governing Body ৰ নিৰ্বাচিত প্ৰতিনিধি আৰু ওপৰত উল্লেখ কৰা দুখন কমিটিৰ সদস্য হিচাবে আঁচনি ৰূপায়ণ কৰাৰ ক্ষেত্ৰত বিস্তৃত কৰ্তৃত্ব প্ৰদান কৰা হৈছে।

(ঘ) অসম চৰকাৰৰ অধিসূচনা অনুসৰি চাপৰ শালকোচা আৰু বিলাসীপাৰা উন্নয়ণ খণ্ডত যথাক্ৰমে ৩২ খন আৰু ৫ খন গাওঁ BTAD ত অৰ্ন্তভূক্ত কৰা হৈছে। গাওঁ সমূহৰ তালিকা Annexure "C" ত সদনৰ মেজত দাখিল কৰা হ'ল।

## বিষয় ঃ অসম চাহ শ্ৰমিক কল্যাণ কেন্দ্ৰ।

**শ্ৰী যোচেফ টপ্পই সুধিছে ঃ**

৮৩। মাননীয় শ্ৰম ও নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সদৌ অসম চাহ শ্ৰমিক কল্যাণ কেন্দ্ৰৰ (চৰকাৰী) কৰ্মচাৰী সন্থাৰ বিভিন্ন দাবীৰ বিষয়ে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, তেনেহলে তেওঁলোকৰ বিভিন্ন দাবীসমূহ পূৰণৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে?

(গ) উক্ত কেন্দ্ৰৰ কৰ্মচাৰী সকলে চৰকাৰী চাকৰিয়াল হিচাবে পাব লগীয়া সা-সুবিধা সমূহৰ পৰা বঞ্চিত হোৱাটো সঁচা নে?

(ঘ) যদি হয়, তেনেহলে সমাধানৰ বাবে কি ব্যৱস্থা হাতত লৈছে? (সবিশেষ জনাব)

**শ্ৰী ৰামেশ্বৰ ধানোৱাৰ (শ্ৰম ও নিয়োগ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) চৰকাৰ অৱগত।

(খ) তেওঁলোক বৰ্তমান অসম চাহ শ্ৰমিক কল্যাণ পৰিষদৰ কৰ্মচাৰী। গতিকে তেওঁলোকৰ দাবী সমূহ সমাধানৰ ব্যৱস্থা পৰিষদৰ বিবেচনাধীন।

(গ) সঁচা নহয়। তেওঁলোক পৰিষদৰ কৰ্মচাৰী আৰু পৰিষদৰ আন কৰ্মচাৰীসকলে পোৱা সুবিধাসমূহ তেওঁলোকেও পাই আছে।

(ঘ) প্ৰশ্ন নুঠে।

## বিষয় ঃ বান সাহাৰ্য্য আঁচনি।

**শ্ৰী বুবুল দাসে সুধিছে ঃ**

৮৪। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাওঁ জিলাৰ মায়ং ৰাজহ চক্ৰ লাহৰিঘাট ৰাজহ চক্ৰ, ভূৰাগাওঁ ৰাজহ চক্ৰ, মিৰ্কিৰ ভেটা ৰাজহ চক্ৰ আৰু মৰিগাওঁ ৰাজহ চক্ৰ কেইটাৰ বানে কৰা কৃষিৰ ক্ষতিৰ (Crop Damage) পৰিমান কিমান?

(খ) দুটাকৈ বিধ্বস্ত বানে ৰাজহ চক্ৰ ভিত্তিত কৰা কৃষিৰ ক্ষতিৰ বাবে কৃষক দুৰ্ভিক্ষৰ পৰা ৰক্ষা কৰিবলৈ কি কি আঁচনি গ্ৰহণ কৰিছে?

(গ) মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা মৰ্মে কি কি শস্যৰ বীজ কিমান পৰিমানৰ বিনামূলীয়াকৈ বিতৰণ কৰিছে ৰাজহ চক্ৰ ভিত্তিত তালিকা দাখিল কৰিবনে?

(ঘ) মায়ং ৰাজহ চক্ৰ আৰু মৰিগাওঁ ৰাজহ চক্ৰ এলেকাত বড়ো ধানৰ বীজ বিনামূলীয়াকৈ কৃষকক বিতৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবনে? যদি বিতৰণ কৰিছে তালিকা দিব?

**শ্ৰী ৰাজেদ আলি চৌধুৰী (কৃষি বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) মৰিগাওঁ জিলাৰ প্ৰশ্নত উল্লেখিত ৰাজহ চক্ৰ বিলাকৰ বানে ক্ষতি কৰা মুঠ মাটি কালিৰ পৰিমান ৩৮,৪৬৮ হেক্টৰ। টকা হিচাবত মুঠ ক্ষতিৰ পৰিমান ৫৩,৫২,৯৭৯.০০ টকা।

(খ) মাটি মাহ, ঘেঁহু, মটৰ মাহ, মচুৰ, মাকৈ, সৰিয়হ, ধান আৰু মগুমাহৰ বীজ বিনামূলীয়াকৈ বিতৰণৰ লগতে বিনামূলীয়াকৈ টেক্টৰেৰে মাটি চহোৱাৰ আঁচনি গ্ৰহণ কৰা হৈছে?

(গ) বিনামূলীয়াকৈ বিতৰণ কৰা শস্যৰ বীজৰ পৰিমান ৰাজহ চক্ৰ ভিত্তিত "ক" তালিকাত গাঁঠি দিয়া হ'ল। (See Annexure - IV)

(ঘ) মায়ং ৰাজহ চক্ৰত ২৮ কুইন্টল আৰু মৰিগাওঁ ৰাজহ চক্ৰত ২০ কুইন্টল বড়ো ধানৰ বীজ বিনামূলীয়াকৈ কৃষকক বিতৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে। এতিয়ালৈকে বীজ বিতৰণ কৰা হোৱা নাই। বিতৰণৰ ব্যৱস্থা আছে।

**বিষয় ঃ সামাজিক বনানিকৰণ আঁচনি।**

**শ্ৰী প্ৰবীন গগৈয়ে সুধিছে ঃ**

৮৫। মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা তিনি বছৰে সামাজিক বনানিকৰণৰ আঁচনিৰ বাবে "গ্ৰাম্য উন্নয়ণ বিভাগে অসমত কিমান আৰ্থিক অনুদান আগবঢ়াইছে?

(খ) কোন কোন জিলাত কিমান টকাৰ আঁচনি লোৱা হৈছিল আৰু আঁচনি সমূহৰ কিমান কাম সম্পূৰ্ণ হৈছে?

(গ) গোলাঘাট জিলাৰ কঠাল গুৰি খণ্ড উন্নয়ণত খৰছ কৰিবলৈ কিমান টকা বাকী আছে আৰু যিখিনি খৰছ কৰা হ'ল তাৰে কিমান খিনি সফল হৈছে?

**শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) যোৱা তিনি বছৰে সামাজিক বনানিকৰণৰ আঁচনিৰ বাবে গ্ৰামোন্নয়ণ বিভাগে কোনো আৰ্থিক অনুদান আগবঢ়োৱা নাই যদিও পূৰ্বৰ EAS আৰু JRY ৰ অধীনত কিছু কাম চলি আছে।

(খ) তথ্য সমূহ পৰিশিষ্ট 'ক'ত সন্নিবিষ্ট কৰি দেখুওৱা হৈছে। (See Annexure - V)

(গ) গোলাঘাট জিলাৰ কঠালগুৰি উন্নয়ণ খণ্ডত বনানিকৰণ আঁচনিৰ অধীনত ২০,০০০০০.০০ (বিশ লাখ) টকাৰ আঁচনি লোৱা হৈছিল তাৰে ৫.০৫ লাখ টকা ইতিমধ্যে খৰছ কৰা হৈছে আৰু ১৪.৯৬ লাখ টকা এতিয়াও খৰছ কৰিবলৈ বাকী আছে খৰছ কৰা ধনৰ সফল ৰূপায়ণ হৈছে।

**বিষয় ঃ ৰেহাই মূল্যত পাৱাৰ টিলাৰ।**

**শ্ৰী পানীৰাম ৰাভাই সুধিছে ঃ**

৮৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৪-২০০৫ ইং বিত্তীয় বৰ্ষত কৃষক সকলৰ বাবে ৰেহাই মূল্যত পাৱাৰ টিলাৰ, ট্ৰেক্টৰ দিয়াৰ ব্যৱস্থা আছে নেকি? যদি আছে জিলা কৃষি বিষয়া অনুযায়ী কিমানকৈ অনুমোদন দিছে? (বিতং তথ্য দিব)

(খ) যোৱা বানপানীত ক্ষতিগ্ৰস্ত কৃষক সকলৰ বাবে বিনামূলীয়াকৈ ৰবিশস্যৰ বীজ যোগানৰ ব্যৱস্থা লৈছেনে? যদি লৈছে কি কি বীজ কিমান পৰিমানৰ, ৰাজহ চক্ৰ অনুযায়ী যোগান ধৰিছে? (বিতং তথ্য দিব)

**শ্ৰী ৰাজেদ আলি চৌধুৰী (কৃষি বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) কৃষি যান্ত্ৰিকীকৰণ আঁচনিৰ (মেক্ৰ'মেনেজমেন্ট) অধীনত ৰেহাই মূল্যত পাৱাৰ টিলাৰ বিতৰণৰ ব্যৱস্থা আছে। জিলা কৃষি বিষয়া অনুযায়ী অনুমোদন দিয়া তথ্য 'ক' তালিকাত দিয়া হ'ল। কিন্তু ট্ৰেক্টৰ দিয়াৰ ব্যৱস্থা নাই। (See Annexure - VI)

(খ) লোৱা হৈছে। বানপীড়িত কৃষকৰ বাবে তলত উল্লেখ কৰা ধৰণে ৰবি শস্যৰ বীজ বিতৰণ কৰা হৈছে।

| | | | |
|---|---|---|---|
| ১। মাটিমাহ | - | ৫০০০ | কুইন্টল |
| ২। মটৰমাহ | - | ৪৩৫৭ | ” |
| ৩। মচুৰ | - | ৪৯৯৯ | ” |
| ৪। সৰিয়হ | - | ৯৮৮ | ” |
| ৫। ঘেঁহু | - | ৩৪,৪৮০ | ” |
| ৬। মাকৈ | - | ৭৪৮ | ” |

ৰাজহচক্ৰ অনুযায়ী বীজ বিতৰণৰ তালিকা 'খ'ত সন্নিবিষ্ট কৰা হ'ল। (See Annexure - VI-A)

## বিষয় ঃ SGRY ৰ টকা।

**ডঃ ইদ্ৰিছ আলীয়ে সুধিছে ঃ**

৮৭। মাননীয় পঞ্চায়ত আৰু গ্ৰমোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৩-২০০৪ বছৰত মৰিগাওঁ জিলাত Special SGRY ৰ মুঠ কিমান টকাৰ চাউল আবন্টন হৈছে? তাৰে কোন সমষ্টিত কিমান টকাৰ কি কি কাম হৈছে? (সবিশেষ জনাব)

(খ) এই টকা বিলাক কিহৰ ভিত্তিত বিতৰণ কৰা হৈছে?

**শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ২০০৩-২০০৪ বৰ্ষত মৰিগাওঁ জিলাত Special SGRY আঁচনিৰ বিপৰীতে মুঠ ১০৮.০০ লাখ টকাৰ চাউল আৱন্টন দিছে। উক্ত চাউল সমষ্টি ভিত্তিত আঁচনি ৰূপায়ণৰ বাবে তলত উল্লেখিত ধৰণে আৱন্টন দিয়া হৈছে।

| সমষ্টিৰ নাম | টকাৰ পৰিমান |
|---|---|
| জাগীৰোগ সমষ্টি | ৩২.০০ লাখ |
| লাহৰিঘাট সমষ্টি | ৫৩.০০ লাখ |
| মৰিগাওঁ সমষ্টি | ১২.০০ লাখ |
| টিং সমষ্টি | ১১.০০ লাখ |
| মুঠ | ১০৮.০০ লাখ |

কামৰ তালিকা পৰিশিষ্ট ১ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

(খ) উক্ত পুঁজি প্ৰাকৃতিক দুৰ্যোগ জনিত কাৰণত বিশেষকৈ বানপানী পীড়িত অঞ্চল ভিত্তিত বিতৰণ কৰা হৈছে।

## বিষয় ঃ কৃষি উৎপাদনত আগবঢ়া জিলাত অধিক মুখ্যবজাৰ স্থাপন।

**শ্ৰী দিলদাৰ ৰেজ্জাই সুধিছে ঃ**

৮৮। মাননীয় কৃষিবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কৃষিজাত শস্য উৎপাদনত আগবঢ়া জিলা সমূহত অগ্ৰাধিকাৰ ভিত্তিত নতুনকৈ মুখ্য নিয়ন্ত্ৰিত বজাৰ আৰু উপবজাৰ স্থাপন আৰু উপবজাৰত মুখ্য বজাৰলৈ উন্নীত কৰাৰ ব্যৱস্থা লবনে?

(খ) বৰ্তমান আৰ্থিক বছৰৰ ভিতৰত এনে ব্যৱস্থা গ্ৰহণ কৰিবনে?

**শ্ৰী ৰাজেদ আলি চৌধুৰী (কৃষি বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্তমান বিভিন্ন জিলাত থকা ২০খন মুখ্য নিয়ন্ত্ৰিত বজাৰৰ উপৰিও নতুনকৈ শিৱসাগৰ, ডিব্ৰুগড়, কৰিমগঞ্জ আৰু কাছাৰ জিলাত একোখনকৈ মুখ্য নিয়ন্ত্ৰিত বজাৰ স্থাপনৰ উদ্দেশ্যে প্ৰয়োজনীয় জৰীপ কৰি থকা হৈছে।

ইতিমধ্যে ঘোষিত হৈ থকা ২৯খন উপ বজাৰৰ উপৰিও ১৮৬ খন উপবজাৰ চৰকাৰে অনুমোদন জনাইছে।

(খ) বৰ্তমান বাৰ্ষিক বছৰত কৃষি বিপনন পৰিষদৰ তৰফৰ পৰা উপৰোক্ত ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

## বিষয় ঃ গাঁৱলীয়া পথ মেৰামতি।

**শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছে ঃ**

৮৯। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা বানপানীয়ে বিধস্ত কৰা ৰাজ্যখনৰ গাঁৱলীয়া পথ বিলাক মেৰামতি কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে নে?

(খ) যদি লৈছে, কি কি ব্যৱস্থা লৈছে?

(গ) এনে বিধস্ত পথ মেৰামতিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা অসম চৰকাৰে কিবা আৰ্থিক অনুদান লাভ কৰিলে নে?

(ঘ) যদি কৰিলে কিমান টকা অনুদান লাভ কৰিলে?

**শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, ব্যৱস্থা লোৱা হৈছে।

(খ) পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগে ৰূপায়ণ কৰা আঁচনি সমূহ যোৱা বানপানীয়ে কৰা ক্ষয় ক্ষতিৰ ভিত্তিত মেৰামতি/ পুনঃ নিৰ্মানৰ বাবে ২০০৪-২০০৫ বৰ্ষৰ কৰ্মযোজনাত (Annual Action Plan) অৰ্ন্তভূক্ত কৰি অগ্ৰাধিকাৰ ভিত্তিত আঁচনি ৰূপায়ণ কৰিবৰ বাবে জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়া আৰু জিলা গ্ৰামোন্নয়ণ অভিকৰণৰ প্ৰকল্প সঞ্চালক সকলক নিৰ্দ্দেশ দিয়া হৈছে।

(গ) তেনে ক্ষতিগ্ৰস্ত পথ মেৰামতিৰ বাবে পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগে এতিয়ালৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা কোনো আৰ্থিক অনুদান লাভ কৰা নাই যদিও ১ লাখ মেট্ৰিকটন চাউলৰ আবন্টন পোৱা হৈছে। আৰু সেই সন্দৰ্ভত আঁচনি প্ৰস্তুত কৰি থকা হৈছে।

(ঘ) উক্ত চাউলৰ মূল্য প্ৰায় ৮০ কোটি টকাৰ হ'ব।

## বিষয় ঃ বিষয়া কৰ্মচাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ।

**শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ**

৯০। মাননীয় গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বহুকেইটা অভিযোগত ইতিমধ্যে অভিযুক্ত হোৱা আৰু বগৰীবাৰী থানাৰ কেচ নং ৯১/০৪ ৰ আচামী J.E. Azad Ali ৰ বিৰুদ্ধে চৰকাৰে ব্যৱস্থা গ্ৰহণ নকৰাৰ কাৰণ কি?

(খ) i) ধুবুৰী জিলাত আঁচনিৰ বিপৰীতে চাউল ইসু কৰোতে শুদ্ধভাৱে ওজন কৰি নিদি বস্তা হিচাবেহে দি শ্ৰমিকক ঠগাই থকা হৈছে ফলত আঁচনিৰ কামৰ মাত্ৰাও কম হৈ আহিছে এয়া সঁচা নে মিছা?

ii) বিষয়টো DRDA ৰ GB তো আলোচনা কৰা হৈছিল তাৰ পাছত চাউল কম পোৱা ঠাইবোৰত চাউল বেছিকৈ দি ক্ষতি পুৰোৱা হলনে নাই?

(গ) ধুবুৰী DRDAত বৰ্তমান State Share আৰু সমূহ আঁচনিৰ টকা Interest money কিমান টকাকৈ আছে? (বেলেগে বেলেগে দেখাব)

**শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) মহামায়া উন্নয়ণ খণ্ডৰ JE শ্ৰী আজাদ আলীক চাকৰিৰ পৰা নিলম্বিত কৰা হৈছে।

(খ) সঁচা নহয়।

(গ) জিলা গ্ৰাম্য উন্নয়ণ অভিকৰণ ধুবুৰীত State Share ৰ বাবে কোনো প্ৰকাৰৰ বেলেগ Account নাই। St... Share আৰু Central Share ৰ বাবে আঁচনি অনুসৰি এটাই Account ৰখা হয়। আঁচনি অনুসৰি Interest Money ৰ হিচাব তলত দিয়া হ'ল।

| ক্ৰমিক নং | আঁচনিৰ নাম | সূদৰ পৰিমাণ |
|---|---|---|
| ১। | I.W.D.P. | Rs. 1.00 Lakh |
| ২। | B.P.L. (Survey) | Rs. 0.59 ,, |
| ৩। | S.G.S.Y. | Rs. 3.28 ,, |
| ৪। | S.G.R.Y. (St.I) | Rs. 1.16 ,, |
| ৫। | S.G.R.Y. (St.II) | Rs. 3.09 ,, |
| ৬। | P.M.G.S.Y. (R.S.) | Rs. 3.15 ,, |

**বিষয় ঃ অনাদয় পুঁজি।**

**শ্ৰী যোচেফ টপ্পই সুধিছে ঃ**

৯১। মাননীয় শ্ৰম ও নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চাহ বাগিছা ভবিষ্যনিধি আৰু বৃত্তি নিধিৰ অনাদায় হৈ থকা পুঁজিৰ সন্দৰ্ভত ন্যাস মণ্ডলিয়ে চাহ বাগিছাৰ শ্ৰমিক স্বাৰ্থ বিৰোধী প্ৰস্তাৱ লোৱা বুলি বিভিন্ন কাকতত প্ৰকাশ হোৱাটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে নে? যদি হৈছে উক্ত প্ৰস্তাৱৰ প্ৰতিনিধি সদনত দাখিল কৰিব নে?

(খ) পূৰ্বৰ কেন্দ্ৰৰ বি,জে,পি নেতৃত্বাধীন এন,ডি,এ চৰকাৰে ভবিষ্যনিধিৰ ধনৰ সূতৰ হাৰ ১২ শতাংশৰ পৰা ৯ শতাংশলৈ হ্ৰাস কৰা সত্য নে?

(গ) বৰ্তমান কংগ্ৰেছ নেতৃত্বাধীন সন্মিলিত প্ৰগতিশীল মৰ্চা চৰকাৰে উক্ত সুতৰ হাৰ ৮ শতাংশলৈ হ্ৰাস কৰাটো সত্যনে?

**শ্ৰী ৰামেশ্বৰ ধানোৱাৰ (শ্ৰম ও নিয়োগ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, দৃষ্টিগোচৰ হৈছে। কিন্তু বাতৰিত প্ৰকাশ কৰা দৰে কোনো শ্ৰমিক বিৰোধী প্ৰস্তাৱ ৰক্ষক মণ্ডলীয়ে লোৱা নাই।

(খ) হয়, সত্য।

(গ) জ্ঞাত নহয়।

**বিষয় ঃ কল্পতৰু আঁচনি।**

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

৯২। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কল্পতৰু আঁচনিৰ অধীনত ৰাজ্যখনত কিমান জন ব্যক্তিক নিৰ্বাচিত কৰা হৈছে?

(খ) প্ৰতিজন ব্যক্তিৰ বিপৰীতে অনুমোদিত টকাৰ পৰিমাণ কিমান?

(গ) উক্ত ব্যক্তি সকলৰ কোনে কি নীতিৰ আধাৰত নিৰ্বাচিত কৰিব?

**শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) কল্পতৰু আঁচনিখন পঞ্চায়ত আৰু গ্ৰমোন্নয়ণ বিভাগৰ জৰিয়তে ৰূপায়ণ কৰা হোৱা নাই।

(খ) জ্ঞাত নহয়।

(গ) জ্ঞাত নহয়।

**বিষয় ঃ সদন কমিটিৰ প্ৰতিবেদন।**

**শ্ৰী দিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ**

৯৩। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম বিধান সভাই অসম কৃষি বিশ্ববিদ্যালয়ত ঘটি থকা বিভিন্ন খেলি মেলি সমূহৰ বাবে যি সদন কমিটি গঠন কৰি দিয়া হৈছিল তাৰ প্ৰতিবেদন চৰকাৰে পালেনে?

(খ) যদি পাইছে প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি কি ব্যৱস্থা গ্ৰহণ কৰিলে?

**শ্ৰী ৰাজেদ আলি চৌধুৰী (কৃষি ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰীয়ে উত্তৰ দিছে ঃ**

(ক) হয়, পাইছে।

(খ) চৰকাৰে বিধান সভাৰ প্ৰতিবেদন পোৱাৰ পিছত পৰীক্ষা কৰি দেখে যে বিশ্ববিদ্যালয়ৰ পৰিচালনাৰ বাবে গঠিত সঞ্চালক মণ্ডলী উক্ত প্ৰতিবেদনৰ ওপৰত কৰিবলগীয়া কাৰ্য্য ব্যৱস্থাৰ বাবে উক্ত প্ৰতিবেদন বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰা হৈছে। যিহেতু এতিয়ালৈকে পৰিচালক মণ্ডলীৰ সভা হোৱা নাই, শীঘ্ৰে পৰিচালনা সমিতিৰ সভা আহ্বান কৰি উক্ত কমিটিত উপস্থাপন কৰিব বুলি বিশ্ববিদ্যালয় কৰ্তৃপক্ষই জনাইছে।

**বিষয় ঃ চৰ অঞ্চলৰ কৃষি উন্নয়নৰ বাবে উপ পৰিকল্পনা।**

**শ্ৰী দিলদাৰ ৰেজ্জাই সুধিছে ঃ**

৯৪। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰ অঞ্চলৰ কৃষি ব্যৱস্থা কেন্দ্ৰ ভিত্তিক অধ্যয়ন আৰু কৃষি উন্নয়ণ ত্বৰান্বিত কৰিবলৈ চৰ অঞ্চলৰ কৃষি উপ-পৰিকল্পনা (Agriculture Sub-Plan for Char Areas) গ্ৰহণৰ ব্যৱস্থা কৰিবনে?

(খ) বৰ্তমান আৰ্থিক বছৰত এই কাম হাতত লোৱা হ'বনে?

**শ্ৰী ৰাজেদ আলি চৌধুৰী (কৃষি বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) চৰকাৰৰ কোনো আঁচনি নাই।

(খ) প্ৰশ্ন নুঠে।

**বিষয় ঃ জিলা পৰিষদৰ সদস্য।**

**শ্ৰী খলিলুৰ ৰহমান চৌধুৰীয়ে সুধিছে ঃ**

৯৫। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাওঁ জিলা পৰিষদৰ সদস্য (ZPC) সকলৰ মাৰফৎ তেওঁলোকে নিৰ্বাচিত হৈ অহা Z.P.C. এলেকাত ২০০২-০৩ আৰু ২০০৩-০৪ বৰ্ষত কি কি উন্নয়ণৰ কাম কৰিছে?

(খ) উক্ত কামৰ বাবে জিলা পৰিষদৰ সদস্য সকলে সৰ্বমুঠ কিমান টকাৰ অনুদান পাইছে? জিলা পৰিষদৰ সদস্য সকলৰ নামৰ বিপৰীতে কোন কোন আঁচনিত উক্ত টকাবোৰ খৰছ কৰা হৈছে? (বিতং তথ্য দাখিল কৰিব)

(গ) যমুনামুখ সমষ্টিৰ অন্তৰ্গত ৪ (চাৰি) টা Z.P.C. এলেকাত নিৰ্বাচিত সদস্য সকলে কি কি উন্নয়ণ মূলক কাম কৰিছে? (আঁচনিৰ নাম টকাৰ পৰিমাণ সহ তথ্য দাখিল কৰিব)

**শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ২০০২-০৩ আৰু ২০০৩-০৪ বৰ্ষত নগাওঁ জিলা পৰিষদৰ দ্বাৰা ৰাস্তা নিৰ্মাণ, পুখুৰী, ভৱন (সমূহীয়া) কাৰ্লভাট, জিৰনীচৰা, নলা, কৃষি বান্ধ, পকীদেৱাল, বজাৰ চৰা, আই বি এচ আৰু অন্যান্য আঁচনি সমূহ ৰূপায়ন কৰা হৈছে।

(খ) উক্ত আঁচনি সমূহৰ বাবে নগাওঁ জিলা পৰিষদে মুঠ ৫৭২.৬২৬ লাখ টকা অনুমোদন পাইছে। আঁচনি সমূহৰ তালিকা পৰিশিষ্ট 'ক'ত দাখিল কৰা হ'ল। কোনো সদস্যৰ বিপৰীতে টকা আবন্টন দিয়া হোৱা নাই।

(গ) যমুনামুখ সমষ্টিৰ ৪টা (Z.P.C.) এলেকাত নিৰ্বাচিত সদস্যসকলে তলত উল্লেখ কৰা উন্নয়ণ মূলক কামসমূহ কৰিছে।

| জিলা পৰিষদ সমষ্টি | মুঠটকা | আঁচনি সমূহ | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| | | ৰাস্তা | ভৱন | কাৰ্লভাট | জিৰণি চৰা | কৃষি বান্ধ | পকী দেৱাল | বজাৰ চৰা | আই বি এচ |
| ১) ডবকা | ১১,৪২০ | ১৬ | ১ | ১ | ৭ | ১ | ৭ | ১ | ৮ |
| ২) নিল বাগান | ১২,৯১০ | ৬ | ২ | ১ | – | ২ | – | – | ৯ |
| ৩) মোৰা-ঝাৰ | ১১,৩৬০ | ৪ | – | ২ | ১ | ১ | ১ | – | ৮ |
| ৪) চৌধুৰী বজাৰ | ১২,১৩০ | ১১ | – | – | – | ১ | – | – | ২ |

## Sub : F.I.C.

**Shri Monilal Gowala asked :**

96. Will the Minister of Food & Civil Supplies be pleased to State :

(a) Whether the Government knows that F.I.C. has not yet been issued to the families in the Karimganj district since 1986 though population has increased and families are splitted?

(b) If so, will the Government assure as to by when F.I.C. will be issued?

**Dr. Nazrul Islam (Minister, Food & Civil Supplies) replied :**

(a) Yes, but the family Identity Cards are being issued to the families coming from other Districts/States on production of surrender/transfer certificate of their existing Family Identity Cards.

(b) The process for issuing Family Identity Card to bifercated/seperated families has been started. For this purpose, a survey is being conducted at the Revenue circle level. After completion of the Survey, F.I.C.s would be issued to the applicants.

## Sub : Number of Un-Employed youth.

**Shri Bimolangshu Roy asked :**

97. Will the Minister of Labour & Employment be pleased to state :

(a) The Number of un-employed youth registered in different implyoment exchanges in the state in course of last four years & how many of them have got placement? (Year wise and District wise figure may be furnished).

(b) Has the Government any policy of employment? If so, furnish the details?

(c) Is the Government aware that all ban on employment have been lifted by Government of India in Jammu and Kashmir as per declaration of Hon'ble Prime Minister and in view of the acute un-employment problem and also insurgency related problem in Assam has the Government moved the Centre for Similar favour? If not why? If so with what results?

**Shri Rameswar Dhanowar (Minister, Labour & Employment) replied :**

(a) The number of un-employed youth registered in different Employment Exchanges in the State in course of last four years i.e. from 2001 to June,04 is 6,03,828 and no of placement is 2601. Year wise and district wise figure is shown at Annexure-I. (See Annexure - VIII)

(b) A present there is no policy of Employment under Labour and Employment Department.

The Labour & Employment Department is not related directly with the policy matter of Employment. However a Committee has been constituted under the Chairmanship of Dr. Jayanta Madhab to draft an Employment policy of the State.

Another Standing Committee has been constituted under the Chairmanship of Shri H.N. Das, IAS (Retd.) to suggest means for employment generation.

(c) Government of India has already been moved to provide copy of order of the Government of India on lifting of ban on recruitment in Central Government Services as announced by the Hon'ble Prime Minister for the people of Jammu and Kashmir.

**বিষয় ঃ আঁচনি গ্ৰহণ।**

**শ্ৰী দীনেশ চন্দ্ৰ সৰকাৰে সুধিছে ঃ**

৯৮। মাননীয় হস্ত তাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৪-২০০৫ বৰ্ষত Handloom & Textile বিভাগে সমগ্ৰ অসমত কি কি শিতানত কিমান টকাৰ আঁচনি গ্ৰহণ কৰিছে?

(খ) তাৰে ধুবুৰী জিলাত কোন কোন আঁচনি ক'ত ক'ত ধৰা হৈছে?

(গ) গোলকগঞ্জ সমষ্টিত এই বিভাগৰ অধীনত কি কি আঁচনি গ্ৰহণ কৰা হৈছে? (প্ৰতিটো আঁচনি মঞ্জুৰীকৃত তথ্যৰে দেখুৱাব)

**ডঃ হেমপ্ৰভা শইকীয়া (হস্ত তাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ২০০৪-২০০৫ বৰ্ষত হস্ত তাঁত আৰু বস্ত্ৰ শিল্প বিভাগে সমগ্ৰ অসমত বিভিন্ন শিতানত নিম্ন লিখিত আঁচনি সমূহ গ্ৰহণ কৰিছে —

| | | |
|---|---|---|
| ১। | জিলা উন্নয়ণ আঁচনি (বিকেন্দ্ৰীকৃত পৰিকল্পনা আঁচনি) | ১২৩.৫৬ লাখ টকা |
| ২। | প্ৰশিক্ষণ আঁচনি | ৫০.৯৮ লাখ টকা |
| ৩। | প্ৰচাৰ আৰু বিজ্ঞাপন আঁচনি | ৩১.৫০ লাখ টকা |
| ৪। | হস্ত তাঁত গৱেষনা আৰু চানেকী উন্নয়ন আঁচনি | ৫.৬০ লাখ টকা |
| ৫। | বিদ্যুৎ চালিত তাঁত শালৰ চাবচিদি আঁচনি | ৩.০০ লাখ টকা |
| ৬। | নগৰীয়া শিপিনীৰ উন্নয়ন আঁচনি | ৫০.০০ লাখ টকা |

**ৰাজ্যিক অংশ থকা কেন্দ্ৰীয় চৰকাৰৰ আঁচনি**

| | | |
|---|---|---|
| ৭। | বজাৰ উন্নয়ন আঁচনি | ৪২.৫০ লাখ টকা |
| ৮। | বিশেষ ৰেহাই আঁচনি | ৪০.০০ লাখ টকা |
| ৯। | দীন দয়াল হাথকৰ্ঘা প্ৰোৎসাহন যোজনা আঁচনি | ৩৫০.০০ লাখ টকা |
| ১০। | সমন্বিত প্ৰকল্প আঁচনি | ১২৯.৫৭ লাখ টকা |
| ১১। | স্বাস্থ্য সেৱা আঁচনি | ৯৯.২১ লাখ টকা |
| ১২। | গ্ৰাম্য কাৰখানা গৃহ আঁচনি | ১৯৯.৯৫ লাখ টকা |

(খ) ধুবুৰী জিলাত ধৰা আঁচনি আৰু ঠাই সমূহৰ নাম তলত উল্লেখ কৰা হ'ল ঃ

| | আঁচনিৰ নাম | | ঠাইৰ নাম |
|---|---|---|---|
| ১। | জিলা উন্নয়ন আঁচনি (বিকেন্দ্ৰীকৃত পৰিকল্পনা আঁচনি) | ঃ | গোটেই ধুবুৰী জিলা |
| ২। | প্ৰশিক্ষণ আঁচনি | ঃ | ধুবুৰী জিলাৰ বৰবোন্দা, টিপকাই, হাটশিঙিমাৰী আৰু কাজিগাওঁত হস্ত তাঁত প্ৰশিক্ষণ চলি আছে। |
| ৩। | সমন্বিত প্ৰকল্প আঁচনি | ঃ | পাটাকাটা আৰু চেউবাগুৰিত উক্ত প্ৰকল্প আঁচনি আছে। |
| ৪। | গ্ৰাম্য কাৰখানা গৃহ আঁচনি | ঃ | গোটেই ধুবুৰী জিলাত আছে। |
| ৫। | স্বাস্থ্য সেৱা আঁচনি | ঃ | গোটেই ধুবুৰী জিলাত আছে। |

(গ) গোলকগঞ্জ সমষ্টিত গ্ৰহণ কৰা আঁচনি আৰু টকাৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল ঃ

| | আঁচনিৰ নাম | | টকাৰ পৰিমাণ | |
|---|---|---|---|---|
| ১। | বিকেন্দ্ৰীকৃত পৰিকল্পনা আঁচনি (৩৭×৩৫০০) | ঃ | ১,২৯,৫০০.০০ টকা | |
| ২। | হস্ত তাঁত উন্নয়ন আঁচনি (প্ৰান্তিক ধন) | ঃ | ৪,০০,০০০.০০ টকা | |
| ৩। | গ্ৰাম্য কাৰখানা নিৰ্মাণ আঁচনি | ঃ | ২,৪৫,০০০.০০ টকা | (টকাৰ প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰক অনমোদনৰ বাবে পঠোৱা হৈছে।) |
| ৪। | সংহত হস্ত তাঁত প্ৰশিক্ষণ প্ৰকল্প | ঃ | ৩,০০,০০০.০০ টকা | |

## বিষয় ঃ তৰা চিহ্নিত প্ৰশ্ন নং ২৩১।

**শ্ৰী সুশীল দত্তই সুধিছে ঃ**

৯১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা বিধান সভাৰ ১৯-৭-২০০৪ তাৰিখৰ তৰা চিহ্নিত প্ৰশ্ন নং ২৩১

মৰ্মে আবেদনকাৰী সকলক মানবীয়তাৰ খাতিৰত প্ৰাপ্য ধন মুকলি কৰি দিয়া হ'লনে?

(খ) যদি ধন মুকলি কৰি দিয়া নাই, কেতিয়াকৈ মুকলি কৰি দিয়া হ'ব?

**শ্ৰী ৱাজেদ আলি চৌধুৰী (কৃষি বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) তেল, ম'বিল যোগানৰ বাবদ দিব লগা সম্পূৰ্ণ টকা আদায় দিয়া হ'ল। কৃষি যন্ত্ৰ-সামগ্ৰী যোগানৰ বাবদ নলবাৰী জিলাত মুঠ ৭,৯৩,৬২৯.০০ টকা আৰু বৰপেটা জিলাত মুঠ ৫৯,৮১২.০০ টকা দিবলৈ বাকী আছে।

(খ) টকাৰ অনুমোদন হ'লে বাকী থকা টকা দিয়াৰ ব্যৱস্থা কৰা হ'ব।

## Sub : Flood effected agricultural area.

**Shri Gunin Hazarika asked :**

100. Will the Minister of Agriculture be pleased to state :

(a) What is the total agricultural area damaged in 2004 flood in Nagaon district?

(b) Furnish the cropwise valuation of the loss in the district?

(c) What steps Government has taken to compensate the loss through post flood crop management in the district of Nagaon?

(d) Furnish the total seed of each crops supplied by the Agriculture Department for cultivation in Ravi season to the farmers?

(e) Expected area to be covered by the seed supplied by the Government?

**Shri Wazed Ali Choudury {Minister of State (Ind.) Agriculture} replied :**

(a) A total area of 37827 hectare of Agricultural land got damaged by the flood, in Nagaon district in 2004.

(b) The Crop wise valuation of the loss is as follows :

| | | | | | |
|---|---|---|---|---|---|
| (i) | Boro Padday | - | Rs. | 21.50 | Crores |
| (ii) | Regular Ahu | - | Rs. | 7.71 | " |
| (iii) | Sali Seedling | - | Rs. | 9.96 | " |
| (iv) | Sali transplanted | - | Rs. | 118.91 | " |
| (v) | Jute | - | Rs. | 11.21 | " |
| (vi) | Sugar | - | Rs. | 3.90 | " |
| (vii) | Summer Vegetable | - | Rs. | 24.41 | " |
| (viii) | Other | - | Rs. | 12.19 | " |
| | Total loss | - | Rs. | 209.79 | Crores |

(c) To compensate the loss Govt. has distributed 1.45 lakh nos. of Sali Seedling bundles of 18 girth & Rabi seeds amongst the flood affected farmers of Nagaon district.

(d) The details of seed distributed for Rabi cultivation in the district is as follows :

| | Crop | | Quantity of Seed (Qtl) |
|---|---|---|---|
| (i) | Black gram | - | 550 |
| (ii) | Pea | - | 550 |
| (iii) | Lentil | - | 515 |
| (iv) | Wheat | - | 5320 |
| (v) | Mustard | - | 70 |

(e) Area covered = 10131 hectare.

**বিষয় ঃ দৰিদ্ৰ সীমাৰেখাৰ তলত থকা পৰিয়ালৰ সংখ্যা।**

**শ্ৰী এতোৱা মুণ্ডাই সুধিছে ঃ**

১০১। মাননীয় খাদ্য ও অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ কিমানজন দৰিদ্ৰ সীমাৰেখাৰ তলৰ (BPL) তালিকাভূক্ত সদস্য আছে আৰু তেওঁলোকক গাইপতি বা পৰিয়াল ভিত্তিত কিমান পৰিমাণৰ আৰু কি কি সামগ্ৰী বিভাগৰ পৰা যোগান ধৰা হয়? (জিলা ভিত্তিত সদনৰ মেজত তালিকা দাখিল কৰিব)

(খ) নতুনকৈ (BPL) দৰিদ্ৰ সীমাৰেখাৰ তলৰ সদস্য তালিকা ভূক্তিৰ বাবে বিভাগে কি কি ব্যৱস্থা লৈছে বা লব?

(গ) চাহ বাগিচা অঞ্চলত থকা দৰিদ্ৰ সীমাৰেখাৰ তলৰ সদস্য সকলক তালিকাভূক্ত কৰিবলৈ বিভাগে কিবা ব্যৱস্থা হাতত লৈছে নে? যদি লোৱা নাই কি ব্যৱস্থা লোৱা হ'ব?

(ঘ) BPL ৰাইজৰ সুবিধাৰ্থে নতুনকৈ সুলভ মূল্যৰ দোকান আৰু কেৰাচিন তেলৰ এজেন্ট নিয়োগৰ কিবা ব্যৱস্থা লোৱা হৈছে নেকি? যদি লৈছে কিমান দিনৰ ভিতৰত লাইচেন্স দিয়া হ'ব আৰু যদি লোৱা নাই লোৱাৰ ব্যৱস্থা কৰিবনে?

**ডাঃ নজৰুল ইছলাম (অসমৰ চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমত মুঠ ১৮,৯২,৬১৬ জন দৰিদ্ৰ সীমাৰেখাৰ তলৰ (BPL) তালিকাভূক্ত সদস্য আছে।

তেওঁলোকক পৰিয়ালৰ ভিত্তিত প্ৰতি মাহে ৩৫ কেজিকৈ BPL মূল্যৰ চাউল, প্ৰতিমাহে প্ৰতিজন ব্যক্তিৰ বাবে APL মূল্যৰ ৭০০ গ্ৰামকৈ চেনি, প্ৰতি পৰিয়ালৰ ৪/৫ লিটাৰকৈ কেৰাচিন তেল আৰু নিমখ, APL মূল্যৰ ৪/৫ কেজিকৈ আটাও আৱন্টন দিয়া হয়। (জিলাভিত্তিত তালিকা সংলগ্ন 'ক'ত দিয়া হ'ল) (See Annexure - IX)

(খ) নতুনকৈ (BPL) দৰিদ্ৰ সীমাৰেখাৰ তলৰ সদস্য তালিকাভূক্তিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা কোনো নিৰ্দেশ পোৱা নাই।

(গ) চাহ বাগিচা অঞ্চলত থকা দৰিদ্ৰ সীমাৰেখাৰ তলৰ সদস্য সকলকো অন্যান্য অঞ্চলৰ দৰে (BPL) তালিকাভূক্ত কৰা হৈছে। ইয়াৰ উপৰিও

সংশ্লিষ্ট জিলা কৰ্তৃপক্ষ সমূহক মৃতপ্ৰায় চাহ বাগিচা অঞ্চলৰ পৰা ৪,০০০ হেজাৰ বি, পি, এল পৰিয়ালক চিনাক্ত কৰি টি,পি,ডি,এছৰ সহায় আগবঢ়াবলৈ কোৱা হৈছে।

(ঘ) ৰাইজৰ সুবিধাৰ্থে সুলভ মূল্যৰ দোকানৰ অনুজ্ঞাপত্ৰ দি থকা হৈছে। কেৰাচিন তেলৰ এজেন্ট নিয়োগৰ ব্যৱস্থা চৰকাৰৰ বিবেচনাধীন হৈ আছে।

## বিষয় ঃ বানপানীৰ দ্বাৰা ক্ষতি।

**ডাঃ আনন্দৰাম বৰুৱাই সুধিছে ঃ**

১০২। মাননীয় গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা দুয়োটা বানপানীয়ে ৰহা সমষ্টিত বিস্তৰ ক্ষতি হোৱাৰ ফলত বহুত ঘৰ বানপানীয়ে উটাই নি গৃহহীন (Home loss) কৰা লোকৰ বাবে বিভাগৰ আঁচনি ৰহা সমষ্টিৰ বাবে বিশেষভাৱে ধৰাৰ ব্যৱস্থা কৰিছে নেকি?

(খ) ৰহা সমষ্টিত কামৰ বিনিময়ত আহাৰ (Food for work) ব্যৱস্থাৰ আঁচনি লৈছে নেকি?

**শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৰহা সমষ্টিৰ বানপানীত গৃহহীন হোৱা লোক সকলৰ বাবে সদ্যহতে বিশেষ আঁচনি এতিয়ালৈকে ৰূপায়ণ কৰা নাই যদিও PMGY আঁচনিৰ অধীনত চৰকাৰৰ ফালৰ পৰা গৃহ নিৰ্মাণৰ প্ৰস্তাৱ ৰখা হৈছে।

(খ) লোৱা হোৱা নাই।

## বিষয় ঃ জিলা পৰিষদ।

**শ্ৰী বুবুল দাসে সুধিছে ঃ**

১০৩। মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাওঁ জিলা পৰিষদৰ ২০০৩-০৪ আৰু ২০০৪-০৫ চনত জিলাখনৰ

বিধায়ক/ মন্ত্ৰীয়ে কি কি আঁচনি মঞ্জুৰীৰ বাবে দাখিল কৰিছিল? (তালিকা দাখিল কৰিব)

(খ) এই আঁচনি সমূহৰ কি কি আঁচনি অনুমোদন দিয়া হ'ল আৰু পুঁজি মঞ্জুৰী দিলে তাৰ প্ৰগতিৰ খতিয়ান দাখিল কৰিবনে?

(গ) জাগীৰোড বিধান সভাৰ বিধায়কে দাখিল কৰা কি কি আঁচনি অনুমোদন দিলে আৰু পুঁজি মঞ্জুৰী দিছে? (খৰছৰ খতিয়ান দিব)

**শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) মৰিগাওঁ জিলা পৰিষদৰ ২০০৩-০৪ আৰু ২০০৪-০৫ চনত জিলাখনত বিধায়ক/ মন্ত্ৰীয়ে মঞ্জুৰীৰ কাৰণে দাখিল কৰা আঁচনি সমূহৰ তালিকা পৰিশিষ্ট 'ক'ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

(খ) অনুমোদন দিয়া আঁচনি সমূহৰ বিপৰীতে মঞ্জুৰীকৃত পুঁজিৰ পৰিমাণ আৰু অগ্ৰগতিৰ বিৱৰণৰ সৈতে পৰিশিষ্ট 'খ'ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

(গ) জাগীৰোড বিধান সভাৰ বিধায়কে দাখিল কৰা আঁচনি সমূহৰ ভিতৰত অনুমোদন হোৱা আঁচনিৰ বিৱৰণ আৰু মঞ্জুৰীকৃত ধনৰ পৰিমাণৰ সৈতে খৰছৰ খতিয়ান পৰিশিষ্ট 'গ'ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

## বিষয় ঃ খালী পদ পূৰণ।

**শ্ৰী দিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ**

১০৪। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম কৃষি বিশ্ববিদ্যালয়ত ১১টা Statutory পদৰ ৭টা পদেই খালী হৈ থকাটো চৰকাৰে জানেনে?

(খ) যদি জানে, তেন্তে এই খালী পদ সমূহ পূৰণৰ বাবে কি ব্যৱস্থা লৈছে?

(গ) উপাচাৰ্য্য গৰাকী নিযুক্তিৰ ক্ষেত্ৰত চৰকাৰৰ স্থিতি কি?

**শ্ৰী ৰাজেদ আলি চৌধুৰী (কৃষি বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) জানে। কৃষি বিশ্ববিদ্যালয়ৰ ১৪টা Statutory পদৰ ৯টা বৰ্তমান খালী হৈ আছে।

(খ) চাৰিটা খালী পদৰ জাননী দিয়া হৈছে, তিনিটাৰ সাক্ষাৎকাৰ লোৱা হৈছে আৰু দুটা পদৰ জাননী দিবলৈ বাকী আছে।

(গ) বৰ্তমান ডঃ এচ,এচ, ভাগেলক উপাচাৰ্য্য হিচাবে নিযুক্তি দিয়া হৈছে।

## Sub : Functioning of Chakki Mills.

**Shri Bimolangshu Roy asked :**

105. Will the Minister of Food & Civil Supplies be pleased to State :

(a) Has the Government caused an enquiry as to the functioning of all Modern and Mini Modern Chakki Mills in Assam and received in report from Deputy Commissioner of the Districts? If so, is the Government aware that all these mills are paying huge electricity tariffs and other Government dues virtually without any Government support with the hope of getting Government allotment of wheat which are of late being given only to the big Industries?

(b) Has the Government taken any decision as to allotment of P.D.S. wheat? What is the underlying idea of sponsoring big Industries at the cost of small ones? How the Government is gaining by causing unemployment of the working force engaged in small scale industries and by closure of about 500 Mills in Assam?

(c) Is the Government selectively sponsoring some Industries without any declared policy?

**Dr. Nazrul Islam (Minister, Food & Civil Supplies) replied :**

(a) Yes, the State Government had ordered the District/ Sub-Divisional Authorities for joint verification into the functioning of the Modern Chakki Mills, covering their machinaries and infrastructure, milling capacity, licence status, payment of electricity charge etc. and have received reports from verious parts of the State.

(b) The State Govt. have started allotment of the P.D.S. wheat to the eligible Modern Chakki Mills since Nov'2004 through the DC's/ SDO's of the Plains Districts and the Principal Secretaries of the Autonomous Councils of the Hills Districts.

(c) No. The Govt. are continuing their policy of alloting the P.D.S. wheat to Tea and other Industries and Roller Flour Mills, and have resumed allotment to Modern Chakki Mills.

**বিষয় ঃ উদ্যান শস্যৰ আঁচনি।**

**শ্ৰী দীনেশ চন্দ্ৰ সৰকাৰে সুধিছে ঃ**

১০৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ২৯-৭-২০০৪ তাং ৰ ৪১৮ নং তৰাবিহীন প্ৰশ্নৰ উত্তৰত কোৱা হৈছে যে গোলোকগঞ্জ সমষ্টিৰ আগমণি আৰু গোলোকগঞ্জ উন্নয়ণ খণ্ড সাঙুৰি বিভিন্ন উদ্যান শস্যৰ মাটি কালি সম্প্ৰসাৰণ আঁচনিত ৩.৯০ লাখ টকা খৰছ কৰা হৈছে উক্ত আঁচনি কিমান বিঘা মাটিত সম্প্ৰসাৰণ কৰা হৈছে?

(খ) উক্ত সম্প্ৰসাৰিত মাটিৰ দাগ আৰু খতিয়ান নং দিবনে?

(গ) কোনটো কোনটো আঁচনি কাৰ কাৰ দায়িত্বত দিয়া হৈছে কোনো ব্যক্তি বিশেষক নে কমিটিক দিয়া হৈছে?

(ঘ) ব্যক্তিৰ বা কমিটিৰ নামবোৰ পদবীৰ সৈতে দিবনে?

(ঙ) ৩.৯০ লাখ টকা কোন কোন অৰ্থবৰ্ষত দিয়া হৈছে?

(চ) ইয়াৰোপৰি 'সমূহীয়া জলাশয়ত' ১.০০ লাখ টকা লক্ষীমাৰী গাওঁত খৰছ কৰা হৈছে ইয়াত কি কি কাম কাৰ দায়িত্বত কৰা হৈছে বিতং জনাবনে?

(ছ) ১১.২০ লাখ টকাৰ পাৰাৰ টিলাৰ কাক কাক দিয়া হৈছে নামবোৰ উল্লেখ কৰিবনে?

**শ্ৰী ৰাজেদ আলি চৌধুৰী (কৃষি বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) গোলোকগঞ্জ সমষ্টিৰ আগমণি আৰু গোলোগঞ্জ উন্নয়ণ খণ্ড সাঙুৰি বিভিন্ন উদ্যান শস্যৰ মাটি কালি সম্প্ৰসাৰণ আঁচনিত ২২৫ বিঘা মাটিত সম্প্ৰসাৰণ কৰা হৈছে।

(খ) উক্ত সম্প্ৰসাৰিত মাটিৰ দাগ আৰু খতিয়ান নং 'ক','খ' তালিকাত গাঠি দিয়া হ'ল। (আৱশ্যকীয় তালিকা সদনৰ মেজত দাখিল কৰা হ'ল)

(গ) কৃষি উন্নয়ণ বিষয়াৰ তত্ববধানত ব্যক্তিগত হিতাধিকাৰী সকলৰ দায়িত্বত তলত দেখুৱা ধৰণে দিয়া হৈছে।

২০০১-০২

১) জালুক - কৃষি উন্নয়ণ বিষয়া, কাচুখানা।

২) কাজুবাদাম - - ঐ -

৩) শাক-পাচলি - কৃষি উন্নয়ণ বিষয়া, আগমণি।

২০০২-০৩

১) অন্যান্য ফলমূল - কৃষি উন্নয়ণ বিষয়া, গোলোকগঞ্জ।

২) অন্যান্য ফলমূল - " " " , হালাকুৰা।

৩) শাক-পাচলি - " " " , কাচুখানা।

(ঘ) হিতাধিকাৰী সকলৰ নাম 'গ' তালিকাত গাঁঠি দিয়া হ'ল। (আৱশ্যকীয় তালিকা সদনৰ মেজত দাখিল কৰা হ'ল)

(ঙ) ২০০১-০২ অৰ্থবৰ্ষত ১.৯৫ লাখ টকা
২০০২-০৩ অৰ্থবৰ্ষত ১.৯৫ লাখ টকা।

(চ) গোলোকগঞ্জ কৃষি উন্নয়ণ বিষয়া আৰু কনিষ্ঠ অভিযন্তা (কৃষি) তত্বাবধানত পুখুৰী খণ্ডা আৰু পাৰবন্ধা কাম ইজ্জত আলী সৰকাৰ, পিতা - ওৱাজুদ্দিন সৰকাৰৰ ২৭৭ নং দাগ আৰু ১৩ নং।

(ছ) ২৫ খন পাৰাৰ টিলাৰ ২৫ জন হিতাধিকাৰীৰ মাজত বিতৰণ কৰা হৈছে। হিতাধিকাৰীৰ নাম 'ঘ' তালিকাত গাঁঠি দিয়া হ'ল। (আৱশ্যকীয় তালিকা সদনৰ মেজত দাখিল কৰা হ'ল)।

## বিষয় ঃ বানপীড়িত কৃষকৰ বাবে আঁচনি।

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

১০৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যৰ বানপীড়িত কৃষকৰ সুবিধাৰ বাবে কৃষি বিভাগে আঁচনি হাতত লৈছে নেকি?

(খ) যদিহে আঁচনি হাতত লৈছে আঁচনিসমূহ কি কি?

(গ) উক্ত আঁচনিত বৰ্তমানলৈকে ৰাজ্যখনৰ কিমানজন কৃষকক সহায় কৰা হৈছে?

(ঘ) যদিহে এনে আঁচনি গ্ৰহণ কৰা নাই ভৱিষ্যতে গ্ৰহণ কৰা হ'বনে?

**শ্ৰী ৰাজেদ আলি চৌধুৰী (কৃষি বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) লোৱা হৈছে?

(খ) ৰাজ্যখনত মাটিমাহ, ঘেঁহু, মটৰ, মচুৰ, মকৈ, সৰিয়হ, মগু আৰু ধানৰ বীজ বিনামূলীয়াকৈ বিতৰণৰ লগতে টেক্টৰৰে মাটি চহাই দিয়াৰ আঁচনি লোৱা হৈছে।

(গ) ৭৫৮৯২০ জন কৃষক।

(ঘ) প্ৰশ্ন নুঠে।

**বিষয় ঃ আলোপতি মাজৰ চৰ হস্ত তাঁত কেন্দ্ৰৰ গৃহ নিৰ্মাণ।**

**শ্ৰী দিলদাৰ ৰেজ্জাই সুধিছে ঃ**

১০৮। মাননীয় হস্ত তাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনে?

(ক) বৰপেটা জিলাৰ আলোপতি মাজৰ চৰ হস্ত তাঁত প্ৰশিক্ষণ কেন্দ্ৰ নিজা ঘৰ-দুৱাৰ নথকাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) উক্ত প্ৰশিক্ষণ কেন্দ্ৰৰ ঘৰ-দুৱাৰ নিৰ্মাণৰ বাবে চৰকাৰে সোনকালে ব্যৱস্থা লবনে?

**ডঃ হেমপ্ৰভা শইকীয়া (হস্ত তাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয় অৱগত।

(খ) বিত্তীয় আৱন্টন সাপেক্ষে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

Discussion on the Supplimentary Statement of Expenditure Charged on the Consolidated Fund of the State for the year 2004-2005.

**Mr. Speaker :** Item No. 2.

Discussion on the Supplimentary Statement of Expenditure Charged on the Consolidated Fund of the State for the year 2004-2005.

I think, there is no discussion on Item No. 2.

## VOTING ON SUPPLEMENTARY DEMANDS FOR GRANTS

**Mr. Speaker :** Item No. 3.

Voting on Supplementary Demands for Grants for 2004-2005. Hon'ble Minister to move.

**Shri Rockybul Hussain (Minister of State, Home) :** Sir, on the recommendation of the Governor of Assam, I beg Sir, to move

that an additional amount of Rs. 400.00 lakhs be granted to the Minister in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 2005 in connection with 'Vigilance Commission and Others'.

**Mr. Speaker :** There are as many as four Cut Motions in the name of Hon'ble Members Shri Bimolangshu Roy, Shri Rameswar Teli, Shri Sushil Dutta, Shri Mission Ranjan Das, Shri Ranjit Dutta, Shri Kali Ranjan Deb, Shri Dinesh Chandra Sarkar, Shri Parimal Suklabaidya, Shri Pabindra Deka, Shri Brindaban Goswami, Dr. Zoii Nath Sarma, Shri Dilip Kumar Saikia, Shri Bhupen Roy, Shri Jagadish Bhuyan, Shri Phani Bhushan Choudhury, Shri Probin Gogoi, Smti. Pramila Rani Brahma, Shri Hemendra Nath Brahma, Shri Matindra Basumatary, Shri Karendra Basumatary.

I now request the Members to move the Cut Motion.

* **Shri Dilip Kumar Saikia :** Mr. Speaker Sir, I beg to move that the total provision of Rs. 400.00 Lakhs under Supplementary Demand for Grant No. 19 in respect of 'Vigilance Commission and Others' at Pages 26-27 of the list of Supplementary Demands be reduced by Rs. 100.00 i.e., the amount of the whole Supplementary Demand of Rs. 400.00 lakhs do stand reduced by Rs. 100.00.

**Mr. Speaker :** Now, I call upon Shri Dilip Kumar Saikia to speak.

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আজি গ্ৰান্ট নং ১৯ ত 'ভিজিলেন্স কমিচনৰ' অদাৰ এদিচনেল এমাউন্ট ৪০০ লাখ টকা চাৰেগুৱাৰ উগ্ৰপন্থী আলফা আদিকে ধৰি তেওঁলোকৰ পুনৰসংস্থাপনৰ নামত প্ৰকৃততে ৪০০ লাখ টকা বৰ কম হৈছে। তাৰ কাৰণে অধিক টকাৰ প্ৰয়োজন। আলফা, এন,ডি,এফ,বিক ধৰি অসমৰ চাৰেগুৱাৰ উগ্ৰপন্থী সকলক পুনৰ সংস্থাপনৰ বাবে আঁচনিৰ প্ৰয়োজন। অসমৰ অৰ্থনৈতিক অৱস্থাৰ কাৰণেই এই উগ্ৰপন্থী সমস্যাৰ সৃষ্টি হৈছে। অসমৰ বেয়া অৰ্থনৈতিক অৱস্থা চাকৰি-বাকৰি

* Speech not corrected

সংস্থাপন নাই বাবেই বহুতো যুৱক-যুৱতীয়ে বন্দুক লবলৈ বাধ্য হৈছে। গতিকে তেওঁলোক সংস্থাপনৰ বাবে ৪০০ কোটি টকাৰে জোৰা মৰা টান হ'ব। আলফা আদি চাৰেণ্ডাৰি সকলক এচ্‌বি, পুলিচে ২০০০ কৈ টকা দিছিল। চালফাৰ নামত দিয়া সেই ২০০০ টকাও তেওঁলোকে ঠিক মতে নাপাই বুলি অভিযোগ কৰিছে। সেই ২০০০ টকাৰো আত্মসাৎ হয়। তেওঁলোকক দাবী-ধমকি দি সেই টকাৰো চান কাঢ়ে। এই বিলাক এচ্‌বি কাহিলীপাৰাতে হৈছে। ফলত মাননীয় অধ্যক্ষ মহোদয় তেওঁলোকে আকৌ জংঘললৈ ঘুৰি যাম বুলি কৈছে। এই কথা আমি বাতৰি কাকতত পঢ়িবলৈ পাইছো। তেওঁলোকে আকৌ হাতত অস্ত্র তুলি লম বুলি কৈছে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে এই গোটেই বিষয়টোৰ এটা তদন্ত কৰাৰ প্ৰয়োজন। চালফাক বেংকৰ পৰা যি ২ লাখকৈ টকা ধন দিছিল সেই বিলাক বহুতেই ঘূৰাই দিয়া নাই। ফলত বেংকে ঋণ দিবলৈ টান পাইছে। বেংকে অসমীয়া যুৱক-যুৱতীক বেংকৰ লুণ দিবলৈ অনীহা প্ৰকাশ কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে প্ৰকৃত এখন আঁচনি তৈয়াৰ কৰি ল'ব লাগে। প্ৰকৃত আঁচনি নোহোৱাৰ ফলত চাৰেণ্ডাৰিসকলে প্ৰকৃত সুবিধা নোপোৱাৰ ফলত চালফা আদিয়ে গুণ্ডাগিৰী আৰম্ভ কৰিছে। তেওঁলোকে গুণ্ডা কৰ লগাইছে। কয়লা, মাছ আদিৰ ওপৰত। চিণ্ডিকেট বঢ়াইছে। বেলতলাতো গুণ্ডা কৰ লগাইছে। লাওঁ এটা ১০ টকাত বেচিলে চালফাই ৫ টকা টেক্স লয়। আমি ইয়াৰ প্ৰতিবাদ কৰিছো অসম বিধান সভাতো কৰিছো। আজি অসমৰ পৰিস্থিতি অতি ভয়াবহ হৈ পৰিছে। চাৰিওফালে বোমা বিস্ফোৰন হৈছে। কালিও চিলাপথাৰত, শদিয়াত বৰমাত বোমা বিস্ফোৰণ হৈছে। মানুহ আঘাট প্ৰাপ্ত হৈছে। গ্ৰেনেড বিস্ফোৰণ হৈছে। চিলা পথাৰত ৫ জন আঘাত প্ৰাপ্ত হৈছে। এটা হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। বোমা, গ্ৰেনেড় আদি বিস্ফোৰণৰ ক্ষেত্ৰত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কালি যি টুলুঙা যুক্তি দাঙি ধৰি কথা কৈছিল তাৰ জৰিয়তে সমস্যাৰ সমাধান নহয়। মাননীয় অধ্যক্ষ মহোদয়, এই সমস্যাৰ সমাধানৰ বাবে এক প্ৰকৃত আঁচনিৰ প্ৰয়োজন। গতিকে চৰকাৰে আঁচনি তৈয়াৰ কৰক। মন্ত্ৰীক মাতি আনক, বিধায়কক মাতক। সকলোয়ে মিলি বহি আলোচনা কৰি এক পৰিকল্পিত আঁচনি তৈয়াৰ কৰি এই উগ্ৰপন্থীৰ সমস্যা সমাধান কৰাৰ চেষ্টা

কৰক। কাৰণ এই সমস্যা অসমৰ সকলোতে হৈছে। বৰাক ভেলী আৰু উত্তৰ কাছাৰ, কাৰ্বি আংলঙতো এই উগ্ৰপন্থী সমস্যা আছে।

মাননীয় অধ্যক্ষ মহোদয়, চাকৰিৰ ক্ষেত্ৰত আমি তেওঁলোকক পুলিচ কনিষ্টবল হওঁক, সামৰিক বাহিনীত হওঁক বা ব্যৱসায় হওঁক মুঠতে তেওঁলোকক সংস্থাপন কৰিব লাগে। আজি তেওঁলোকক পুনৰ সংস্থাপন আঁচনিত মাত্ৰ চাৰি কোটি টকা দিছে। যোৱা কালি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিসকল উগ্ৰপন্থীয়ে আত্মসমৰ্পন কৰিছে তেওঁলোকক পাঁচ হাজাৰকৈ দিয়াৰ কথা কৈছে। পাঁচহাজাৰকৈ টকাৰে যুৱক-যুৱতীক আমি কেনেকৈ সংস্থাপন কৰিম। এখন আঁচনি প্ৰস্তুত কৰিব লাগে। যুৱক-যুৱতী সকলৰ সমস্যা সমাধানৰ কাৰণে। নহলে সমস্যা সমাধান কৰিব নোৱাৰে। মাননীয় অধ্যক্ষ মহোদয়, লংটাৰ্ম প্ৰচেষ্টাই হওঁক বা সৰ্টটাৰ্ম প্ৰচেষ্টাই হওঁক তেওঁলোকৰ কাৰণে লব লাগে। আজি কৰবাত যদি ঠিকা আছে ৰেলৱেত হওঁক বা পি,ডব্লিউ,ডিত হওঁক বা বিভিন্ন ধৰণে হওঁক কাম কৰিবলৈ বাধ্য। মাননীয় অধ্যক্ষ মহোদয় আজি কি ভুল হৈছে। যি সকলক মদৰ মহল দিয়া হৈছে (চালফা সকলক) সেই সকলৰ পৰা মদৰ মহল কাঢ়ি লৈ বিহাৰৰ লোকক দিবলৈ লৈছিল। কিন্তু আমি বিধানসভাত প্ৰতিবাদ কৰাত যেনিবা সেইটো হ'বলৈ নাপালে। মাননীয় অধ্যক্ষ মহোদয়, গোটেই অসমত ভয়ানক পৰিস্থিতিৰ সৃষ্টি হৈছে। আলফাৰ ৰচিদ ভৰালীয়ে কৈছে আত্ম সমৰ্পন কৰিলে তেওঁক দহ লাখ টকা দিব লাগিব। আৰু কেইজনমানে কৈছে আমি আত্মসমৰ্পন কৰিম। ১৪/১৫ আৰু ২৫ নম্বৰ পৃষ্ঠাত বিস্তাৰিত ভাবে এই কথাবিলাক উল্লেখ আছে। ইয়াত কৈছে দহ লাখ টকা দিব লাগিব। দহ লাখ টকা দিলে সমস্যা সমাধান হ'ব নেকি? চাৰ, এই কথাবিলাক আমি চিন্তা কৰিব লাগিব। আৰু আমি আহ্বান জনাইছো পুংখানুপুংখ ভাবে চৰকাৰে সিদ্ধান্ত লব লাগিব যাতে চৰকাৰৰ বদনাম নহয় আৰু তেওঁলোক মূল সুঁতিলৈ ঘূৰি আহিব পাৰে। এখন আঁচনি প্ৰস্তুত কৰি মন্ত্ৰী বা এম,এল,এ সকলক মাতি আলোচনা কৰিব লাগে। পোনপটীয়াকৈ এজন মন্ত্ৰী বা এম,এল,এ বহিলে সমস্যা সমাধান নহয়, আলোচনাৰ মাধ্যমেৰে সমস্যা সমাধান কৰিব লাগিব। উগ্ৰপন্থী সকলে বিভিন্ন সময়ত বিভিন্নজনক অপহৰণ কৰিছে। পুতুল দেৱক অপহৰণ কৰিছে। ছয়িদুল আলম চৌধুৰীয়ে চি বি আইক প্ৰশ্ন কৰিছে। পুতুল দেৱ এতিয়াও জীৱিত হৈ

আছে, তেওঁ বাংলাদেশত আছে। ছয়িদুল আলম চৌধুৰীয়ে পোনপটীয়াকৈ কথা বিলাক কৈছে। যি বিলাক অপহৰণ কৰিছে তেওঁলোকক মাতি আনি সোধক, তেওঁলোকক মাতি আনি জেৰা কৰিব লাগে। তেওঁলোকক জেৰা কৰিবলৈ আমি আহ্বান জনাইছো। কিন্তু আজি এই ক্ষেত্ৰত অনিহা প্ৰকাশ কৰিছে। পুতুল দেৱৰ দুগৰাকী জীয়েক বৃটেইনৰ পৰা আহি ভাৰত চৰকাৰৰ অনুৰোধ কৰিছে আৰু অসম চৰকাৰকো অনুৰোধ কৰিছে, তেওঁলোকে কিন্তু আওঁকান কৰিছে। আজি আমাৰ মন্ত্ৰী এম,এল,ও সকলৰ পুত্ৰক অপহৰণ কৰিছে। বহুত টকাৰ বিনিময়ত তেওঁলোকক মুকলি কৰি দিছে। এই গোটেই কথাবিলাকৰ তদন্ত হ'ব লাগে। এই কথাবিলাক অসম বিধানসভাত যিমানেই আলোচনা নহওঁক কিয় আলফা বা অন্যান্য উগ্ৰপন্থী সমস্যা কেতিয়াওঁ সমাধান নহ'ব। এইটো সাংঘাটিক এটা সমস্যা। যোৱাকালি চিলাপথাৰত এটা বোমা ফুটিলে। শদিয়াত চি,আৰ,পি লৈ এটা বোমা দিছিল বৰমা থানাতো এটা বোমা ফুটিছিল। পৰেশ বৰুৱাই কৈছে কোনোবা পুলিচ বিষয়াইহে বোমা ফুটাইছে। মাননীয় অধ্যক্ষ মহোদয়, এই কথাবিলাক আমি গৰিহনা দিছো। বাঘৰ পিঠত উঠিলে সকলোৰে বিপদ। অসম চৰকাৰে টকা বিলাক ঠিক মতে খৰছ নকৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে টকা কমাই দিয়ে। এইটো আনুসংগিক কথা চাৰিকোটি টকা একেবাৰে নগন্য। এই চাৰিকোটি টকাৰ পঞ্চাশ শতাংশও সংস্থাপনৰ নামত খৰছ নকৰে। তেওঁলোকৰ পোনপটীয়া অভিযোগ যে এই টকাবিলাক আমি নাপাও। গতিকে আমি ইয়াত চৰকাৰক আহ্বান জনাইছো এই সমস্যাবিলাক সমাধান কৰাৰ কাৰণে এটা চিন্তা কৰিব লাগে। মৰ্ডানাইজ অৱ পুলিচৰ কাৰণে বহুত টকা আছে। কিন্তু দুখৰ কথা যে তেওঁলোকৰ হাতত আজি একে ৪৭ নাই। তেওঁলোকৰ হাতত আজি ভাল টৰ্চলাইট নাই। এই কথাবিলাকৰ কাৰণে আজি আমি কৈছো যে, উগ্ৰপন্থী সমস্যা এটা ডাঙৰ সমস্যা, এই সমস্যা সমাধান কৰিব লাগে। উগ্ৰপন্থী সকলৰ যি সকলে আত্ম সমৰ্পন কৰে তেওঁলোকক লগত লৈ পুলিছে বিভিন্ন ঠাইত ৰেড কৰিবলৈ যায়। এই কথাতো বৰ দুখ লগা হৈছে। ৰেড কৰিবলৈ গৈ মহিলাৰ ওপৰত অত্যাচাৰ কৰিছে। তেওঁলোকক মবাইল ফোন দিছে, মটৰচাইকেল দিছে, এইবিলাক কথা ভাল হোৱা নাই। ভৱিষ্যতে যাতে এনেকুৱা কাম নকৰে। পিচত এচ,পি,য়ে কৈছে যে এইটো ভুল নীতি হৈছে।

অধ্যক্ষ মহোদয়, সেই কাৰণে মন্ত্ৰীৰ কাৰণে এখন আৰু ৰাইজৰ কাৰণে এখন আইন হ'ব নোৱাৰে। সকলোৰে কাৰণে সম বিচাৰ হ'ব লাগে।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে পৰিপূৰক দাবী মঞ্জুৰীৰ ওপৰত কলে ভাল হয়।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মই গ্ৰেন্টৰ ওপৰত কৈছো। মই আকৌ কব খুজিছো মই যদি কোনো আলফা সদস্যক মবাইল চেট দিছো, টকা পইচা দিছো, বন্দুক বাৰুদ দি সহায় কৰিছো তেনেহলে মোক এতিয়াই প্ৰেপ্তাৰ কৰক। অসমত শান্তি শৃংখলা অটুত ৰখাৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰক। গতিকে মই অসমৰ ৰাইজৰ স্বাৰ্থৰ খাতিৰত ৰাজ্যখনৰ পুলিচ বাহিনীটোৰ উন্নতিৰ লগে লগে অস্ত্ৰ-সস্ত্ৰ সম্বৰণ কৰি যিসকল যুৱক-যুৱতী ঘাই পথলৈ ঘুৰি আহিব বিচাৰিছে তেওঁলোকেও যাতে এক সুষ্ঠ বাতাবৰণত জীৱিকা নিৰ্বাহ কৰিব পাৰে তাৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰা উচিত।

অধ্যক্ষ মহোদয়, ধেমাজীত যিদিনা বোমা বিস্ফোৰণ হৈছিল সেইদিনা মাননীয় ৰাজ্যিক গৃহ মন্ত্ৰী ৰকিবুল হুছেইন ডাঙৰীয়া আৰু শ্ৰীগৌতম ৰয় ডাঙৰীয়া কিছু সময় পিছতে তাত গৈ উপস্থিত হৈ পৰিস্থিতিৰ বুজ লৈ ৰাইজৰ মাজত সৃষ্টি হোৱা পৰিস্থিতি সাঁম কটাবলৈ যথেষ্ট চেষ্টা কৰিব লগীয়া হয়। সেই কাৰণে মই তেখেত সকলক ধন্যবাদ জনাইছো। কিন্তু মই আৰু এটা কথা কব লাগিব সেইদিনা তাত আইন শৃংখলা ৰক্ষাৰ নামত কৰ্মৰত অৱস্থাত থকা পুলিচ বিষয়া এজন তাৰ পৰা পলাল। এইটো বৰ আঁচৰিত কথা। সেই কাৰণে এই ক্ষেত্ৰত মই কব খোজো যে আইন শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত যি সকল লোকক নিযুক্তি দিয়া হয় সেই সকল লোকক ৰাজনৈতিক হস্তক্ষেপত নিযুক্তি দিয়াতো বন্ধ কৰিব লাগে। এনে ধৰণৰ ৰাজনৈতিক পৃষ্টপোষকতাৰ জৰিয়তে বিশেষকৈ আৰক্ষী বিভাগত নিযুক্তি দিয়াতো বন্ধ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই গৃহ ৰাজ্য মন্ত্ৰীক অনুৰোধ জনালো। আৰক্ষী বিভাগত নিযুক্তি দিওতে উপযুক্ত লোকেহে যাতে নিযুক্তি পায় তাৰ কাৰণে নিশ্চিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য গৰাকীক মই অনুৰোধ জনাইছো তেখেতে বক্তব্য

---

* Speech not corrected

ছুটি কৰক। এই বিষয়ত আৰু কেইবাজনো মাননীয় সদস্যই কবলগীয়া আছে। আপুনি সোনকালে শেষ কৰক।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** অধ্যক্ষ মহোদয়, মই আৰু এক মিনিট মান কৈয়ে শেষ কৰিম। ধেমাজীৰ ঘটনাৰ ক্ষেত্ৰত মাননীয় গৃহ মন্ত্ৰী ডাঙৰীয়াই যি ততাতৈয়া ব্যৱস্থা গ্ৰহণ কৰিলে তেওঁ নিজে তালৈ গৈ পৰিস্থিতিৰ বুজ লোৱা কাৰণে মই তেখেতক নিশ্চয় ধন্যবাদ জনাম। সেইদিনা মই নিজে তাত উপস্থিত আছিলো। ধেমাজীৰ মানুহৰ তেজেৰে ৰক্তাক্ত হৈ পৰিল, মানুহৰ কেনে অৱস্থা হৈছিল সেইটো বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। কিন্তু এটা কথা মই বৰ দুখেৰে কব লগীয়া হ'ল যে সেইদিনা নৰহ ডাঙৰীয়া লক্ষীমপুৰত উপস্থিত থাকিও ধেমাজীৰ ৰাইজৰ খবৰ এটা লবলৈ নগ'ল। লক্ষীমপুৰৰ মন্ত্ৰী হিচাবে আৰু মাত্ৰ ১৫০ কিলো মিটাৰ দূৰত থাকিও তেওঁ ধেমাজীলৈ নগ'ল। কিন্তু ইয়াৰ পিচত বহুতে ঘৰিয়ালৰ চকুপানী টুকিলে। বহুতে সেই ঘটনাক লৈ গান গালে, বহুতে কান্দিলে বহুতে ছবি আঁকিলে কিন্তু এইবোৰ ঘৰিয়ালৰ চকুপানী মাত্ৰ। এই ক্ষেত্ৰত ৰাইজৰ দুখ-দুৰ্দশাৰ সমভাগী নহৈ কেৱল ঘৰিয়ালৰ চকুপানী টোকাতো উচিত নহয়। এই কথা বিলাক আজি পুংখানুপুংখ ৰূপে চিন্তা কৰিব লাগিব আৰু এই ক্ষেত্ৰত চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। মই আৰু এটা কথা কব খুজিছো যে যি সকল পুলিচ বিষয়া যিটো কামৰ কাৰণে যিখন ঠাইৰ বাবে উপযোগী সেইজন লোককহে সেই ঠাইত দিব লাগে। তেনে ব্যক্তিয়েহে সেই ঠাইৰ স্থানীয় কথা বতৰাবোৰ উপলব্ধি কৰি কাম কাজ কৰাৰ সুবিধা পায়। যোৱাকালি চিলাপথাৰত বোমা বিস্ফোৰণ হৈছে আৰু তাৰ ৫ মিনিট পিচতে মই ঘটনাৰ বিষয়ে জানিব পাৰিছো— এইটো একমাত্ৰ কৰিব পাৰিছে লগে লগে ব্যৱস্থা গ্ৰহণ কৰা কাৰণে। সেই কাৰণে মই এই বিভাগত নিযুক্তি দিওঁতে যাতে এই সকলোবিলাক কথা চোৱাচিতা কৰে তাৰ বাবে অনুৰোধ জনায় সামৰণি মাৰিলো।

**Mr. Speaker :** Please Sit down, please Confine to Grant as per Rule. Now, Hon'ble Member, Shri Bimolangshu Roy will speak Mr. Roy, please make as briefly as possible.

---

* Speech not corrected

* শ্ৰী বিমলাংশু ৰয় ঃ মাননীয় অধ্যক্ষ মহোদয়, মই গ্ৰেন্ট নং ১৯ ত যি পৰিপূৰক দাবী মঞ্জুৰী অনা হৈছে সেই ক্ষেত্ৰত আমি দেখিছো যে ইয়াত ৪ টা হেড আছে আৰু তাত এনে ধৰণে কোৱা হৈছে Vigilence and special commission of enquiry, rehabilitation of surrendered and mis-guided youths. ইয়াৰ 'আডাৰ এক্সপেণ্ডিচাৰ' বুলি যিটো কথা কোৱা হৈছে সেইটো ভালদৰে বুজি পোৱা নাই। এইটো মন্ত্ৰী মহোদয়ে ক্লাৰিফাই কৰিব লাগে। আডাৰ এক্সপেণ্ডিচাৰ কিয় আনিব লগা হৈছে। যি সকল উগ্ৰপন্থীয়ে চাৰেণ্ডাৰ কৰিছে তেওঁলোকৰ পুনৰ সংস্থাপনৰ কাৰণে এই টকাতো ধৰা হৈছে বুলি কৈছে যদিও এইটো স্পষ্টকৈ কোৱা হোৱা নাই। তেওঁলোকৰ পুনৰ সংস্থাপনৰ ক্ষেত্ৰত এই টকাতো আমি চাপৰ্ট কৰিম কিন্তু এই ক্ষেত্ৰত চৰকাৰৰ আন্তৰিকতা সহকাৰে এই বিষয়টো লৈছে নে নাই সেই বিষয়ে আমি চাব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, কিন্তু আমি দেখিছো যে এই ক্ষেত্ৰত চৰকাৰে যি আন্তৰিকতা দেখুৱাব লাগিছিল সেইটো দেখুৱাব পৰা নাই। আমি আজি দেখিছো যে বৰাক উপত্যকাত বিভিন্ন উগ্ৰপন্থী সকলৰ কাৰ্য্যকলাপ বৃদ্ধি হৈছে। মাৰ উগ্ৰপন্থী, এন,এচ,চি,এন আদি উগ্ৰপন্থী সকলৰ কাৰ্য্যকলাপ বৰাক উপত্যকাত বৃদ্ধি হৈছে। বৰাক উপত্যকা যিহেতু মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, বাংলাদেশ আদি ৰাজ্যৰ সীমামুৰীয়া ৰাজ্য সেয়েহে আজি বৰাক উপত্যকাত এই ৰাজ্যসমূহৰ বিভিন্ন উগ্ৰপন্থী সকলে আশ্ৰয়স্থলী হিচাপে বাচি লৈছে। কিন্তু এই বৰাক উপত্যকা আগতে বৰ শান্তি ভূমি আছিল। সেই কাৰণে প্ৰয়াত আমাৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া ডাঙৰীয়াই সেই সময়ত যেতিয়া বৰাক উপত্যকা গৈছিল তেতিয়া তেওঁ কৈছিল যে আগতে বৰাক উপত্যকা বৰ শান্তি ভূমি আছিল কিন্তু এতিয়া ইয়াতো লাহে লাহে অশান্তি আৰম্ভ হৈছে। সেই কাৰণে তেখেতে সেই সময়ত মাৰ উগ্ৰপন্থী সকলৰ হিংসাত্মক কাৰ্য্যকলাপ বন্ধ কৰাৰ বাবে তেওঁলোকৰ লগত আলোচনা আৰম্ভ কৰিছিল। মাৰ উগ্ৰপন্থী সকলক মূল সূতিলৈ ঘূৰাই অনাৰ বাবে ১৯৯২ চনত প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া ডাঙৰীয়াই শিলচৰ চাৰ্কিট হাউচত বহি তেওঁলোকৰ পুনৰ সংস্থাপনৰ বাবে আৰু তেওঁলোকৰ উন্নয়ণৰ বাবে আলোচনা কৰি এখন বোৰ্ড গঠন কৰি দিছিল। কিন্তু আজি আমি

* Speech not corrected

এই চৰকাৰৰ উগ্ৰপন্থী সকলক মূল সূতিলৈ ঘূৰাই অনাৰ বাবে একো ব্যৱস্থা যে লোৱা নাই সেই বিষয়টোত সন্দিহান হৈ আমি এই কথাবিলাক উত্থাপন কৰিছো। হিতেশ্বৰ শইকীয়া ডাঙৰীয়াই মাৰ উগ্ৰপন্থী সকলৰ সমস্যা সমাধানৰ বাবে যিমান যত্নপৰ হ'ল এই ক্ষেত্ৰত আজি আমাৰ এই চৰকাৰৰ পৰা তেনে কোনো সহাৰি পোৱা নাই। যাৰ কাৰণে আজি সেই উগ্ৰপন্থী সকলে হতাশ হৈ বিভিন্ন বিভাগে বিভাগে গৈ টকা বিচাৰি ঘূৰি ফুৰিছে। সেই কাৰণে আমি জানিব বিচাৰিছো যে চৰকাৰে উগ্ৰপন্থী সকলৰ পুনৰ সংস্থাপনৰ বাবে কি ব্যৱস্থা লৈছে। আজি আমাৰ বৰাক উপত্যকাৰ বিষয়ে আমাৰ মাননীয় সদস্য দিলীপ শইকীয়া ডাঙৰীয়াই কৈছে যে তাৰ হাইলাকান্দি জিলাত পুতুল দেৱ নামৰ মানুহজনক অপহৰণ কৰি নি হত্যা কৰা হৈছে। এই কথাটো বাতৰি কাকতটো আহিছে। আজি উগ্ৰপন্থী সকলে পুনৰ সংস্থাপন নোপোৱাৰ বাবেই এই বোৰ পন্থা হাতত লৈছে।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** ছাৰ, পইন্ট অৱ অৰ্ডাৰ ছাৰ। যিটো বিষয়ৰ ওপৰত আলোচনা হোৱা দৰকাৰ সেই বিষয়টোহে আলোচনা কৰিব লাগে। আপুনি সেই গ্ৰান্টটোৰ ওপৰত আলোচনা কৰক।

* **শ্ৰী বিমলাংশু ৰয় ঃ** ছাৰ, এইটো আদাৰ এক্সপেনদিচাৰ বুলি কৈছে। হেডত ডাইনফালে একো লিখা নাই। আমাৰ কথা কৈছে চৰকাৰৰ বিষয়টো আন্তৰিকতাৰে লৈছে নে নাই। পুনৰ সংস্থাপনৰ কাৰণে ৪ কোটি টকা একো নহয়। আৰু বহুত কোটি টকা দিয়ক আমাৰ আপত্তি নাই। বিপদগামী যিসকল যুৱকে হাতত অস্ত্ৰ তুলি লৈছে সেই সকলক মূল সূতিলৈ ঘূৰাই অনাৰ বাবে চৰকাৰে ব্যৱস্থা লব লাগে। কাৰণ এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰো আঁচনি আছে। কিন্তু এই উগ্ৰপন্থী সকলৰ পুনৰ সংস্থাপনৰ বাবে চৰকাৰে কি কি আঁচনি লৈছে সেইটো আজি মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। বৰাক উপত্যকাতো এতিয়াও, উগ্ৰপন্থী সকলক পুনৰ সংস্থাপন দিব পৰা নাই। যাৰ বাবে আজি পুতুল দেৱক উগ্ৰপন্থীয়ে অপহৰণ কৰি নি হত্যা কৰিছে। মই এই কথাটো এই কাৰণেই কৈছো যে তেখেত আমাৰ দলৰ এজন জ্যেষ্ঠ নেতা আছিল। ছাৰ আমি জানো যে বন্দুকেৰে কোনো সমস্যা সমাধান নহয়। সেই কাৰণে পুনৰ সংস্থাপনৰ কথাটো যেতিয়া আহিছে সেই কাৰণে আমি চৰকাৰৰ পৰা এই সন্দৰ্ভত কি কি ব্যৱস্থা লোৱা হৈছে জানিব বিচাৰিছো।

---

* Speech not corrected

চৰকাৰে যিবোৰ আশ্বাস দি উগ্ৰপন্থী সকলক চাৰেন্দাৰ কৰোৱাইছিল সেইবোৰ পুৰণ কৰিব পৰা নাই। যাৰ বাবে আজি সেইসকল চাৰেন্দাৰ উগ্ৰপন্থীয়ে পুনৰ অহা বাটে ঘূৰি গৈছে। সেই কাৰণে মই আজি আপোনাৰ জৰিয়তে চৰকাৰে চাৰেন্দাৰ উগ্ৰপন্থী সকলৰ বাবে কি কি ব্যৱস্থা হাতত লৈছে এই বিষয়ে জনাব বুলি আশা কৰি মই মোৰ বক্তব্য সামৰিলো।

(Mr. Speaker vacated the Chair and Mr. Dy. Speaker occupied the Chair).

* **শ্ৰী প্ৰেমধৰ বৰা** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ১৯নং গ্ৰান্টৰ পৰিপূৰক মঞ্জুৰীৰ শিতানত ২০০৩-০৪ চনৰ খৰছ নিয়মীয়া কৰণৰ কাৰণে এই দাবী মঞ্জুৰী আনিছে, আমি অনুমোদন জনাইছো। ভিজিলেন্সৰ কাৰ্য্য কলাপ আমি চৰকাৰৰ পৰা জানিব বিচাৰো।

উপাধ্যক্ষ মহোদয়, আপুনি জানে যে আমাৰ সদনত গ্ৰীন হাউচ কেলেংকাৰীৰ সন্দৰ্ভত পি,এ,চিৰ ৰিকামান্দেশ্যন আছে, তাৰ ওপৰত ভিত্তি কৰি যি সকল বিষয়া জড়িত আছিল (আই,এ,এচ, এ,চি,এচ) তাৰ তদন্তৰ কাৰণে মুখমন্ত্ৰী ডাঙৰীয়াই সুভাষ দাসৰ জড়িত কৰি এখন কমিশ্যন গঠণ কৰিলে। তাৰ পিচত মুখ্যমন্ত্ৰীয়ে বিভাগ আৰু হ'ম এণ্ড পলিটিকচ্ বিভাগৰ পৰা ক্লিৰিয়েন্স ললে, তাৰ পিচত পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰীৰ জড়িয়তে মুখ্যমন্ত্ৰীয়ে ভিজিলেন্স চেললৈ যোৱাৰ আদেশ দিলে। যিবিলাক দোষী বিষয়া উপযুক্ত শাস্তি বিধানৰ বাবে ভিজিলেন্স চেলত পৰি থকা এবছৰ হ'ল। ১৯ জন ডি,চি আৰু ভালে কেইজন পি,ডি, ক্ষেত্ৰত হম আৰু পলিটিকেল বিভাগৰ পৰা স্পষ্টীকৰণ লোৱা আজি এবছৰ হ'ল।

উপাধ্যক্ষ মহোদয়, আপোনাৰ আৰু গৃহবিভাগৰ জড়িয়তে মন্ত্ৰী মহোদয়ক আহ্বান জনাওঁ যে ভিজিলেন্সৰ কাম কাজ সোনকালে তদন্ত কৰি সত্য প্ৰতিবেদন দাখিল কৰক আৰু উপযুক্ত তথ্য সদনত দাঙি ধৰক।

* **শ্ৰী হেমেন্দ্ৰ নাথ ব্ৰহ্ম** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, পুনৰ সংস্থাপন আৰু আত্ম সংস্থাপন আঁচনিৰ বাবে ২০০৩-০৪ চনৰ বাবে যি অতিৰিক্ত মঞ্জুৰী ৪ কোটি টকা দাবী উত্থাপন কৰিছে। এইটোত আমাৰ আপত্তি নাই, বৰং

* Speech not corrected

আৰু অধিক টকা বিচাৰিব লাগিছিল, কাৰণ বহুত দিন ধৰি চলি অহা আলফা আৰু চালফাৰ সমস্যা সমাধান নহয়। চাৰেন্দাৰ বি,এল,টি, এক্স,বি,এল,টিক পুনৰ সংস্থাপন দিব পৰা নাই। আগতে চাৰান্দাৰ কৰা চালফা সদস্য সকলে মেইন ষ্টীমলৈ ঘূৰি আহি আশা কৰিছিল যে চৰকাৰে তেওঁলোকৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিব। হয়তো আৰ্থিক দুৰৱস্থাৰ কাৰণে কৰিব পৰা নাই। মই ক'ব বিচাৰিছো যে এই সমস্যাবিলাক অতি বৃহত্তৰ। এই সমস্যাবিলাক গুৰুত্ব সমস্যা হিচাবে লৈ যিমানবিলাক চাৰান্দাৰ আলফা আছে সেইবিলাকৰ ক্ষেত্ৰত অতি সোনকালে সংস্থাপনৰ ব্যৱস্থা হাতত লব লাগে। যদিও বা বি,এল,টিৰ পৰা চাৰান্দাৰ কৰা সদস্য সকলৰ কেচবিলাক এতিয়াও শেষ হোৱা নাই, তথাপিও মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু গৃহমন্ত্ৰী ডাঙৰীয়াই এওঁলোকৰ ক্ষেত্ৰত আৰু বি,এল,টিৰ পুনৰ সংস্থাপনৰ ক্ষেত্ৰত যথেষ্ঠ ইনিচিয়েটিভ ইতিমধ্যে লৈছে তাৰ কাৰণে মই ধন্যবাদ জনাইছো।

আমি আশা কৰিছো এই সকলৰ পুণৰ সংস্থাপনৰ ব্যৱস্থাৰ গতি খিপ্ৰতৰ হোৱা উচিত। যিবিলাক টেন্দাৰ এজন ল'ৰাই হাতৰ বন্দুক এৰি কলম হাতত লৈছে তেওঁলোকে সংস্থান নেপালে পুনৰ অন্য সমস্যাৰ সৃষ্টি কৰিব পাৰে। মই মুখ্যমন্ত্ৰী মহোদয়ক পুনৰ বাৰ অনুৰোধ জনাওঁ যে আগৰ যিবিলাক ল'ৰাৰ কেচ নিস্পতি নহৈ মিচ গাইদেদ হৈ আছে তেওঁলোকৰ লগত আলোচনাৰ মাধ্যমেৰে সমস্যাৰ সমাধান কৰিবলৈ অনুৰোধ জনাইছো। আকৌ বাৰে বাৰে মুখ্যমন্ত্ৰী আৰু গৃহ মন্ত্ৰীক অনুৰোধ জনাও যাতে পুনৰ সংস্থাপনৰ অভাবত সেই ল'ৰাবিলাক যাতে আকৌ জংঘললৈ যাব লগা নহয়। এই ক্ষেত্ৰত চৰকাৰৰ বিশেষ দায়িত্ব আছে।

ইয়াকে কৈ মই কৰ্ত্তন প্ৰস্তাৱ উঠাই লৈ মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি কৰ্ত্তন প্ৰস্তাৱ উইদ্ৰ কৰিছে নেকি?

* **শ্ৰী হেমেন্দ্ৰ নাথ ব্ৰহ্ম ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, হয় মই উঠাই লৈছো।

* **শ্ৰী পবিন্দ্ৰ ডেকা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আৰক্ষী বিভাগৰ ৪ (চাৰি) কোটি টকা ইতিমধ্যে কনটিজেনচি ফাণ্ডৰ পৰা খৰছ কৰা হৈছে। এতিয়া এইটো নিয়মিয়াকৰণ কৰিব লাগে কাৰণে সদনত উত্থাপন কৰিছে।

---

* Speech not corrected

মাননীয় উপাধ্যক্ষ মহোদয়, গৃহ বিভাগৰ ভিজিলেন্স কমিশ্যনৰ বিষয়ে কব বিচাৰিছো, এই কমিশ্যনৰ বিষয়ে বহুতবাৰ আলোচনা কৰা হৈছে। আজিলৈকে মই জনাত ভিজিলেন্স কমিশ্যনৰ দ্বাৰা তেনে বিশেষ কোনো ধৰণৰ দোষীক শাস্তি দিয়াৰ ব্যৱস্থা লোৱা হোৱা নাই। আমাৰ মাননীয় সদস্য শ্ৰী হেমেন্দ্ৰ নাম ব্ৰহ্ম ডাঙৰীয়াই কবলগীয়াখিনি কলেই। যি হওক এইটো এটা চিচটেম। আনুষ্ঠানিকতা পালন কৰা কাৰণে এইবিলাক কৰা হৈছে। ৰাইজে আশা কৰামতে নহয়। অসমত কিছুমান উগ্ৰপন্থী জন্ম হৈছে, তাৰে কিছুমানে চাৰেন্দাৰ কৰিছে। সেই সকলক পুনৰ সংস্থাপন দিবৰ বাবে এখন আঁচনি ৰূপায়ণ কৰিব লাগে। উগ্ৰপন্থীৰ সমস্যাটো এটা আধুনিক দৃশ্য যদিও ই এটা ডাঙৰ সমস্যা। কিছুমান উগ্ৰপন্থীয়ে আদৰ্শ ভিত্তি, কিছুমানে অৰ্থনৈতিৰ সংকটত পৰি আত্মসমৰ্পন কৰিব খুজিছে। কিছুমান ডকা-হকা কৰি সমাজত নিজৰ লাঘৰ কৰিব খুজিছে। আমাৰ ৰাজ্যখনত উগ্ৰপন্থী সংগঠন ১৯৭৯ চনত জন্ম হৈছে। আলফা, বি,এল,টি আদি কৰি বহুতো উগ্ৰপন্থী জন্ম হ'ল। এই উগ্ৰপন্থী সকলৰ আদৰ্শ বিভিন্ন ধৰণৰ। কিছুমান উগ্ৰপন্থীৰ আদৰ্শ নিম্নগামী হোৱা কাৰণে ১৯৯২ চনত তেতিয়াৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ দিনত প্ৰথমে ৬০০০ হেজাৰ উগ্ৰপন্থীয়ে আত্মসমৰ্পন কৰিছে। যি সকলে আত্মসমৰ্পন কৰিলে তাৰ ভিতৰত কিছুমানক বাচি বাচি নেতা দিয়ে; তেওঁলোকে সেই সুবিধা লাভ কৰিছে। তলৰ খাপৰ কিছুমানে দুখ কৰি কয় আমি একো সুবিধা নাপাওঁ। এই আত্মসমৰ্পনকাৰী সকলক আৰক্ষী বিষয়াসকলে যিকোনো কামত জড়িত কৰি আছে। এটা পন্থাৰ পৰা আনি আন এটা ২ নং বেয়া পন্থাত জড়িত কৰিছে। আত্মসমৰ্পনকাৰী সকলৰ আৰক্ষী অধীক্ষকৰ অফিচ, থানাআদিত ৰাখে আৰু তেওঁলোকক বিভিন্ন সময়ত অপৰাধীৰ ওচৰলৈ লৈ যায় কাৰোবাৰ ঘৰ দেখুৱাবলৈ আৰু কেতিয়াবা কাৰোবাক চিনাক্তকৰণ কামত লগায়। এই কথা আমি বাৰে বাৰে কৈ আছো যিসকল উগ্ৰপন্থী মূল সূতিলৈ ঘূৰি আহিছে তেওঁলোকে সমাজত খাপ খাব পৰাকৈ ব্যৱসায় বাণিজ্য বা চাকৰি বাকৰি আদিত সুবিধা দি সহায় কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ নেতা সকলৰ লগত ৪-৫ জনকৈ পি,এচ,অ' দিছে। কাৰণ তেওঁলোকৰ টকা পইচা বেছি আছে। আত্মসমৰ্পন

কাৰীসকলে এসময়ত কি পৰিস্থিতি সৃষ্টি কৰিছিলে সেই কথা আমাৰ সকলোৰে মনত আছে। আমাৰ সকলোৰে জ্ঞাত। যি সকলক পি,এচ,অ' নিদিলে নহয় তেওঁলোকৰ হাতত অস্ত্ৰ ৰাখিব নোৱাৰে যি সকলৰ পি,এচ,অ' আছে সেই সকলৰ হাতত আগ্নেয়াস্ত্ৰ আছে। তেওঁলোকৰ কিছুমানৰ পৰা একো সমস্যা সমাধান নহয়। সমাজত বিশৃঙ্খল সৃষ্টি কৰিছে। এই কাৰণে মই আবেদন জনাইছো। এই কথাবিলাক চাব লাগে। যদি এইবিলাক কথা চোৱা নাযায় তেতিয়াহলে এই "চাৰেন্দাৰ" সকলৰ মাজৰ বহুতো "চাৰেন্দাৰ" হতাশাগ্ৰস্ত হোৱা দেখা গৈছে। মাননীয় উপাযুক্ত মহোদয়, এই সকলৰ কাৰণে পুনৰবাৰ বিবেচনা কৰি চাবৰ বাবে মই অনুৰোধ জনালো। তেওঁলোকক সংস্থাপন দিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, ৪ (চাৰি) কোটি টকা অতিৰিক্ত খৰছ কৰিছে এই টকাখিনি বিভাগটোৰ কাৰণে যথেষ্ট নহয়। কেন্দ্ৰীয় চৰকাৰে এই সকলৰ কাৰণে আৰু কিমান কোটি টকা দিয়ে আমি জানিব বিচাৰিছো। কেন্দ্ৰীয় চৰকাৰে 'চাৰেন্দাৰ' সকলৰ কাৰণে কি ব্যৱস্থা লৈছে? পুনৰ সংস্থাপনৰ কাৰণে কিমানৰ চাকৰি দিয়া হ'ল? যি সকলক চাকৰি দিব পৰা নাই তেওঁলোকক ব্যৱসায় বাণিজ্যৰ কাৰণে সুবিধা কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু কিছুমানক সৎকামত খটুৱাব লাগে। এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱ উঠাই লৈছো।

* **ডঃ ইদ্ৰিছ আলি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, গৃহ বিভাগৰ গ্ৰান্ট নং ১৯ত বিৰোধী পক্ষই যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে তাত মই আঁচৰিত হৈছো। আমাৰ বিৰোধী সদস্যসকলে সদায় এটা কথাকে কৈ থাকে, কাগজে পত্ৰেও কয়, বিধান সভাতো কয় যে চৰকাৰখনে কাৰো কাৰ্য্যক্ষম কৰি তুলিব পৰা নাই আনকি অসমৰ জনসাধাৰণকো নিৰাপত্তা দিব পৰা নাই। তেওঁলোকে আজি কিছু টকাৰ চাপলিমেন্টৰী বাজেট অনাৰ কাৰণে কৰ্ত্তন প্ৰস্তাৱ আনিছে। মই ভাবো তেখেত সকলে এই টকাতো কম হৈছে বুলি কব লাগে আৰু ইয়াতকৈ অধিক টকা ধাৰ্য্য কৰি পুলিচ বিভাগটো শক্তিশালী কৰি তুলিব লাগে। কাৰণ আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যোৱা কালি তেখেতৰ ভাষণত কৈছে যে আমি পুলিচ বিভাগটো শক্তিশালী কৰি তুলিবৰ কাৰণে যি হিচাবে আৰ্মচ্,

* Speech not corrected

এমুনেচন ক্রয় কৰিব লাগে বা থানা ইত্যাদি স্থাপন কৰিব লাগিছিল সেইটো কৰিব পৰা নাই ধনৰ অভাৱত। বৰ্তমান আমাৰ জনপ্ৰিয় চৰকাৰে বিভিন্ন চোৰ্চৰ পৰা ৰাজহ সংগ্ৰহ কৰি এই পুলিচ বিভাগটো শক্তিশালী কৰি তুলিবলৈ চেষ্টা কৰিছে। আমাৰ সৰু ভাই সকলে তেনেকুৱা ধৰণৰ এটা আন্দোলন গঢ় দিছিল আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে তেখেত সকলৰ লগত আলোচনা কৰি মূল সূতিলৈ ঘূৰাই আনিছে। সেই সকলৰ কাৰণে বেলেগ বেলেগ তিনিখন জিলা কৰা হৈছে। সেই জিলা বিলাকতো পুলিচ বাহিনী অধিক কৰিব লাগে। তাৰ কাৰণেও আমাৰ চৰকাৰে অধিক টকা খৰচ কৰিবলগীয়া হৈছে। আমাৰ বিৰোধী দলৰ সদস্য সকলে ইয়াৰ কাৰণে আৰু অধিক টকা দিয়াৰ কাৰণে দাবী কৰিলে ভাল পালোহেঁতেন। মাননীয় সদস্য পবিন্দ্ৰ ডেকাই আলফাৰ পৰা চাৰেন্দাৰ কৰা সকলৰ সা-সুবিধা দিয়াত ব্যৰ্থ হৈছে বুলি যিটো কথা কৈছে মই তাৰ বিৰোধীতা কৰি ক'ব বিচাৰিছো যে আগৰ চৰকাৰতকৈ বৰ্তমান চৰকাৰৰ দিনত বহুত বেচি উগ্ৰপন্থী মূল সূতিলৈ ঘূৰি আহিছে। সেই চাৰেন্দাৰ কৰা লোক সকলক ঠিকা, চাকৰি, গাড়ীৰ লাইচেন্স আদি দি বিভিন্ন ধৰণে সংস্থাপিত কৰিবলৈ লৈছে। এই কথা বিলাকৰ কাৰণে বিৰোধী দলৰ সদস্য সকলে যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে সেইটো উঠাই লব লাগে। আলফাৰ লগত আলোচনাত বহাৰ কাৰণে অসম চৰকাৰ ব্যৰ্থ হোৱা বুলি যিটো কথা কোৱা হৈছে সেই সম্পৰ্কত মই ক'ব বিচাৰিছো আমি যোৱা কালি বিধান সভাত সৰ্বসন্মতি ক্ৰমে এটা প্ৰস্তাৱ লৈছো যে সেই সকলক আলোচনাৰ মেজলৈ আনিব লাগে। কিন্তু সাৰ্বভৌমত্বৰ লগত প্ৰি'কণ্ডিচন হোৱাৰ কাৰণে এটা বাধাৰ সৃষ্টি হৈছে। কাৰণ এখন গণতান্ত্ৰিক চৰকাৰে কেতিয়াও সাৰ্বভৌমত্বৰ ওপৰত আলোচনা কৰিব নোৱাৰে। সাৰ্বভৌমত্বৰ ক্ষেত্ৰত আলোচনা কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে কেতিয়াও অনুমতি নিদিয়ে আৰু সেইটো এলাউ নকৰে। ইয়াৰ বাহিৰে আমাৰ অসম চৰকাৰেই হওঁক বা কেন্দ্ৰীয় চৰকাৰেই হওঁক তেওঁলোকৰ লগত যি কোনো ক্ষেত্ৰতেই আলোচনা কৰিবলৈ প্ৰস্তুত আছে। আমাৰ লেখিকা মামনি ৰয়চম গোস্বামীয়ে আলফা বা পৰেশ বৰুৱাৰ লগত টেলিফোনিক আলোচনাৰ পিচত আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰ বা প্ৰধান মন্ত্ৰীৰ লগত আলোচনা

কৰিছে আৰু প্ৰধান মন্ত্ৰী কাৰ্য্যালয়ৰ পৰা আলফাৰ লগত আলোচনা কৰাৰ কাৰণে এখন চিঠি পঠিওৱা হৈছে। গতিকে আলফাৰ লগত আলোচনা কৰাৰ কাৰণে আমাৰ সদ্ ইচ্ছাৰ অভাব হোৱা নাই। আমাৰ গৃহ ৰাজ্য মন্ত্ৰী ডাঙৰীয়া সদনত উপস্থিত আছে। আমাৰ চৰকাৰে চাপলিমেন্টৰী বাজেটত যিটো টকা ধৰিছে আৰু উঠাই লোৱাৰ কাৰণে মই বিৰোধী পক্ষৰ মাননীয় সদস্য সকলক অনুৰোধ জনাইছো। আজি গ্ৰেট বৃটেইন, আমেৰিকা আদি দেশত পুলিচ বাহিনীক যেনেদৰে শক্তিশালী কৰি গঢ়ি তোলা হৈছে আমাৰ ৰাজ্যখনত তেনেদৰে আমি পুলিচ বাহিনীক শক্তিশালী কৰি গঢ়ি তুলিব পৰা নাই। পুলিচ বাহিনীক কাৰ্য্যক্ষম কৰি গঢ়ি তোলাৰ কাৰণে আৰু ভিজিলেন্স কমিচনৰ কাৰণে যিটো টকা ধৰা হৈছে তাতকৈও বেছি টকা দিব লাগে আৰু সেই বিলাক ক্ষেত্ৰত অধিক গুৰুত্ব দিব লাগে। চৰ অঞ্চল আৰু যিবিলাক হাবি বননিৰে ভৰা দূৰ্গম অঞ্চল আছে সেই বিলাক অঞ্চলত থানা বা আউট পোষ্ট স্থাপন কৰাৰ ব্যৱস্থা কৰি পুলিচ বাহিনীতো অধিক শক্তিশালী কৰি গঢ়ি তুলিবৰ কাৰণে মই মাননীয় গৃহ ৰাজ্য মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। মই বিৰোধী দলৰ সদস্য সকলক আমাৰ লগত সহযোগিতা কৰাৰ কথা কৈছো। আপোনালোকে আলফা সমস্যাতো কংগ্ৰেছৰ দিনত সৃষ্টি হোৱা বুলি কৈছে। কিন্তু মই বাৰে বাৰে ক'ব বিচাৰিছো যে আলফা সমস্যাতো কংগ্ৰেছে সৃষ্টি কৰা সমস্যা নহয়। মই ভাবো অসমৰ ছয় বছৰীয়া আন্দোলনৰ ফলশ্ৰুতিতেই এই উগ্ৰপন্থী সমস্যাটোৰ সৃষ্টি হৈছে। ১৯৮৫ চনত যেতিয়া অ,গ,প চৰকাৰ শাসনত আছিল তেতিয়া সেই চৰকাৰে এই উগ্ৰপন্থী সকলক দমন কৰিব নোৱাৰাৰ কাৰণেই কেন্দ্ৰীয় চৰকাৰে তেতিয়াৰ চৰকাৰ খন ভঙ্গ কৰি ৰাষ্ট্ৰপতিৰ শাসন জাৰি কৰিছিল। কালি বিধান সভাৰ মজিয়াত এই উগ্ৰপন্থী সমস্যাতো কংগ্ৰেছে সৃষ্টি কৰিছে বুলি কোৱাত মই অতিশয় লাজ পাইছো। তেখেত সকলৰ দিনতেই আলফাই গা-কৰি উঠিছিল। তেখেত সকলে তেওঁলোকৰ দমন কৰাৰ কাৰণে কোনো ধৰণৰ বাধা আৰোপ কৰা নাছিল। এতিয়া হয়তো কৰবাত দুই এটা বোমা ফুটিব পাৰে। তাৰ কাৰণে আমি সন্তম। বিৰোধী সদস্য সকলে মাছ বজাৰলৈ গলে, শাক-পাচলি কিনিবলৈ গলে, চিটি বাছত গলে পুলিচে জনসাধাৰণক অতিশয্যা চলোৱা বুলি কয়। কিন্তু যেতিয়া কৰবাত বোমা ফুটিব বা হত্যাকাণ্ড সংঘটিত হ'ব তেতিয়া বাতৰি কাকতত

লিখিব চৰকাৰে এই বিলাক ক্ষেত্ৰত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। এফালে তেওঁলোকে চৰকাৰক ক'ব মানুহে বজাৰ কৰিব নোৱাৰে, চিটি বাছত যাব নোৱাৰে আৰু আনফালে ক'ব উগ্ৰপন্থীয়ে মানুহ হত্যা কৰিছে। তেওঁলোকে কৈছে চৰকাৰে আলফা দমন কৰিব পৰা নাই। এই সমস্যা বিলাকৰ সন্দৰ্ভত আপোনালোকে আমাৰ লগত আলোচনাত বহক। আমি আপোনালোকৰ সহযোগিতা বিচাৰিছো। ভিজিলেন্স কমিচনৰ ওপৰত যিটো চাপলিমেন্টৰী ডিমাণ্ড অনা হৈছে সেইটোত মাত্ৰ ৪ কোটি টকাহে ধৰা হৈছে। এই ৪ কোটি টকাৰ পৰাও কৰ্ত্তন কৰাৰ কাৰণে বিৰোধী দলৰ সদস্য সকলে কৰ্ত্তন প্ৰস্তাৱ আনিছে। মোৰ বোধেৰে এই শিতানত ৪ কোটিতকৈও অধিক টকা ধাৰ্য্য কৰিব লাগিছিল। এই ৪ কোটি টকাৰ ক্ষেত্ৰত তেওঁলোকে কি কাৰণে কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে ক'ব নোৱাৰো। আকৌ তেওঁলোকে কৈছে ভিজিলেন্স চেলত যিবিলাক ব্যৱস্থা আছে সেই বিলাক নিস্ক্ৰিয় হৈছে। সেই কাৰণেই এই ৪ কোটি টকা ধৰা হৈছে। ভিজিলেন্স সক্ৰিয় কৰি তোলাৰ কাৰণে ৪০০ কোটি টকা ধৰিব লাগে বুলি আপোনালোকে ক'ব লাগিছিল। আপোনালোকে ভিজিলেন্স চেলতো শক্তিশালী কৰি গঢ়ি তুলিবৰ কাৰণে ক'ব লাগিছিল। আপোনালোকে এই টকাৰ পৰা আৰু কমাব বিচাৰিছে মই তাৰ কোনো যুক্তিযুক্ততা বিচাৰি পোৱা নাই। আপোনালোকে যিবিলাক পৰামৰ্শ আগবঢ়াইছে তাৰ কাৰণে আপোনালোকক ধন্যবাদ জনাইছো। ভিজিলেন্স চেলৰ উপৰিও পুলিচ বিভাগটোৱে অসমৰ নাগৰিকক নিৰাপত্তা দিব পৰা নাই বুলি আপোনালোকে কৈছে। সেই কাৰণে আৰু অধিক টকা এই শিতানত বৃদ্ধি কৰিব লাগে। মই আমাৰ বিৰোধী দলৰ সদস্য সকলক অনুৰোধ জনাইছো যে আপোনালোকে আমাৰ লগত সহমত প্ৰকাশ কৰক আৰু এই টকাতো বিধান সভাত গৃহিত কৰাৰ কাৰণে আপোনালোকক অনুৰোধ জনাই মোৰ বক্তব্যৰ ইমানতেই সামৰণি মাৰিলো।

(Mr. Speaker occupied the chair Mr. Dy. Speaker vacated the Chair)

* শ্ৰী ৰকিবুল হুচেইন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আত্ম সমৰ্পনকাৰী উগ্ৰপন্থী সকলক পুনৰ সংস্থাপন দিয়াৰ কাৰণে আৰু ভিজিলেন্স চেলতো

* Speech not corrected

শক্তিশালী কৰি গঢ়ি তোলাৰ কাৰণে গ্ৰেন্ট নং ১৯ত যিটো পৰিপূৰক দাবী মঞ্জুৰী উত্থাপন কৰা হৈছে সেই পৰিপূৰক দাবী মঞ্জুৰীৰ ওপৰত বিৰোধী দলৰ মাননীয় সদস্য সকলে কৰ্ত্তন প্ৰস্তাৱ আনিছে আৰু এজন বিৰোধী দলৰ মাননীয় সদস্যই কৰ্ত্তন প্ৰস্তাব উঠাই লৈছে। কেইজনমান মাননীয় সদস্যই কেইটা মান পজিটিভ কথা কৈছে। মাননীয় বিৰোধী দলৰ সদস্য সকলে তেওঁলোকৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ সুবিধা দিয়াৰ কাৰণে তেখেত সকলক মই ধন্যবাদ জনাইছো। আমাৰ বক্তব্য শুনাৰ পিচত তেখেত সকলক মই কৰ্ত্তন প্ৰস্তাৱ উঠাই লোৱাৰ কাৰণে অনুৰোধ জনাইছো। মই প্ৰথমতে এটা কথা ক'ব বিচাৰিছো যে আজি আমি যি চাৰি কোটি টকা লব বিচাৰিছো সেই টকাতো কনটিনজেঞ্চি ফাণ্ডৰ পৰা এডভাঞ্চ অনা হৈছিল। এইটো কেৱল নিয়মীয়া কৰাহে হ'ল। মাননীয় সদস্য প্ৰেমধৰ বৰা ডাঙৰীয়াই ভিজিলেন্স চেলৰ কথা কৈছিল। আত্ম সমৰ্পনকাৰী উগ্ৰপন্থী সকলক সংস্থাপন দিয়াৰ কাৰণে ব্যৱস্থা ৰখা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, সংস্থাপন দিয়াৰ কাৰণে আমি ৰখিবলগীয়া হৈছে। ভিজিলেন্সৰ কথাটো ইয়াত নাহে। মাননীয় সদস্য সকলে গ্ৰীন হাউচ কেলেংকাৰীৰ কথা উত্থাপন কৰিছে। সেই সম্পৰ্কে জনাব খুজিছো গ্ৰীন হাউচ কেলেংকাৰীৰ ভিজিলেন্সত তদন্ত কৰিবলৈ দিছে মুখ্যমন্ত্ৰী মহোদয়ে। মই সদনক জনাবলৈ পাই সুখী হৈছো এই তদন্তৰ কাম চলি আছে আৰু তিনি মাহৰ ভিতৰত তদন্তৰ কাম সম্পূৰ্ণ কৰিবলৈ আমি নিৰ্দ্দেশ দিছো। অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰি মাননীয় সদস্য দিলীপ শইকীয়া ডাঙৰীয়াই কেইটামান কথা উত্থাপন কৰিছে। তেখেতে কৈছে যে কিছুমান আত্মসমৰ্পনকাৰী লোকক দুহেজাৰমান টকা দিয়াৰ কথা আছিল, বহুতে সেই টকা নোপোৱাৰ অভিযোগ আনিছে। আত্মসমৰ্পনকাৰী যি সকল কেম্পত থাকে তেওঁলোকক এমাহৰ কাৰণে দুহেজাৰ টকা দিয়াৰ ব্যৱস্থা আছিল। যদি কোনোবাই কেম্পত থাকিও দুহাজাৰ টকা নোপোৱাকৈ আছে তেন্তে মই নিশ্চয় চাম। আমি আত্মসমৰ্পনকাৰী সকলক এতিয়া বেংক একাউন্টৰ জৰিয়তেহে টকা দিয়াৰ ব্যৱস্থা কৰিছো। মাননীয় সদস্য সকলে শুনি ভাল পাব মাননীয় সদস্য শইকীয়া আৰু ডেকাই কৈছে যে আত্মসমৰ্পনকাৰী

সকলে কিছুমানে অস্ত্র হাতত লৈছে আৰু কিছুমানে বেয়া কামত লিপ্ত হৈছে আৰু অসামাজিক কামৰ আশ্ৰয় লৈছে। আপোনালোক সুখী হ'ব যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই লোকসকলৰ সংস্থাপনৰ কাৰণে ইতিমধ্যে আঁচনি প্ৰস্তুত কৰি কেন্দ্ৰলৈ পঠিয়াইছে। অসম চৰকাৰে পি,চি, শৰ্মাৰ নেতৃত্বত কিছু আঁচনি প্ৰস্তুত কৰি যোৱা আগষ্ট মাহতে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছে। মুখ্যমন্ত্ৰীয়ে ইয়াকো কৈছে যে জম্মু আৰু কাশ্মীৰত আত্মসমৰ্পনকাৰী সকলক যি ধৰণে অন্যান্য সা-সুবিধা দিয়ে আমাৰ ইয়াতো তেনে ব্যৱস্থা কৰিব লাগিব। মাননীয় সদস্য পবিন্দ্ৰ ডেকাই কিছু কিছু আত্মসমৰ্পনকাৰী লোকে বেয়া কামত লিপ্ত হৈছে। কিন্তু আমাৰ চৰকাৰ অহাৰ পিচত আমি চাইছো এনে ৰাজহুৱা অভিযোগ প্ৰায়ে নাইকীয়া হৈছে। মই সদনত সজোৰে ক'ব বিচাৰিছো যে আত্মসমৰ্পন লোকে যদি অসামাজিক কামত লিপ্ত হয় চৰকাৰে তেওঁলোকক কঠোৰ হাতেৰে দমন কৰিব। দুজন মাননীয় সদস্যই কৰ্ত্তন প্ৰস্তাৱৰ লগত যদি সম্পৰ্ক নাই পুতুল দেৱৰ হত্যাকাণ্ডৰ কথা উল্লেখ কৰিছে, আমাৰ চৰকাৰে অনুসন্ধান কৰিবলৈ চি,বি,আইক ইতিমধ্যে অনুৰোধ জনাইছে।

* **শ্ৰী বিমলাংশু ৰয় ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰতুল দেৱৰ হত্যা কৰাৰ কথা কোনেও কোৱা নাই হত্যা হৈছে নে নাই আমি নাজানো গতিকে এইটো হত্যা বুলি ক'ব নোৱাৰি।

* **শ্ৰী ৰকিবুল হুচেইন (মন্ত্ৰী) ঃ** হত্যা শব্দটো মই উঠাই লৈছো অপহৰণ বুলিয়েই কৈছো। এই অপহৰণৰ বিষয়টো চি,বি,আইৰ অসম চৰকাৰে ভাৰত চৰকাৰক ইতিমধ্যে অনুৰোধ কৰিছে। মাননীয় সদস্য শইকীয়াই আত্মসমৰ্পনকাৰী সকলৰ সংস্থাপনৰ কাৰণে ৪ কোটি টকা কম হোৱা বুলি কৈছে কিন্তু ৯ কোটি টকা ইতিমধ্যে সাধাৰন বাজেটত ধৰা হৈছে। গতিকে তেখেতক কোৱাৰ দৰেই এহেজাৰ কোটি টকা প্ৰায় হৈছেই। আত্মসমৰ্পনকাৰী সকলক লোণ দিয়াৰ ক্ষেত্ৰত যদি তেখেতৰ কিবা নিৰ্দ্দিষ্ট অভিযোগ আছে জনালে আমি নিশ্চয় সেইমতে ব্যৱস্থা লম।

* **শ্ৰী পবিন্দ্ৰ ডেকা ঃ** অধ্যক্ষ মহোদয়, আত্মসমৰ্পনকাৰী সকলক এতিয়ালৈকে কিমান লোণ দিয়া হৈছে আৰু কিমান ঘূৰাই পাইছে আমাক জনাব নেকি?

* Speech not corrected

* **শ্ৰী ৰকিবুল হুচেইন (ৰাজ্যিক মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, এতিয়াই জনাব পৰাকৈ মোৰ হাতত তথ্য নাই আমাৰ হাতত থকা তথ্যমতে এতিয়ালৈকে ১২ হাজাৰ সন্ত্ৰাসবাদীয়ে আত্মসমৰ্পন কৰিছে আৰু তাৰে সাত হাজাৰমান লোণ দিয়াৰ ব্যৱস্থা হৈছে। দুহেজাৰ টকা দিয়াৰ ব্যৱস্থাটো বি,এল,টি সকলক ক্ষেত্ৰতো আছে। যদিও আৰম্ভণীতে আত্মসমৰ্পনকাৰী সকলক লোণ দিয়াৰ আঁচনি নাছিল তেওঁলোক যিহেতু মূল সূতিলৈ ঘূৰি আহিছে জম্মু আৰু কাশ্মীৰৰ নিচিনাকৈ তেওঁলোকৰ ক্ষেত্ৰত এই ব্যৱস্থা কৰা হৈছে।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া** ঃ অধ্যক্ষ মহোদয়, ১৯৯৫ চনৰপৰা যি সকলে আত্মসমৰ্পন কৰিলে তেওঁলোকৰ দুইলাখ টকাকৈ ঋণ দিয়া হৈছিল। সেই বাবে সূতে মূলে বেংকৰ কিমান টকা দিব লগীয়া হৈছে চৰকাৰে জনাবনে?

* **শ্ৰী ৰকিবুল হুচেইন (ৰাজ্যিক মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, এতিয়াই সবিশেষ তথ্য মোৰ হাতত নাই আপোনাক মই পিচত জনাব পাৰিম। যি সকলে চাৰেন্দাৰ কৰি সামাজিক ভাবে মূলসূতিলৈ ঘূৰি আহিছে তেওঁলোকক আমি আন্তৰিকতাৰে গ্ৰহণ কৰিছো আৰু কৰিম। আৰু তেওঁলোকৰ কাৰণে স্বাভাৱিক জীৱন যাপনৰ বাবে বাস্তৱ সন্মত ব্যৱস্থা কিবা লবপৰা হ'লে লোৱাৰ চেষ্টা কৰিম। কিন্তু মই পুনৰ দোহাৰিছো তেওঁলোক যদি অসামাজিক কামত লিপ্ত হয় তেওঁলোকক কঠোৰ হাতেৰে দমন কৰা হ'ব।

* **শ্ৰী হেমেন্দ্ৰ নাথ ব্ৰহ্ম** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে যি সকল প্ৰাক্তন বি,এল,টি সদস্য, তেওঁলোকৰ বিৰুদ্ধে যি কেচ আছিল সেই বিলাক এতিয়াও উইড্ৰ কৰা নাই, সেয়ে পুলিচে তেওঁলোকক মাজে মাজে বিচাৰি ফুৰিছে। কিছুমানে তাৰে শাসনৰজৰীও ধৰিছে। যিমান সোনকালে পৰা যায় সেই কেচ বিলাক উইড্ৰ কৰাৰ ব্যৱস্থা কৰিবনে? আবছুৰেও এতিয়া আন্দোলন পৰিহাৰ কৰিছে গতিকে তেওঁলোকৰ বিৰুদ্ধেও যি বিলাক কেচ আছে সেই বিলাক উইড্ৰ কৰিব লাগে।

* **শ্ৰী ৰকিবুল হুচেইন (ৰাজ্যিক মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, চুক্তিত যি খিনি কথা সন্নিবিষ্ট কৰা আছে সেইখিনি নিশ্চয় পালন কৰিবলৈ চেষ্টা কৰা হ'ব।

* **শ্ৰী বিমলাংশু ৰয়** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰাক্তন মুখ্যমন্ত্ৰী মাননীয় হিতেশ্বৰ

---

* Speech not corrected

শইকীয়া ডাঙৰীয়াৰ দিনত শিলচৰ আৰৰ্ত্ত ভৰনত মাৰ উগ্ৰপন্থী সকলক লৈ কাউন্সিল ঘোষণা কৰিছিল। এতিয়া সেইটোৰ কোনো অস্তিত্বই নোহোৱাৰ নিচিনা হৈছে। সেই চুক্তিখন কি হ'ল মন্ত্ৰী মহোদয়ে জনাবনে?

* **শ্ৰী ৰকিবুল হুছেইন (ৰাজ্যিক মন্ত্ৰী) ঃ** তাৰ কাৰণেও ৯ লাখ টকা ধাৰ্য্য কৰা হৈছে বাকী বিষয়টো পৰীক্ষা কৰি চাম।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিভিন্ন সময়ত উগ্ৰপন্থী সকলে 'মক' চাৰেন্দাৰ কৰে। ১৯৯৫ চনৰ পৰা ১৯৯৭ চনৰ ভিতৰত এনে বহুত আত্মসমৰ্পনকাৰী আছে, কেতিয়াবা কেতিয়াবা সামৰিক বিষয়া সকলে প্ৰমোশ্যনৰ কাৰণেও এই কাম কৰায়। মই মন্ত্ৰী মাহোদয়ৰ পৰা জানিব বিচাৰিছো এনেকৈ ডাবল্ চাৰেন্দাৰ হৈছে নেকি? যদি তেনে হৈছে তেন্তে মন্ত্ৰী মহোদয়ে ব্যৱস্থা লবনে?

* **শ্ৰী ৰকিবুল হুচেইন (ৰাজ্যিক মন্ত্ৰী) ঃ** মই নিশ্চয় কথাটো পৰীক্ষা কৰি চাম। তথাপি নিৰ্দ্দিষ্ট তথ্য যদি তেখেতৰ হাতত আছে দিলে তদন্ত কৰি চাব পৰা যাব। লগতে মাননীয় ৰয় ডাঙৰীয়াই কোৱা কথাটোৰ প্ৰসঙ্গত কওঁ এইটো পৰীক্ষা কৰি চোৱা হ'ব।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** অধ্যক্ষ মহোদয়, উগ্ৰপন্থী সকলৰ যি সকলে ইতিমধ্যে আত্মসমৰ্পন কৰিছে তেওঁলোকে আকৌ চৰকাৰৰ সদ্দিচ্ছাৰ অভাৱত জংঘললৈ যাব বিচাৰিছে। কথাটো বাতৰি কাকতত পাইছো। এই ক্ষেত্ৰত বড়ো উগ্ৰপন্থী সকলে বেছি আগ্ৰহ প্ৰকাশ কৰিছে বুলি ওলাইছে কথাটো কি আমি জানিব বিচাৰিছো।

* **শ্ৰী ৰকিবুল হুচেইন (ৰাজ্যিক মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমি চুক্তিমতে ব্যৱস্থা কৰি আছো। ফাণ্ড মুকলি সেই ধৰণে কৰা হৈছে।

* **শ্ৰী হেমেন্দ্ৰ নাথ ব্ৰহ্ম ঃ** অধ্যক্ষ মহোদয়, বড়ো উগ্ৰপন্থী বুলি কলে দুখ পাব কাৰণ সকলো বড়োৱেই উগ্ৰপন্থী নহয়। সন্ত্ৰাসবাদী সন্ত্ৰাসবাদীয়েই।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** বাতৰি কাকত যোগে তেওঁলোকে দুখ প্ৰকাশ কৰিছে, চুক্তিমতে তেওঁলোকে সা সুবিধা পোৱা নাই বুলি সেই কাৰণেই জংঘললৈ যাব বিচাৰিছে। উগ্ৰপন্থী বুলি কৈছো বড়ো বুলি নকওঁ।

---

* Speech not corrected

* **শ্ৰী পানীৰাম ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আত্মসমৰ্পনকাৰী বড়ো বা আলফা বা যিয়েই হওক যি সকল মূলসূতিলৈ ঘূৰি আহিছে চৰকাৰৰ উদ্দেশ্য হ'ব লাগে তেওঁলোকক স্থায়ী সংস্থাপন দিয়া। আমি জনাত অসম চৰকাৰে সেই সন্ত্ৰাসবাদী সকলৰ স্থায়ী সংস্থাপনৰ কাৰণে এটা প্ৰস্তাৱ প্ৰেৰণ কৰিছে সেই প্ৰস্তাৱ মৰ্মে তেওঁলোকক বেটেলিয়ান, বি,এচ,এফ, আৰ্মি আদিত নিযুক্তি দিয়াৰ কাৰণে। তেওঁলোকৰ সংস্থাপনৰ স্বাৰ্থত এই ব্যৱস্থা সোনকালে কাৰ্য্যকৰী কৰিবনে?

* **শ্ৰী ৰকিবুল হুচেইন (ৰাজ্যিক মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ লগত চুক্তি কৰা মতে, এহাজাৰ বি,এল,টি সদস্য বেটেলিয়ানত সংস্থাপন দিয়াৰ কথা। আমাৰ গোস্বামী ডাঙৰীয়াই কোৱা কথাটো সঁচা নহয় ভূৱা বাতৰি ন্যস্ত স্বাৰ্থই প্ৰকাশ কৰিছে গতিকে মই মাননীয় সদস্য সকলৰ কৰ্ত্তন প্ৰস্তাৱ উঠাই লবলৈ অনুৰোধ কৰিলো।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মই উইড্ৰ কৰিছো। বোমা বিস্ফোৰণ বন্ধ কৰিব নোৱাৰিলেও আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে ঘটনাস্থলী লগে লগে পৰিদৰ্শন কৰে তাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো।

* **শ্ৰী ৰকিবুল হুচেইন (ৰাজ্যিক মন্ত্ৰী) ঃ** ময়ো ব্যক্তিগতভাৱে ধন্যবাদ জনাইছো শইকীয়াদেৰক।

**Mr. Speaker :** Now, Shri Bimolangshu Roy, Shri Rameswar Teli, Shri Sushil Dutta, Shri Mission Ranjan Das, Shri Ranjit Dutta, Shri Kali Ranjan Deb, Shri Dinesh Chandra Sarkar, Shri Parimal Suklabaidya, Shri Pabindra Deka, Shri Brindaban Goswami, Dr. Zoii Nath Sarma, Shri Dilip Kr. Saikia, Shri Bhupen Roy, Shri Jagadish Bhuyan, Shri Phani Bhushan Choudhury, Shri Prabin Gogoi, Smt. Pramila Rani Brahma, Shri Hemendra Nath Brahma, Shri Matindra Basumatary and Shri Karendra Basumatary. Will you withdraw your Cut Motion?

Is it the pleasure of the House to grant leave to withdraw the Cut Motions?

---

* Speech not corrected

With the leave of the House the Cut Motions are withdrawn.

I now, put the motion before the House.

The Motion is that an additional amount of Rs. 400.00 lakhs be granted to the Minister in charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 2005 in connection with 'Vigilance Commission and others'.

Those who are in favour say, 'Ayes'

Those who are against, say, 'Noes'

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

The Motion is passed. The Grant No. 19 is passed.

**Grant No. 62 :** Hon'ble Minister, Power to move.

**Shri Pradyut Bordoloi (Minister of State, Power) :** Sir, I beg to move that an additional amount of Rs. 20788.00 lakhs be granted to the Minister in Charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 2005 in connection with 'Power (Electricity)'.

**Mr. Speaker :** There are 4 (four) cut motion notices in this grant standing in the name of (1) Shri Bimolangshu Roy, Shri Rameswar Teli, Shri Sushil Dutta, Shri Mission Rn. Das, Shri Ranjit Dutta, Shri Kali Rn. Deb. Shri Dinesh Ch. Sarkar, Shri Parimal Suklabaidya, (2) Shri Pabindra Deka, (3) Shri Brindaban Goswami, Dr. Zoii Nath Sarma, Shri Dilip Kr. Saikia, Shri Bhupen Roy, Shri Jagadish Bhuyan, Shri Pani Bhushan Choudhury, Shri Prabin Gogoi and (4) Smt. Pramila Rani Brahma, Shri Biswajit Daimary, Shri Rahon Daimary, Smt. Kamali Basumatary, Shri Tiken Basumatary.

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী :** মাননীয় অধ্যক্ষ মহাশয়, ২০০৪ আৰু ২০০৫ চনৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ৯১, ৯২ পৃষ্ঠাত থকা শক্তি শিতানৰ ৬২ নম্বৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ২০৭৮৮

* Speech not corrected

লাখ টকাৰ পৰা ১০০ টকা হ্রাস কৰা হওক অর্থাৎ সমদায় বন পৰিপূৰক দাবী মঞ্জুৰীৰ ২০৭৮৮.০০ লাখ টকা ১০০ টকাৰে হ্রাস কৰা হওক। অধ্যক্ষ মহাশয় মই কব বিচাৰিছো যে বিদ্যুৎ বিভাগক যিহেতুকে এতিয়া ব্যক্তিগত খণ্ডলৈ নিয়া হ'ল তাত আমাৰ কবলগীয়া নাই যদিও আমাৰ কিছু কথা জানিবলগীয়া আছে। আজি শক্তি খণ্ডত আমি যেনেদৰে শক্তি পাব লাগিছিল ঠিক তেনেকৈ আমি পোৱা নাই। আজি আমাৰ গোটেই ৰাজ্যখনতে নহয় অন্যান্য ৰাজ্যতো বিদ্যুতৰ সমস্যাই আছে। প্ৰথম কথা হৈছে যে বিতৰণ ব্যৱস্থাটো আমি নিয়াৰিকৈ ৰাখিব লাগিব। আজি আমাৰ অসমত নহয় প্ৰায় ৰাজ্যতে দেখা যায় যে যি ধৰণে বিদ্যুৎ যোগান ধৰিব লাগে সেই ধৰণে যোগান ধৰিব নোৱাৰে। ইয়াৰ কাৰণ হৈছে যে আমাৰ বিদ্যুৎ বিতৰণ ব্যৱস্থাটো নিয়াৰিকৈ নোহোৱাৰ বাবেই। অধ্যক্ষ মহাশয়, মই কাটমোচনৰ ওপৰত আলোচনা কৰিবলৈ গৈছো যে আজি আমাৰ যিটো বিদ্যুৎ ব্যৱস্থা সেই ব্যৱস্থাত আমাৰ গাওঁৰ দুখীয়া-গৰীব জনসাধাৰণে একেবাৰে উপকৃত হ'ব পৰা নাই। এই ক্ষেত্ৰত আমাৰ চৰকাৰো সজাগ হ'ব লাগিব। অধ্যক্ষ মহাশয়, মই কাটমোচনৰ ওপৰত আলোচনা কৰিবলৈ গৈ চৰকাৰৰ ওচৰত এটা কথাই কবলৈ বিচাৰিছো যে আমাৰ যিটো বিতৰণ ব্যৱস্থা সেইটো নিয়াৰিকৈ কৰাৰ বাবে চৰকাৰে দৃঢ় প্ৰদক্ষেপ হাতত ল'ব লাগে। বিতৰণ ব্যৱস্থাটো আমাৰ প্ৰথম কাম হোৱা উচিত। ১৯৯২ চনতেই কেন্দ্ৰীয় চৰকাৰে গ্ৰাম্যাঞ্চলৰ বাবে আৰ,ই,চিৰ ব্যৱস্থা কৰিলে। গ্ৰামাঞ্চলৰ দুখীয়া জনসাধাৰনৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এই আৰ,ই,চিৰ অর্থাৎ ৰূৰেল ইলেক্ট্রিফিকেচনৰ ব্যৱস্থা কৰিলে। অধ্যক্ষ মহাশয়, আমি বিদ্যুৎ চুৰিৰ কথাটো বাদেই দিছো আৰু আমাৰ অন্যান্য সমস্যাও আছেই। মই যেতিয়া ৰাজ্যখনৰ বিদ্যুৎ মন্ত্ৰী আছিলো সেই সময়ত বিভিন্ন সমস্যাৰ সন্মুখীন হৈছিলো আৰু নিজেও সেই বিষয়ে চিন্তা চৰ্চা কৰিছিলো কেনেকৈ বিভাগটো তথা ৰাজ্যিক বিদ্যুৎ পৰিষদৰ পৰিবৰ্তন আনিব পৰা যায়। আমি এই কথাটো স্বীকাৰ কৰিবই লাগিব যে কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতে আমাৰ ৰাজ্যখনত আটাইতকৈ বেছি টকা ধাৰ্য্য কৰিছে আৰু তাৰ কাৰণে আমাৰ ওচৰ চুবুৰীয়া ৰাজ্যখনৰ পৰা বিদ্যুৎ কিনি বা ধাৰ কৰি আনিবলগীয়া অৱস্থাৰ সৃষ্টি হৈছে। গাওঁ বিলাকত যিটো পৰিমানৰ

বিদ্যুৎ যোগান থাকিব লাগে সেই পৰিমানৰ বিদ্যুৎ যোগান আমি ধৰিব পৰাই নাই। আজি যি ৪০০ কোটি টকা আৰ,ই,চিত দিয়ে সেই টকাখিনি সঠিকভাবে কামত লগালে আমাৰ ৰাজ্যখনত আমি আশা কৰা ধৰণে যথেষ্ট উপকৃত হ'ব পাৰিব যদিহে মোৰ ধাৰণাটো ভূল হোৱা নাই। অধ্যক্ষ মহাশয়, আজি বিদ্যুৎৰ বিষয়ে কবলৈ গৈছো যদিও আজি ৰাজ্যখনে আন ৰাজ্যৰ পৰা বিদ্যুৎ আনি আমাৰ ৰাজ্যখনে চলিব লগা হৈছে গতিকে আমি আটায়ে এই বিষয়ে দকৈ চিন্তা চৰ্চা কৰি এটা দৃঢ়মত পোষণ কৰিব লাগে যে ৰাজ্যখনৰ বিদ্যুৎৰ সংকট যাতে দূৰ হয়। অধ্যক্ষ মহাশয়, কেন্দ্ৰীয় চৰকাৰে যিখন এম,এন,পি আঁচনিৰ দ্বাৰা ৰাজ্যিক বিদ্যুৎ পৰিষদ বিলাকক ৰিফৰ্ম কৰিবলৈ বিচাৰিছে তাৰ দ্বাৰা আমাৰ ৰাজ্যখনে যথেষ্ট উপকৃত হব বুলি আমি আশা কৰো। এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ কৰিবলগীয়া কৰনীয় বহুতো আছে। অধ্যক্ষ মহাশয় আমাৰ বিভাগীয় মন্ত্ৰী মহাশয় নতুন যদিও তেখেতে এই ক্ষেত্ৰত এটা দৃঢ় পদক্ষেপ হাতত লব বুলি মোৰ বিশ্বাস আছে। অধ্যক্ষ মহাশয়, উত্তৰ পূৰ্বাঞ্চলৰ শক্তি মন্ত্ৰী সকল আৰু মুখ্যমন্ত্ৰী সকলৰ বৈঠকত নতুন দিল্লীত হোৱা বৈঠকৰ সিদ্ধান্ত মৰ্মে আমাৰ ৰাজ্যখনে যথেষ্ট সকাহ পাব বুলি মোৰ বিশ্বাস।

মাননীয় অধ্যক্ষ মহাশয়, ১৯৯৯ আৰু ২০০০ চনৰ তুলনাত কেন্দ্ৰীয় চৰকাৰে আমাক বিদ্যুৎ পৰিষদক যথেষ্ট টকা ধাৰ্য্য কৰিছে। এইটো ঠিক যে আমি সেই পইচাখিনি সঠিকভাবে ৰূপায়ণ কৰাৰ কাৰণে আমাৰ চেষ্টা অব্যাহত থাকিব লাগিব। আমি যদি ৰাজ্যখনৰ জনসাধাৰনক সময়মতে বিদ্যুৎ যোগান ধৰিব নোৱাৰো কল-কাৰখানাত যদি বিদ্যুৎ যোগান ধৰিব নোৱাৰো তেনেহলে আমাৰ ৰাজ্যখনৰ ৰাজহ কৰ পৰা আহিব। আজি অসমত ১৪ টা চাৰ্কোল বনোৱা হৈছে। ইয়াৰ দ্বাৰা আমাৰ কাম-কাজত বহুত সুবিধা হৈছে। এতিয়াও লক্ষীমপুৰ আৰু কাৰ্বিআংলং চাৰ্কোলৰ কাম-কাজ আৰম্ভ হোৱা নাই আৰু আশা কৰিছো যে অতি সোনকালে কাম আৰম্ভ হ'ব। অধ্যক্ষ মহাশয়, আমাৰ বিতৰণ ব্যৱস্থাটো যদি নিয়াৰিকৈ নহয় তেতিয়া হলে আমাৰ কাম নহয়। বিদ্যুৎ বিতৰণ ব্যৱস্থাটোৱেই আমাৰ প্ৰধান কাম হ'ব লাগিব। অধ্যক্ষ মহাশয়, আজি অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক আমি দোষাৰোপ কৰিলেই নহ'ব আমাৰ বিতৰণ ব্যৱস্থাটো আমি চাব লাগিব। এতিয়া যদি সন্ধিয়া এটা

লাইট জলাও টিমিক ঢামাক কৈ থাকে। এইটোৰ বাবে আমি নিজেই দায়ী মই যদি ভুল কোৱা নাই। বিদ্যুৎ বিতৰণ ব্যৱস্থাটো আমি যেতিয়ালৈকে কৰিব নোৱাৰো তেতিয়ালৈকে আমাৰ কোনো ধৰণৰ উন্নয়ণৰ হেঙাৰ হ'ব নোৱাৰে। এতিয়ালৈকে ১৩০ কোটি টকা কেন্দ্ৰীয় চৰকাৰে মোকলাই দিছে আৰু আশা কৰিছো এই টকা কামত লাগিলে আমাৰ ৰাজ্যখনৰ বিদ্যুৎ সংকট দূৰ হ'ব আৰু ৰাইজে আশা কৰা ধৰণে সকাহ পাব। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক পূনৰজিৰ্বিত কৰাৰ কাৰণে চেষ্টা কৰিব লাগিব। ১৯৯২ চনত সেই সময়ত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী ডঃ মনমোহন সিং আছিল আৰু সেই সময়তে ৰাজ্যিক বিদ্যুৎ পৰিষদ বিলাকক পুনৰাজিৰ্বিত কৰাৰ বাবে পদক্ষেপ হাতত লৈছিল। আজি আমি অন্য ৰাজ্যৰ পৰা বিদ্যুৎ কিনিব লগা অৱস্থাৰ সৃষ্টি হৈছে। এইটো কিয় হ'বলৈ পালে আমাৰ বিতৰণ ব্যৱস্থা খুটি-নাতি থকাৰ বাবেহে। আমি যদি বিতৰণ ব্যৱস্থাটো সঠিকভাৱে ৰূপায়ণ কৰিব নোৱাৰো তেনেহলে সেই ব্যৱস্থাটোৰ কোনো পৰিবৰ্তন আনিব নোৱাৰো। মাননীয় অধ্যক্ষ মহাশয় যি খিনি কথা কৈছো নিশ্চয় ভুল হোৱা নাই আৰু যদি হৈছে ক'ব নোৱাৰো। আমাৰ অসমখন এখন সৰু ৰাজ্য হিচাবে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক বিদ্যুৎ পৰিষদক যথেষ্ট টকা ধাৰ্য্য কৰিছে। গতিকে অধ্যক্ষ মহাশয় আমি এই ক্ষেত্ৰত এটা দৃঢ় পদক্ষেপ হাতত ল'ব লাগে যে বিদ্যুৎ পৰিষদৰ যিবিলাক খুটিনাতি আছে আমি সেই বিলাক আজি দূৰ কৰাৰ বাবে চেষ্টা কৰিব লাগে। আমাৰ মাননীয় মন্ত্ৰী নতুন যদিও এই ক্ষেত্ৰত তেখেতে নিশ্চয় এটা দৃঢ় পদক্ষেপ হাতত ল'ব। আজি ৰাজ্যিক বিদ্যুৎ পৰিষদত যিবিলাক দুৰ্নিতি আছে সেই বিলাক নিৰ্ম্মূল কৰাৰ কাৰণেও চেষ্টা কৰিব লাগিব। আমি গ্ৰামাঞ্চলত সঠিক ভাৱে বিদ্যুৎ যোগান ধৰি সেইটো সঠিকভাৱত ৰূপায়ণ কৰি ৰাজহ সংগ্ৰহ কৰাৰ বাবে আঁচনি লব লাগে। আমাৰ হাতত আজি প্ৰচুৰ পৰিমানে বিদ্যুৎ নথকাৰ কাৰণেই সমস্যাটো আহি পৰিছে। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বহুতো সমস্যা আছে আৰু সেই সমস্যাবিলাক আমি কি দৰে সমাধান কৰিব পাৰো বা তাৰ বাবে কি কি আহিলাৰ অভাব আমি সেইটো আজি বিশ্লেষণ কৰি চোৱাৰ প্ৰয়োজন আহি পৰিছে। আজি গাওঁ, ভূই, চহৰ, নগৰ সকলোতে বিদ্যুৎৰ সমস্যা আছে। সঠিক সময়ত আমি যদি এই পদক্ষেপ হাতত ল'ব

নোৱাৰো তেনেহলে তাৰ বাবে চৰকাৰেই দায়ী হ'ব। অধ্যক্ষ মহাশয়, আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা টকা সময়ত খৰছ কৰি ইউটিলাইজেচন চাৰ্টিফিকেত দিব নোৱাৰো তেনেহলে আমাৰ ৰাজ্যখনৰ কাৰণে ক্ষতি। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক আমি সংস্কাৰ কৰিবলৈ যাওতে কিছুমান কথা চালিজাৰি চাব লাগিব। এই ক্ষেত্ৰত চৰকাৰৰ স্থিতি সবল হ'ব লাগিব। জেনেৰেচন আৰু বিতৰণ ব্যৱস্থাটো সঠিক কৰিব লাগিব। এই ক্ষেত্ৰত বিভাগীয় মন্ত্ৰী মহাশয়ে দৃঢ় পদক্ষেপ হাতত ললে ভাল হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, কোম্পানী ভঙ্গ হৈ গলে নতুন কোম্পানী হ'ব, নতুন বিষয়া আহিব। কিন্তু তাৰ কৰ্ম্মচাৰী সকলে তেওঁলোকৰ দৰমহা, পেঞ্চন আদি নতুন কোম্পানীয়ে দিব নে নাই এই কথাখিনি বিবেচনা কৰা হৈছে নে নাই। মই চৰকাৰক সুধিব খুজিছো, অন্যথাই কৰ্ম্মচাৰী সকল ভিষণ সমস্যাত পৰিব।

চাৰ, ইয়াত দেখুৱা হৈছে ৪ হাজাৰ কোটি টকা লোকচান। তাৰ ১২ কোটি টকা এ,ডি,বিয়ে দিব বাকীখিনি চৰকাৰে বহন কৰিব লাগিব বুলি কৈছে। গতিকে এ,ডিবিৰ শ্ৰুতলিপিত চলিছে। যদি এইদৰে চলি থাকে ভৱিষ্যতৰ কাৰণে ই এটা ভয়ংকৰ কথা হ'ব। এই ব্যৱস্থাটোৰ বিষয়ে ভাৰত চৰকাৰেও বিবেচনা কৰি চোৱা উচিত। এই সংক্ৰান্তত বিত্ত বিভাগে বিদ্যুৎ বিভাগলৈ যোৱা ২৪ আগষ্ট তাৰিখে দিয়া চিঠিখনৰ কথা উল্লেখ কৰিব পাৰি, মই পঢ়ি দিছে।

(Extracts of Letter No. FEA.197/2003/189 dated 24th August, 2004 from Commissioner & Secy., Finance, Assam, Dispur to Principal Secretary, Govt. of Assam, Dispur, Power Department).

"It is found that there are substantial differences between proposals contained in the transfer scheme and the FRP, which was approved by the Cabinet. These differences involve substantial financial implications. It will be appropriate that they are sorted out keeping in view the financial capability of the State Government and that

the final transfer scheme is notified with the approval of the Cabinet.

In view of the above, 9th October, 2004 appears to be a difficult deadline for the State Govt."

You may therefore kindly consider and move Govt. of India for a reasonable extension of time with a view to obviate any deadlock that may emerge in the eventuality of State Government's failure to meet the deadline of 9th October, 2004.

মই গোটেইখিনি নপঢ়ো। এই পৰিষদখন ৰিফৰ্ম কৰোতে যিমান টকা হ'ব বুলি ধৰা হৈছে সেইটো শুদ্ধ হোৱা নাই। সেইটো শুদ্ধভাৱে পৰীক্ষা কৰি চাবলৈ কোৱা হৈছে। এতিয়ালৈকে ৯খন দেশে ৰিফৰ্ম কৰিছে।

এই ক্ষেত্ৰত মই আৰু এখন চিঠি পঢ়ি দিছো। এইখনো এ,ডি,বিৰ ডিক্টেচন।

(Extract of Letter No. UO.PEL145/2004 dt. 29-09-04 from Principal Secretary, Power to Comm. & Secy. Finance).

"In the meantime, an additional note on pension issue of the State Electricity Boards/Successor entities has been received from Shri Ramachandran, Consultant on Policy and Legal matters of ADB. However, some in principle decision will need to be taken on the funding of the pension liability of the existing employees so that the transfer scheme is notified and the unbundling exercise done failing which ADB may not perhaps release the second tranche of loan due in December, 2004. Since the details have to be worked out, it is suggested that we may indicate in principle that the Govt. stands committed to

exploring the various avenues for funding the pension liability and the detailed plan will be worked out in due course for the same, failing which ADB may not grant final loan.

গতিকে চৰকাৰে যদি এই ক্ষেত্ৰত গাফিলতি কৰে পিচলৈ মাৰাত্মক বিপদ হ'ব। ৰিফৰ্ম কৰোতে মুঠ কিমান টকা লায়েবিলিটি হ'ব সেইটো সঠিকভাৱে নিৰূপন কৰিব লাগিব।

চাৰ, এই প্ৰতিষ্ঠানটোত আমাৰ মানুহবিলাকে নিযুক্তি পাব নে নাই যিহেতু আমাৰ দেশতে বহুতো নিবনুৱা আছে। লগতে কৰ্মচাৰীসকলৰ পেঞ্চন, ফেমিলি পেঞ্চন পোৱাৰ ক্ষেত্ৰত যাতে অসুবিধা নহয় সেই গোটেই কথাবিলাক চাব লাগিব। এই সংক্ৰান্তত মই কব খোজো যে এটা কৰ্পাচ ফাণ্ড কৰিব লাগে। মই যিহেতু এই বিভাগটোৰ লগত জড়িত সেই কাৰণে এই কথাবিলাক উনুকিয়াইছো আৰু চিঠিবিলাক পঢ়ি দিছো। গতিকে চাৰ, যি ৩টা কোম্পানী হৈছে তেওঁলোকে যাতে সহায় সহযোগিতা পায় তাৰ প্ৰতি লক্ষ্য ৰখা উচিত। আমাৰ ৰাজনীতিৰ মানুহবিলাকৰ ওপৰত ৰাইজৰ সদায়ে এটা ব্লেম আছে, গতিকে ইয়াত নিযুক্তিৰ ক্ষেত্ৰত চাব লাগিব যাতে কোনো ৰাজনৈতিক নিযুক্তি নহয়। ইয়াত কাৰিকৰী জ্ঞান থকা মানুহকে নিযুক্তি দিয়া উচিত।

মাননীয় অধ্যক্ষ মহোদয়, বিশেষকৈ কৰ্ম্মচাৰী সকলৰ প্ৰতি চকু দিব লাগে। তেওঁলোকে যি আনচিকিয়ৰ ফিল কৰিছে তাক দূৰ কৰাৰ যত্ন কৰিব লাগে। তেওঁলোকে পাবলগা খিনি দিব লাগে। এই কথাখিনি চৰকাৰক চকু দিবৰ বাবে অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰনি মাৰিলো।

**Mr. Speaker :** Now, Hon'ble Member, Shri Bimolangshu Roy, please.

* **Shri Bimolangshu Roy :** Sir, power is a very important sector. All of us know without generation of power a State or a country cannot progress. Power is a must. Generation of power in Assam is very very poor in our State and that is why we are lagging far far behind in the matter of industrialisation. We know sir,

* Speech not corrected

unless and until power sector is improved, unemployment problem cannot be solved. We know sir, Government cannot provide enough opportunities in respect of employment. But in our State since independence, this sector is neglected and that is why we are not getting power. Sir, this has been explained by Mr. Goswami. The cost of Electricity is increasing in our State by leaps and bounds and because of lack of transformer, there is huge loss. Power in Assam unfortunately was not given due attention. We must also admit sir, this sector is neglected by establishment or Deptt. Sir, in our State no work culture is there, but work culture should be there. Other-wise, people will suffer. Sir, I would like to point out thing, when there were power in all over Assam I mean Brahmaputra Valley there were no power in Barak Valley. Entire Barak Valley were without light. Why Barak Valley is deprived ? I do not know Sir. I want to know why Hon'ble Minister does not go for an enquiry. During the examination period and during the peak hours of the day there were no power in Barak Valley. It is also a very serious matter. I would like to point out through Hon'ble Speaker Sir. Sometime, people enter into some agreement with ASEB officials like line man and pays less tariff in the way of manual adjustment by which it incur loss of revenue. It is also a serious matter sir and I think because of this common people are seriously suffering. Unless this things are seriously taken care of, there will be no improvement.

I would like to point out these things to you for the notice of the Hon'ble Minister. The tariffs are increasing very much. For a poor man, he cannot afford to pay more than Rs. 500/- / Rs. 1000/- per month. But sometimes, for a small family they are getting bill of Rs. 2000/- / Rs. 3000/-. One of my senior colleagues go a bill of Rs. 7000/- last month. There is also some lacuna. There is some defect in the system. But there are some people in the Assam State

Electricity Board who are engaged to go to the individual houses and get the metre readings. Here is also a point. If I enter into an agreement, I get my bill decreased and if I do not enter into any agreement. I shall not get the decreased bill. Through this Cut Motion I would like to bring to the notice of the House that the ordinary/common people are not getting the benefit of 'Kutir Jyoti'. This power sector cannot give justice to the people. Sir, there are various schemes for the benefit of the people. But on many occasions there is some criteria, that unless if the house is situated within 30 metres of a pole, we can enjoy the benefit of the scheme. But here is also some defect. But non-a-days, somehow, A.S.E.B. are again starting to give the benefit to the poor people in the rural sector which is a major important sector. The poor people, they are not getting the benefit through the 'Kutir Jyoti', Rural Electrification Scheme. The people, the rural people who could get the maximum benefit but because of the jealousness of some of the staff of the Department, we find, they could not even get the effect and the scheme could not get the success.

New Electricity lines are given and new transformers are given and old lines and transformers are replaced. Here through Supplementary Demand, sir, our Hon'ble Minister has proposed that Rs. 20788.00 lakhs are given for the benefit of the Assam Govt. Our resources are yet to be properly exploited for developmental activities. I do not oppose sir, to give this money to this Head but this should be properly utilised. I understand we pass three new systems. Our officers are very sincere and a new Chairman has been appointed in the ASEB. People has faith in his caliber and efficiency. Hon'ble Minister may definitely see the salient features of my speech.

Thank you sir.

**Mr. Speaker :** Now, Shri Motindra Basumatary.

* **শ্ৰী মতিন্দ্ৰ বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি সদনৰ জৰিয়তে মাননীয় বিদ্যুৎ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছো। বিদ্যুৎ আমাৰ জীৱন। বিদ্যুৎ নহলে আমি চলিব নোৱাৰো। বিদ্যুৎ অবিহনে জীৱন অসম্ভৱ হৈ পৰিছে। সেই কাৰণে বিদ্যুৎ বিতৰ্ৱনৰ ব্যৱস্থা কৰা হৈছে। ১৯৪৮ চনত বিদ্যুৎ পৰিষদ গঠন কৰি অসমৰ ৰাইজৰ বিদ্যুৎৰ দায়িত্ব তেওঁলোকৰ ওপৰত অৰ্পন কৰিছে। বিদ্যুৎৰ তিনিটা অৱস্থা আছে। উৎপাদন, বিতৰণ আৰু পৰিবহন। এই কেইটা অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ দায়িত্বত দিয়া হৈছে। তেওঁলোকে অসম ৰাজ্যত বিদ্যুৎ যোগান ধৰে। এই বিদ্যুৎ আমাৰ জীৱনৰ শিক্ষা, উন্নয়ন আদি সকলোতে দৰকাৰী। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, মই বিদ্যুৎ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ এটা কামো সুকলমে কৰিব পৰা নাই। বঙাইগাওঁ জিলাত যি বঙাইগাওঁ থাৰ্মেল প্ৰজেক্ট এটা আছে সেই প্ৰজেক্ট তিনিশ-চাৰিশ মেগাৱাট উৎপন্ন কৰিব লাগে অথচ তাত ২৪০ মেগাৱাটহে উৎপাদন হৈছে। অথচ কৰ্ম্মচাৰী সকলক তাৰপৰাই দৰমহা দি থাকিব লগীয়া হৈছে। ফলত বিদ্যুৎ ঘাটি হৈছে। বিদ্যুৎ ঘাটি ৰাহি কৰি বিদ্যুৎ সংস্কাৰৰ ব্যৱস্থা কৰিবলৈ মই আহ্বান জনাইছো। বৰ্তমান এই থাৰ্ম প্ৰজেক্টটো বি,টি,এ,ডিৰ অধীনৰ একমাত্ৰ উদ্যোগ প্ৰতিষ্ঠান। গতিকে মৃত্যুমুখী উদ্যোগটো জীয়াই ৰাখিব লাগে যাতে অৱহেলিত বুলি ৰাইজৰ যি মনোভাৱ সেইটো আতৰ হয়। সেইটো আতৰ কৰিবৰ কাৰণে মই চৰকাৰক অনুৰোধ জনাইছো। মাননীয় নেপকো, পাৱাৰগ্ৰীড আৰু মেঘালয়ৰ পৰা ধাৰ কৰিবলগীয়া হয়। ফলত বিদ্যুৎ মাছুল বৃদ্ধি হয়। গতিকে চৰকাৰে বিদ্যুৎ উৎপাদন বৃদ্ধি কৰিবৰ কাৰণে বিদ্যুৎ পৰিষদক অধীক কাৰ্য্যক্ষম কৰিবলৈ সদনৰ জৰিয়তে মাননীয় বিদ্যুৎ মন্ত্ৰী মহোদয়ে সু-ব্যৱস্থা এটা লব বুলি আশা ৰাখিলো।

অধ্যক্ষ মহোদয়, মই বিদ্যুৎ বিভাগৰ দায়িত্বত থকা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কেইটামান কথা কব খুজিছো যে চৰকাৰে বিদ্যুৎ আইন খন সংস্কাৰ কৰিব খুজিছে আৰু ইতিমধ্যে এই ক্ষেত্ৰত যথেষ্ট আগবঢ়া বুলিও জানিব পৰা গৈছে। এই ক্ষেত্ৰত চৰকাৰে আগৰ অসম ৰাজ্যিক বিদ্যুৎ

* Speech not corrected

পৰিষদ খনক ৫টা ভাগত বিভক্ত কৰি সেইবোৰত কিছুমান ব্যক্তিগত কোম্পানীৰ সহায় লৈ কাম কাজ চলোৱাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে আৰু তাৰ কাৰণে ১) 'জেনকো' - উৎপাদন কোম্পানী, ২) 'ট্ৰেন্সকো' - প্ৰৱহন কোম্পানী, ৩) 'আপাৰ ডিচকম' - উজনি বিতৰণ কোম্পানী, ৪) 'লৱাৰ ডিচকম' - নামনি বিতৰণ কোম্পানী আৰু ৫) 'চেন্ট্ৰেল ডিচকম' - মধ্য বিতৰণ কোম্পানী বিভক্ত কৰা হৈছে। কিন্তু আমি এটা কথা লক্ষ্য কৰিছো যে এই শক্তি খণ্ডটোৰ এনে ধৰণে বিভক্ত কৰা হৈছে যদিও বৰ্ত্তমান যিসকল বিষয়া কৰ্ম্মচাৰীয়ে কাৰ্য্য নিৰ্বাহ কৰি আছে তেওঁলোকেই এইবোৰৰ পৰিচালিকা শক্তি ৰূপে কাৰ্য্য নিৰ্বাহ কৰিব। তেওঁলোকৰ কৰ্মৰ প্ৰতি যি দায়বদ্ধতা তাক উচিত ভাবে খটুৱাব নোৱাৰিলে আমি কেনে ধৰণৰ সংস্কাৰ নাইবা উন্নতি পাম সেইটো চাবলগীয়া বিষয় হব। আজি এ,এচ,ই,বিৰ যিমান বিলাক খেলি মেলি বা ঋণগ্ৰস্ততাত ভুগিব লগা হৈছে তাৰে চাই আমাৰ সন্দেহ হৈছে এনে ধৰণৰ সংস্কাৰে কিমান খিনি লাভৱান হব পাৰিব। আমি জনাত বঙাইগাওঁ থাৰ্মেল পাৱাৰ ষ্টেচন যিবিলাক কাৰণত লোকচান ভৰিব লগা হৈছে সেইবোৰ কথালৈও ভালদৰে লক্ষ্য কৰি কাৰ্য্য ক্ষেত্ৰত আগবাঢ়িব লাগিছিল। আজি যিবোৰ ব্যৱস্থা গ্ৰহণ কৰিব খোজা হৈছে সেই ব্যৱস্থা সমূহহে আমাৰ পিচৰ প্ৰজন্মবোৰলৈ বা ৫০ বছৰ পিচলৈ এইবোৰ কাৰ্য্যক্ষম হৈ থাকিব নে নাই বা ৰাইজ ইয়াৰ পৰা উপকৃত হ'ব নে নহয় সেই কথা বিলাকৰ প্ৰতিও আমি চাব লাগিব।

অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখন আজিও কৃষি ক্ষেত্ৰতে হওক বা উদ্যোগৰ ক্ষেত্ৰতে হওক আগবাঢ়ি যাব পৰা নাই। ইয়াৰ একমাত্ৰ কাৰণ হৈছে আমাৰ বিদ্যুৎ শক্তিৰ অভাৱ। আজি বিদ্যুৎৰ অভাৱত আমাৰ ৰাজ্যখনে কোনো ক্ষেত্ৰতে অগ্ৰগতি লাভ কৰিব পৰা নাই। আমি জনাত ২০০১-০২ বাৰ্ষিক পৰিকল্পনাত ৯ হাজাৰ গাওঁলৈ বিজুলি যোগান ধৰা হব বুলি আঁচনি লোৱা হৈছিল। কিন্তু সেই আঁচনি আমি এতিয়ালৈ কাৰ্য্যকৰি কৰা দেখা নাই। এই ক্ষেত্ৰত চৰকাৰে যি ধৰণে কাম কৰিব লাগিছিল সেই ধৰণে কাম কৰা নাই। গতিকে এইবোৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। আনহাতে মই আৰু এটা কথা কব খুজিছো যে আমাৰ

বহুতো অঞ্চলত বিজুলি যোগান ধৰা হৈছিল যদিও সেইবোৰৰ ট্ৰেন্সফৰমাৰ বোৰ বেয়া হোৱা কিম্বা অন্য কাৰণত কাৰ্য্যকৰি হৈ নথকা কাৰণে বহুতো অঞ্চলত বিজুলি যোগান বন্ধ হৈ গৈছে। সেইবোৰ ঠাইত নতুন ট্ৰেন্সফৰমাৰ দিয়াৰ কাৰণে অনুৰোধ জনালো যাতে সেই ঠাইৰ ৰাইজে আৰু বিদ্যুৎ উৎপাদন যিবোৰ থল আছে সেইবোৰৰ পৰা ঠিকমতে বিদ্যুৎ আহৰণ কৰিব পাৰিলে ৰাজ্য খনৰ বহুখিনি বিদ্যুৎৰ চাহিদা পূৰণ হ'ব। গতিকে এই ক্ষেত্ৰতো চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা ৰাখিছো আৰু এই খিনিকে কৈ এই বিভাগৰ দাবী মঞ্জুৰীৰ ক্ষেত্ৰত অনা কৰ্ত্তন প্ৰস্তাৱো সমৰ্থন কৰিছিলো যদিও সেইটো উঠাই লৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** Now, Hon'ble Member, Shri Pabindra Deka.

* **শ্ৰী পবীন্দ্ৰ ডেকা ঃ** অধ্যক্ষ মহোদয়, মই মাত্ৰ এটা কথা কব খুজিছো। আমাৰ যিখন বিদ্যুৎ বিল পাছ হ'ল সেই ক্ষেত্ৰত ব্যক্তিগত কৰণ কৰা প্ৰক্ৰীয়াটো কি হৈছে? আজিও বিদ্যুৎ কৰ্ম্মচাৰী সকলে আন্দোলন কৰি আছে। এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা হাতত লৈছে বা লব সেই ক্ষেত্ৰত আমাক অলপ জনাব লাগে।

**Mr. Speaker :** Now, Hon'ble Member, Shri Gunin Hazarika.

* **শ্ৰী গুনীন হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে যি ২০০০ কোটি টকাৰ পৰিপূৰক দাবী মঞ্জুৰী বিচাৰিছে সেই মঞ্জুৰীৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ আনি আমি বিষয়টো অলপ আলোচনা কৰিব খুজিছো। এইটো এটা অতি গুৰুত্বপূৰ্ণ বিষয়। যোৱা ১০ ডিচেম্বৰ তাৰিখে অসম বিদ্যুৎ পৰিষদ খনক বিভক্ত কৰা সম্পৰ্কত আৰু ট্ৰেন্সফাৰৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা যি অৰ্ডিনেন্স প্ৰকাশ কৰা হৈছে সেই মৰ্মে অহা ৩১ মে'ৰ ভিতৰত ইয়াৰ সকলো কাৰ্য্য সমাপন কৰা হ'ব। তাৰ কাৰণে আজি আকৌ চৰকাৰে ২০০৫ চনৰ ৩১ মাৰ্চত শেষ হ'ব লগীয়া বছৰটোৰ কালচোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ এই পৰিপূৰক দাবী মঞ্জুৰী বিচৰা হৈছে। তাৰ ভিতৰতে বিদ্যুৎ পৰিষদৰ হস্তান্তৰৰ কাম প্ৰায় শেষ হ'ব। এতিয়া মূল কথা হৈছে যে— কৰ্মচাৰী সকলে কৈছে আমাক হুকুম কোনে দিব। আমি কাৰ কথা শুনিম।

---

* Speech not corrected

ইয়াত কোৱা হৈছে যে— subject to until further orders implementation, coordination and monitoring of the schemes supported by the Asian Development Bank. Another scheme concerning Electricity Board shall continue to be undertaken by the Board. ৩১ মার্চৰ ভিতৰত এই টকাখিনি খৰচ কৰিবলৈ কি ধৰণৰ মেকানিজিম কৰিছে সেই বিষয়ে আমি অলপ জানিব বিচাৰিছো। আন এটা কথা হ'ল — আমি যদি ধৰি লওঁ ৩১ মে'ৰ ভিতৰত এই কাম বিলাক সম্পূর্ণ হৈ যাব তেতিয়া ৰেভিনিউ কালেক্টৰ দায়িত্ব কাৰ ওপৰত থাকিব। ডিষ্ট্রিবিউচন কোম্পানী বিলাকে হয়তো এই ৰেভিনিউ কালেক্ট কৰিব লাগিব।

জেনেৰেচনৰ ক্ষেত্রতে এটা সুকীয়া কথা আছে।

অধ্যক্ষ মহোদয়, সেই কাৰণে সকলোবোৰ বিষয় স্পষ্ট হ্ব লাগে। মেনপাৱাৰ ট্রেন্সফাৰেচন যিটো স্কীম আছে সেইটোও সঠিকভাবে হ্ব লাগিব। কাৰণ আমি সকলোৱে জানো যে জেনেৰেচন কোম্পানী বিলাকত কাম নাই। ডিষ্ট্রিবিউচন কোম্পানী বিলাকত কাম আছে আৰু তাত থাকিলে ইঞ্জিনিয়াৰ সকলে দুপইচা ঘটিবও পাৰে। সেই কাৰণে সকলো ইঞ্জিনিয়াৰ ডিষ্ট্রিবিউচন বিলাকলৈ আহিবলৈ চেষ্টা কৰিব। কিন্তু যদি জেনেৰেচন কোম্পানী, ট্রেন্সমিচন কোম্পানী আৰু ডিষ্ট্রিবিউচন কোম্পানীৰ কাম একে হয় তেতিয়াহলে একো অসুবিধা নাই। সেই কাৰণে মেনপাৱাৰ ট্রেনফাৰেচনৰ কথাবিলাক সুস্পষ্ট হোৱা দৰকাৰ। গতিকে যিমান সোনকালে পৰা যায় সিমান সোনকালে ৰিফর্ম কৰিব লাগে। সেই কাৰণে এটা টাইম ৰাউণ্ড প্রগ্রেম বান্ধি দিয়া হৈছে। ইয়াৰ উপৰিও ইয়াত এটা কথা কোৱা হৈছে যে শেষ সিদ্ধান্ত চৰকাৰেহে লব। গতিকে চৰকাৰৰ হস্তক্ষেপ এটা আছে। সেই কাৰণে আমি কৈছো যে সংস্কাৰৰ নামত যাতে কর্মচাৰী সকলৰ স্বার্থ অক্ষুন্ন থাকে তাৰ প্রতি চৰকাৰে লক্ষ্য ৰাখিব লাগিব। আমি বিচাৰিছো যে আমাৰ গাৱে ভূঞে আমি সকলোৱে বিজুলি পাব লাগে। কিন্তু আজি এনেকুৱা হৈছে যে এটা ট্রেন্সফর্মাৰৰ বাবে ধেমাজীৰ মানুহে গুৱাহাটীলৈ আহিব লাগে। কিন্তু এতিয়া এইটো কৰাৰ ফলত নিশ্চয় কিছু সুবিধা হব। অধ্যক্ষ মহোদয়, মই আৰু বিশেষ নকও, এইখিনিকে কৈ আৰু সংস্কাৰ প্রক্রিয়া যাতে অতি সোনকালে হয় তাৰ বাবে আহ্বান জনাই মই মোৰ বক্তব্য সামৰিলো।

**Mr. Speaker :** Now, Hon'ble Member Shri Premodhar Bora.

* **শ্ৰী প্ৰেমধৰ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, সংস্কাৰ সদায় প্ৰয়োজন, উন্নতিৰ কাৰণে, ভালৰ কাৰণে। গতিকে আমি সেই হিচাপে এই সংস্কাৰ প্ৰক্ৰিয়াৰ সমৰ্থন জনাইছো। লগতে মই এটা কথা কও যে সংস্কাৰ কৰিবলৈ যাওতে আমাৰ আগৰ যিখিনি সা-সম্পত্তি বা লাইবিলিটি আছে সেইখিনি কথাও আমাৰ চৰকাৰে মনত ৰাখিব লাগিব। আজি ইমান বছৰে চৰকাৰে হাজাৰ হাজাৰ কোটি টকা খৰছ কৰাৰ পিছতো বিদ্যুৎ পৰিষদে যি ধৰণে লাভবান হব লাগিছিল সেই ধৰণে লাভবান হব পৰা নাই। যাৰ বাবে বিদ্যুৎ পৰিষদক সকলোৱে এটা বগা হাতীত পৰিণত হোৱা কৰ্পৰেচন বুলি কোৱা হয়। আজি ইমান বছৰে চৰকাৰে বিদ্যুৎ পৰিষদৰ নামত খৰছ কৰিলে তাৰ হিচাপ থাকিব লাগিব। সেই কাৰণে আমাৰ আঁচনি বিলাক চৰ্ট টাৰ্ম, মিডিয়াম টাৰ্ম আৰু লং টাৰ্মত হব লাগিব। আজি পথাৰত পাম্প এটা চলাবৰ বাবে বিজুলি লাগে। গতিকে এই বিলাক যিহেছে আৰ্জেন্ট নিড। মিডিয়াম টাৰ্মৰ বাবে আমাৰ অসমত যিবিলাক সৰু সৰু জান-জুৰি আছে সেইবোৰক বাছি ল'ব পাৰে। আমি ডাঙৰ ডাঙৰ প্ৰজেক্ট যেন কপিলি প্ৰজেক্ট, ধনশিৰি প্ৰজেক্ট যিবোৰ বগা হাতীত পৰিণত হৈছে সেইবোৰৰ কথা কৈ লাভ নাই। আমাৰ লক্ষীমপুৰতে জহিং নৈত দুইপাৰে বান্ধ দি তাত চকা লগাই সেই সময়ত ইংৰাজ চাহাবৰ ঘৰত ফেন চলায়। ১৯৫০ চনতেই আমি সেই বিলাক পিকনিক স্পটলৈ গৈ চাই আহিছিলো। সেই ইংৰাজ সকলে সাত সাগৰ তেৰ নদী পাৰ হৈ আহি আমাৰ অসমত সেই সৰু সৰু জানজুৰিৰ পৰাই বিজুলি উৎপাদন কৰিছিল। এই সৰু সৰু আঁচনি বিলাকৰ জৰিয়তে ১ কোটি বা ডেৰ কোটি টকা খৰছ কৰিয়ে বিজুলি উৎপাদন কৰিব পাৰি। আশা কৰো এইবোৰ কথা আমাৰ যুৱ মন্ত্ৰী আৰু সুদক্ষ তথা গোটেই অসমতে সুনাম থকা বৰ্তমানৰ বিদ্যুৎ পৰিষদৰ চেয়াৰমেন গৰাকীয়ে চকু দিব। এই ক্ষেত্ৰত চৰকাৰে আমাৰ বিধায়ক সকলক নিজৰ নিজৰ সমষ্টিত একোখন উপদেষ্টা কমিটি পাতি তেওঁলোকক জড়িত কৰিব লাগে। কিন্তু এতিয়া আমি দেখিছো যে এই চৰকাৰে জিলা পৰ্য্যায়ত যিমানবোৰ কমিটি কৰিছে তাত কেৱল উপায়ুক্ত সকলকহে সেই কমিটি বিলাকত চেয়াৰমেন পাতি দিছে।

---

* Speech not corrected

আমাৰ ৰূৰেল ডেভেলপমেন্ট কমিটী পাতিছে, ব্লক ডেভেল্‌মেন্ট কমিটী, চাব ডিভিজন লেভেলত কমিটী আছে এইবিলাকে ক'ত কিমান বিজুলি শক্তি খৰছ কৰি পইছা দিয়া নাই, ক'ত জেনেৰেটৰ বেয়া হৈ আছে, এইবিলাক যদি চাই তেন্তে আমাৰ বিত্তীয় অনাতন দূৰ হ'ব। আজিকালি স্কুলবিলাকত কম্পিউটাৰ দিয়া হৈছে, কিন্তু মূল বস্তু লাইনেই নাথাকে বহুত ঠাইত বহুত সময়ত। আমাৰ হিমন্ত বিশ্বই জানেই নাৰায়ণপুৰ হায়াৰ চেকেন্দাৰী স্কুল কম্পিউটাৰ উদ্বোধন কৰিবলৈ মোক মাতিছিল, কিন্তু লাইন নথকাত তাৰ মানুহে মোক তাচিল্য কৰি কৈছিল যে বিধায়ক আহিছে যেতিয়া এতিয়া লাইনো হ'ব।

প্ৰগতিৰ পথত আগুৱাই যাবলৈ হলে 'পাৱাৰ ইজ মাষ্ট' বিজুলিৰ নিত্যান্তই প্ৰয়োজন আছে। তেতিয়াহে আমাৰ দেশখন প্ৰগতিশীল ৰাজ্য হিচাবে পৰিগণিত হ'ব আঞ্চলিক ভিত্তিত এডভাইচৰি কমিটী কৰক, ব্লক লেভেলত বিধায়ক সকলক চেয়াৰমেন হিচাবে লওক তেতিয়া ক'ত লাইন বন্ধ হৈ আছে, কোনে পইছা খাইছে ৰাইজে জানক। তেতিয়াহে বিভাগটো স্বচ্ছল হ'ব আৰু ৰাইজৰ চাহিদা পূৰণ হ'ব।

**Mr. Speaker :** Now, Hon'ble Member, Shri Etuwa Munda.

* **শ্ৰী এটোৱা মুণ্ডা :** মাননীয় উপাধ্যক্ষ মহোদয়, মঞ্জুৰী নং ৬২ত বিত্ত বিভাগৰ কৰ্ত্তন প্ৰস্তাৱৰ সম্পৰ্কত ইতিমধ্যে বিভিন্ন জনে নিজৰ বক্তব্য ৰাখিছে। কৰ্ত্তন প্ৰস্তাৱৰ সম্পৰ্কত মই কেইটামান কথা কৈ বিভাগীয় মন্ত্ৰী মহোদয়লৈ পৰামৰ্শ আগবঢ়াবলৈ বিচাৰিছো। আশা কৰো তাৰ ওপৰত বিবেচনা হ'ব।

আমি যিটো সময়ত দেশখনক প্ৰগতিৰ পথত সফলতাৰে আগুৱাই লৈ যোৱাৰ সপোন দেখিছো বহু ক্ষেত্ৰত এই সপোন বাস্তৱত পৰিণত হলেও বহুক্ষেত্ৰত গঞা লোকক এই ব্যৱস্থা বিলাকৰ পৰা বঞ্চিত কৰি ৰখা হৈছে বিশেষকৈ আমাৰ বিভাগীয় পলিচি বিলাকত এটা খেলিমেলিৰ সৃষ্টি হোৱাৰ কাৰণে এনে হৈছে। প্ৰয়োজন সাপেক্ষে নিয়মৰ সংশোধন কৰি এই চাম গঞা ৰাইজৰ কাৰণে বেলেগেই বিদ্যুৎ বিতৰণৰ সুবিধা কৰি দিব লাগে, তাৰ কাৰণে এ,এচ,চি,ই বিভাগত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বিশেষকৈ চৰ আৰু ট্ৰাইবেল অঞ্চলত আৰু টি গাৰ্ডেন অঞ্চলৰ কথা মই কবলৈ বিচাৰিছো।

---

* Speech not corrected

বিভিন্ন ৰকমৰ আঁচনি ৰূপায়ন কৰিবলৈ বিচৰা হৈছে, কিন্তু ভিতৰুৱা অঞ্চলবিলাকত হৈ থকা খুটি নাতি বিলাক যদি চৰকাৰে নেচায় তেতিয়া হলে যিবিলাক ৰিৰ্ফমৰ কথা কৈছে সেইবিলাকত যে কৃতকাৰ্য্যতা লাভ কৰিব পাৰিব তাত আমি সন্দিহান হৈ পৰিছো। সেয়েহে ৰিফৰ্মৰ ক্ষেত্ৰত এই অঞ্চলবিলাক সামৰি ললে ভাল হয়। বিশেষকৈ টি গাৰ্ডেনবিলাকত আমাৰ বনুৱা সকলৰ ক্ষেত্ৰত বৰ্তমান যি ব্যৱস্থা তাত কিছু ব্যতিক্ৰম ঘটি আছে। তাৰ উদাহৰণ স্বৰূপে কওঁ যে বৰাক ভেলিৰ চাহ বাগিছাৰ বনুৱা সকলৰ বাবে ইনদিভিজুৱেল মিটাৰ বৈদ্যুতিকৰণ কৰা হৈছে। কিন্তু ব্ৰহ্মপুত্ৰ ভেলিৰ আমাৰ চাহ বাগিছা বিলাকত সেই সুবিধা নাই। বাগিছাৰ শ্ৰমিক সকলে প্ৰায়েই দেখা যায় খুউব বেছি দুটা বাল্ব জ্বলাই, কিন্তু বাবুসকলে ফেন, টিভি আদিও চলাই। তেওঁলোকে এটা বা দুটা বাল্ব জ্বলোৱা শ্ৰমিক সকলৰ দৰেই সমান পইছা দিয়ে। এনে এটা তাৰতম্য আমি দেখিবলৈ পাইছো। এতিয়া এই বিভাগলৈ দক্ষ মন্ত্ৰী আৰু চেয়াৰমেন আহিছে। তেখেত সকলে বিচক্ষনতাৰে বিবেচনা কৰি কিয় এনে বৈষম্য হৈছে সেইটো নিৰীক্ষণ কৰি তাৰ দূৰিকৰণৰ ব্যৱস্থা কৰিব লাগে, যিহেতু বনুৱা সকলক গধূলিৰ পৰা ৰাতিলৈহে বিজুলি লাগে। ইনদিভিজুৱেল মিটাৰ দিলে কোনে কিমান পইন্ট খৰছ কৰিছে সেইটো ওলাই পৰিব। বনুৱা সকলে যি দৰমহা পাই তাৰ তুলনাত লাইটৰ বিল যেতিয়া বেছিকৈ ভৰিব লগা হয় তেতিয়া বনুৱা সকলে আমাক কয় আমাক লাইট নাই লাগবে বাবু। এইবিলাক কথা চাব লাগে।

মোৰ দুই নম্বৰ কথাটো হৈছে নতুন ৰিফৰ্ম মতে ইনদিভিজুৱেল মিটাৰ দিলেও কোনে কিমান খৰছ কৰে সেইটো মেনেজমেন্টে চাব লাগিব। গতিকে মই আবেদন ৰাখিছো গঞা ৰাইজৰ কাৰণে যি ব্যৱস্থা চৰকাৰে কৰিছে চাহ বনুৱা সকলৰ ক্ষেত্ৰতো যেন সেই একেই ব্যৱস্থা কৰা হয়। মই আশা ৰাখিছো এইখিনি সংযোজন কৰি যেন ৰিফৰ্ম ব্যৱস্থা কৰা হয়। আজি আমাৰ এম,এন,পি স্কীমৰ ক্ষেত্ৰত পি,এম,জি,এচ,আই, ২০০২ বহুতো গাওঁ অঞ্চলত এই স্কীম হৈছে, কিন্তু আমাৰ বাগিছাবোৰত এই ব্যৱস্থা আজিলৈকে হোৱা নাই। ইয়াৰ বাবে বিভাগে কেবোল কিনি দিব পৰা নাই যাৰ কাৰণে লাইন দিব পৰা নাই।

বিভাগেও দিব নোৱাৰে আৰু ঠিকাদাৰেও কিনিব নোৱাৰে এনেকৈ হলে কেনেকৈ হব? এই বিষয়ে মই বিভাগীয় মন্ত্ৰী মাহেদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

মই আশা কৰিছো দক্ষমন্ত্ৰীয়ে এই সৰু সুৰা কথা হলেও গুৰুত্বপূৰ্ণ কথা বিলাকৰ প্ৰতি দৃষ্টি ৰাখিব।

মাননীয় অধ্যক্ষ মহোদয়, বিদ্যুৎ পৰিষদত দক্ষ চেয়াৰমেন আছে, দক্ষ মাননীয় মন্ত্ৰী মহোদয় আছে তেখেত সকলে চাহ বাগানৰ সকলোকে সমানে বিজুলিবাতিৰ ব্যৱহাৰ কৰিবলৈ দি সমস্যা সমাধান কৰিব বুলি আশা ৰাখিলো। যি সকলৰ মাননীয় সদস্যই কাৰ্ট মোচনৰ বিৰোধিতা কৰিছে মই আশা ৰাখিছো তেখেত সকলে এই বিভাগটোক দাবী দিবৰ কাৰণে আৰু টকা দিবৰ কাৰণে যুক্তি প্ৰদৰ্শন কৰিব। টকা কৰ্ত্তন কৰা যুক্তি আছে বুলি মই নাজানো। বেছিকৈ টকা দি বিভাগটোক শক্তিশালী কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ অনুৰোধ কৰিছো কামবোৰ কম্পিউটাৰাইজ কৰিব লাগে লগতে বিজুলী বিভাগটোৰ বিষয়াসকলক শক্তিশালী কৰি দেশৰ চুকে-কোণে থকা খেতিয়ক সকলক সহায় কৰা লগতে ভাৰতবৰ্ষকে আৰম্ভ কৰি বিভিন্ন দেশৰ লগত সমানে আগবঢ়াই নিয়াত সহায়ক হওক। বিজুলী শক্তি সফলভাৱে ৰূপায়ণ কৰিবৰ কাৰণে অধিক টকা দি কৰ্ত্তন প্ৰস্তাৱটো বিৰোধিতা কৰি সমৰ্থন কৰিব লাগে।

**Mr. Speaker :** Now, Shri Parimal Suklabaidya.

* **শ্ৰী পৰিমল শুক্লবৈদ্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিদ্যুৎ বিভাগটোক বেছি টকা দিব লাগে। তেওঁলোকে ভাল কাম দেখুৱাই আহিছে এইটো সত্য। one fourth of the total allocation সেইকাৰণে টকা দিব লাগে। য'ত ভাল কাম দেখুৱাই তাত বেছিকৈ টকা দিব লাগে তেতিয়া আৰু বেছি ভাল কাম কৰিব পাৰিব। ইলেক্ট্ৰিচিটি বোৰ্ডক আৰ্থিক অনুদান হিচাবে প্ৰায় ৪-৫ লাখ মান টকা বেছিকৈ দিব লাগে। এইখিনিতে মই বৰাকভেলিত থকা বাগানৰ কথা ক'ব বিচাৰিছো, তাত ৩ খন বাগান সেই বাগান কেইখনত ২০০১ চনৰ পৰা ২০০৪ চনলৈকে একো কাম হোৱা নাই। এম,এল,এ ফাণ্ডৰ

* Speech not corrected

কোনো ইমপ্লিমেনটেচন হোৱা নাই। মাননীয়, বিধায়ক আনন্দ ৰাম বৰুৱা যেতিয়া ষ্টেট মিনিষ্টাৰ আছিলে তেখেতক এই বিষয়ে কোৱাত তেখেতে চুপাৰিটেনডেন্টক কলে। তেখেতে চাম বুলিও কলে আৰু এম,এল,এ, ফাণ্ডৰ টকাৰে কামবোৰ কৰিবলৈ কলে। তাৰ পাচত ওপৰৰ কৰ্তৃপক্ষক কোৱাত তেখেতে কলে এতিয়া কোর্টৰ কামৰ কাৰণে যাবলৈ ওলাইছে। ৩৬ হাজাৰ ভলটেজ লাগে। এই কামবোৰ আমাক এনেয়ে কৰি দিব নেকি? আজি আমি চাপলিমেনটৰি বাজেটৰ কাৰণে আলোচনা কৰিছো। চৰকাৰৰ পৰা টকাটো পালে কাম কৰাত সুবিধা হ'ব। এই পাৱাৰ ডিপার্টমেন্টটো অসমৰ অন্য ডিপার্টমেন্টতকৈ বেছি বেয়া ডিপার্টমেন্ট যেন লাগিছে। গাৱঁৰ মানুহবিলাকে অন্ধকাৰত দিন নিয়াইছে। গাৱঁত ট্রেন্সফৰমাৰ সঘনাই বেয়া হৈ থাকে। পুৰণা ট্রেন্সফৰমাৰ এটা কিনিবলৈ হ'লে ১,৬০০ ৰ পৰা ২,০০০ (দুই হেজাৰ) টকা লাগে। বিজুলিবাতি দুই মাহ তিনি মাহলৈকে নাথাকে। নতুন ট্রেন্সফৰমাৰৰ কথা কলে কয়, এম,এল,এ, ফাণ্ডৰ পৰা ট্রেন্সৰ্ফমাৰ পায়। নতুন লবলৈ হ'লে ৫ (পাঁচ) হেজাৰ টকা দিব লাগে। একোটা অঞ্চলত বিজুলিবাতিৰ কানেকচন দিবলৈ হলে বহুত কেইটা খুটা (পুল)ৰ প্ৰয়োজন। কিছুমানত ৭০ টা বা ৭৫ টা দিয়াৰ পিচত বাকী ৭০-৭৫ টা মান খুটা (পুল) থাকি যায়। সেইকেইটা দিবলৈ কলে কয় প্ৰতিটো খুটা (পুল)ৰ বাবদ এহেজাৰকৈ টকা লাগিব। যিবিলাক খুটাত বিজুলী তাঁৰৰ সংযোগ থাকে সেইবোৰ তাঁৰ কিছু দিনৰ পিচত দুবৃৰ্ত্তই কাটি লৈ যায়। চাৰ, এই বিলাক খেলি-মেলি চলি আছে।

মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই আমাৰ মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো এই কাৰণে মন্ত্ৰী মহোদয়ৰ ওচৰত মোৰ সম্পূৰ্ণ বিশ্বাস আছে, তেখেতে কিবা এটা ব্যৱস্থা লবই। আমাৰ কাছাৰ জিলাৰ চাহ বাগিছাৰ লেবাৰৰ কোৱার্টাৰবোৰত ইলেক্ট্রিচিটি নাই। যিমান টকা আমি দিলো তাৰ সৎ ব্যৱহাৰ হব লাগে। বিজুলী বাতিৰ কানেকচন পোৱাৰ পিচত লাইট জ্বলোৱা হয়, ফেনো চলোৱা হয় যদিও তাত মিটাৰৰ ব্যৱস্থা নাই। কিবা এটা বস্তু বেয়া হ'লে ১০ মাইল আঁতৰলৈ যাব লাগে। মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ চেচনৰ পিছত মই ঘৰলৈ যাওঁতে মোক দেউতাই এষাৰ কথা কলে, আজিকালি বিদ্যুৎ বিভাগত কি চলিছে, লাইটৰ বিল এখন আহিল তাত দুই

হাজাৰ কিমান টকা আছিল সেইখন পেমেন্ট কৰি আহিলো। তাৰ কিছু দিনৰ পিচত ঘৰলৈ এখন নোটিচ আহিল আকৌ টকা দিব লাগে। এনেকুৱা চলি আছে। গাৱঁৰ যিবিলাকত মিটাৰ দিয়া হৈছে তাত মিটাৰ ৰিডাৰ ৬ মাহ বা ৭ মাহৰ অন্তৰে অন্তৰে ৰিডাৰবোৰ লবলৈ যায় তাৰ পিচত টকাৰ কাৰণে বিল দিয়ে। যিয়েকি নহওক এই বিভাগটোক বেছি টকা দিলে আমি ভাল পাম। এই কথাখিনিকৈ ইমানতে মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী মেম্বৰ গঁগেয়ে কব। আপোনাৰ বক্তব্য চমু কৰিব।

* **শ্ৰী মেম্বৰ গঁগে ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি বিৰোধী দলৰ সদস্য সকলে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে সেই সন্দৰ্ভত মই মাত্ৰ দুটা মান কথা ক'ব বিচাৰিছো। মোৰ প্ৰথমটো কথা হ'ল আমি কেৱল এইখন চৰকাৰকেই বিদ্যুৎ যোগান ধৰাৰ ক্ষেত্ৰত দোষ দিছো। এইখন চৰকাৰক দোষ দিলেই নহব কোনো এখন চৰকাৰেই বিদ্যুৎ যে উৎপন্ন কৰিব লাগে সেই ক্ষেত্ৰত একো ব্যৱস্থাই নললে। বহুত পুৰণা এই পাৱাৰ প্ৰজেক্ট সেই কাৰ্বি লাংপি পাৱাৰ প্ৰজেক্টটো আজিও হৈ নুঠিল। মই এই সদনত কেইবাবাৰো এই পাৱাৰ প্ৰজেক্টতোৰ ক্ষেত্ৰত কৈছিলো। আজিলৈকে এই পাৱাৰ প্ৰজেক্টতো কি অৱস্থাত আছে আমাৰ মন্ত্ৰী ডাঙৰীয়াই সেই সম্পৰ্কে কব। দুখৰ কথা যে আজিলৈকে এই পাৱাৰ প্ৰজেক্টতো হৈ নুঠিল। ইতিমধ্যে বি,টি,পি,এচৰ কথাও ওলাইছে। বি,টি,পি,এচৰ জেনেৰেচনৰ কাৰণে বা কাৰ্য্যক্ষম কৰি তোলাৰ কাৰণে যিটো টকা লাগিব তাতকৈ বহুত বেচি টকা খৰচ হ'ব। এইটো লাভজনক ব্যৱস্থা নহয়। ইয়াত ট্ৰেন্সমিটাৰৰ কথাও কোৱা হৈছে। যোৱা বাৰ কিছু ট্ৰেন্সমিটাৰ দিছে। ট্ৰেন্সমিটাৰৰ ক্ষেত্ৰত এনেকুৱা কথা হৈছে যে এখন গাওঁত আজি ১০ বছৰ বা ২৫ বছৰ আগতে কানেকচন দিয়া হৈছিল। সেই সময়ত সেই ট্ৰেন্সমিটাৰতোতেই কানেকচন বঢ়োৱা হল। কিন্তু ট্ৰেন্সমিটাৰৰ কেপাচিটি কোনো দিনেই চোৱা নহ'ল। গতিকে ট্ৰেন্সমিটাৰতো দিয়া হয় তেতিয়াহলে ওপৰোক্ত বক্তাই কোৱাৰ দৰে ৩/৪ মাহহে যাব। গতিকে এই বিলাক কথা লক্ষ্য কৰিব লাগে। আমাৰ মাননীয় সদস্য এটুৱা মুণ্ডাই যিটো কথা কৈছে যে এজন ব্যক্তিয়ে যদি মিটাৰ দিয়াৰ পিচত ৩/৪ টা লাইট জ্বলায়, টি,ভি

---

* Speech not corrected

চলায়, ফেন চলায় তেতিয়াহলে কেনেকৈ সমানে ভাগ হ'ব। এই কথাটো এক্ট ইমপ্লিমেন্টেচন কমিটিতো কেইবাবাৰো কোৱা হৈছে। এইটো ক্ষেত্রত কোনেও একো কাম নকৰিলে আৰু কোনো উপায় উদ্ভাৱন নকৰিলে। আমাৰ মাননীয় জ্যেষ্ঠ সদস্য বৰা ডাঙৰীয়াই কৈছে দক্ষতা বিহীন হৈছে। দক্ষতাতো কৰ পৰা আৰম্ভ হ'ব। জে,ই, এ,ই, চেয়াৰমেন নে মন্ত্রী পৰ্য্যায়ৰ পৰা আৰম্ভ হ'ব। মই আগতেও এবাৰ সদনত কৈছিলো যে গোটেই জাতিতো অৱক্ষয়ত উপনীত হৈছে। গতিকে জাতিটোক উদ্ধাৰ কৰিব কাৰণে বিশেষ চেষ্টা কৰিব লাগে। বৰ্তমানৰ যি জন চেয়াৰমেন আছে তেওঁৰ দক্ষতা আছে, মন্ত্ৰীৰো দক্ষতা আছে। সেই বুলি তলতীয়া গোটেই মানুহখিনি যদি দক্ষতাবিহীন হয় তেতিয়াহলে তেওঁলোকো ভাগি পৰিব। মইও এ,এচ,ই,বিত কাম কৰিছিলো আৰু তাৰ পৰাই অৱসৰ লৈছো। এই যে ৫ টা ভাগত এ,এচ,ই,বিক ভাগ কৰিব খুজিছে সেইটো কৰাৰ পিচত আমাৰ অৱস্থাটো কি হ'ব সেই কথা মন্ত্ৰী মহোদয়ে জনা উচিত। আমাৰ মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই এই কথা বিলাক কৈছে। আমি কেনেকৈ আমাৰ দক্ষতা আহৰণ কৰিব পাৰো সেই কথাটো আমি প্ৰত্যেকেই ভাবিব লাগিব। শেষত মাননীয় বিৰোধী দলৰ যি কেইজন সদস্যই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে তেখেত সকলক কৰ্ত্তন প্ৰস্তাৱ উঠাই লোৱাৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তব্যৰ ইমানতেই সামৰণি মাৰিলো।

**Mr. Speaker :** Now, Hon'ble Member, Dr. Haren Das.

* **ডঃ হৰেণ দাস ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী দলৰ সদস্য সকলে যিটো কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে সেই সম্পৰ্কত মই অলপ কব বিচাৰিছো। আমাৰ বহুত ঠাইত ট্ৰেন্সমিটাৰ নাই। ট্ৰেন্সমিটাৰৰ কাৰণে তাত বিদ্যুৎ যোগান ধৰিব পৰা নাই। গতিকে সেই ঠাই বিলাকত ট্ৰেন্সমিটাৰ যোগান ধৰিব লাগে। আগতে সন্ধিয়া হলে ভাল লাগিছিল। কাৰণ সন্ধিয়া মানুহে আমাক লগ ধৰিবলৈ আহিছিল আৰু ভালদৰে আলাপ আলোচনা কৰিছিল। কিন্তু আজিকালি সন্ধিয়া হলে ভয় লাগে। কাৰণ সন্ধিয়া হলেই লাইট নজ্বলে আৰু আন্ধাৰত থাকিব লাগে। সেই কাৰণে জনসাধাৰণে সন্ধিয়া হোৱাৰ লগে লগে

* Speech not corrected

এম,এল,এ সকলক গালি পাৰে। কৰবাত কৰবাত ট্ৰেন্সমিটাৰ জ্বলিছে গতিকে তাত ট্ৰেন্সমিটাৰ দিব লাগে। কৰবাত ৪০ টা মান পোষ্ট লাগে, ২০টা মান পোষ্ট দিয়া হৈছে বাকী ২০ টা পোষ্ট দিয়া নাই, ওৱেৰ নাই ইত্যাদি বিভিন্ন সমস্যা আছে। মোৰ সমষ্টিৰ কেইটামান কাম আছে। সেই সম্পৰ্কে মই মাননীয় মন্ত্ৰী মহোদয়ক ডিটেইলচ্ কম। মোৰ সমষ্টিৰ সেই কাম কেইটা ৬/৭ মাহ ধৰি পৰি আছে। ট্ৰেন্সৰ্ফমাৰৰ ক্ষেত্ৰত আগতে 'হাঁহ নে কণি' এই কথাটো মই কব বিচাৰিছো। বৈধ ভাবে যি সকলে বিদ্যুৎ লাইন লৈছে সেই বিলাক ঠিকেই আছে। কিন্তু অবৈধ ভাৱেও বহুতে বিদ্যুৎ লাইন লৈ আছে। বিভাগীয় যি সকল বিষয়া কৰ্ম্মচাৰী আছে আৰু তেখেত সকলে যেনে ধৰণে দায়িত্ব পালন কৰিব লাগে তেনে ধৰণে দায়িত্ব পালন নকৰে। বিভাগীয় যি সকল বিষয়া কৰ্ম্মচাৰীৰ দায়িত্ব আছে তেওঁলোকে ডিটেক্ট নকৰে। কেতিয়াবা ডিটেক্ট কৰে যদিও পইচা পাতি দি আকৌ তেনেকুৱা কৰে। এতিয়াও এ,এচ,ই,বিক ৮০ হাজাৰ টকা দিবলৈ বাকী আছে। সেই ৮০ হাজাৰ টকা উঠোৱাৰ কাৰণে যেনেকুৱা ধৰণে প্ৰচেচ্ কৰিব লাগিছিল তেনেকুৱা ধৰণে প্ৰচেচ্ কৰা নাই। ৮০ হাজাৰ টকা একেলগে দিয়াতোও অসুবিধা হয়। মাহৰ পিচত মাহ ধৰি ট্ৰেন্সফৰমাৰ নোহোৱাৰ কাৰণে লাইট জ্বলা নাই। তেওঁলোকে বকেয়া ধন পাব লাগে আৰু তাৰ লগতে আমাৰ বা ৰাইজৰ যিটো সমস্যা সেই সমস্যা সমাধান কৰিব লাগে। আমি মন্ত্ৰীৰ দক্ষতা আৰু চেয়াৰমেনৰ দক্ষতাৰ যাতে প্ৰমাণ পাও সেই কথা মই ক'ব বিচাৰিছো। এ,এচ,ই,বিৰ ক্ষেত্ৰত যিটো ৰিফৰ্মচ্ কৰিব বিচাৰিছে সেইটো মই সমৰ্থন কৰিছো। ৰিফৰ্মচ্ আমাৰ সকলোকে লাগিব। এ,এচ,ই,বিক কাৰ্য্যক্ষম কৰি গঢ়ি তুলিব লাগে। এ,এচ,ই,বিৰ কাৰ্য্যক্ষম কৰি গঢ়ি তোলাৰ কাৰণে আৰু ধন লাগে। আমাৰ ৰাজ্যখনৰ পাৱাৰ পজিচনতো বেছি ভাল হয়। সন্ধিয়া গাওঁত যাতে লাইট জ্বলে আৰু এম,এল,এ সকলক লাইট জ্বলাৰ ব্যৱস্থা কৰি দি গালি পৰাতো বন্ধ কৰে এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** Now, Hon'ble Member, Shri Chandan Sarkar.

* **শ্ৰী চন্দন সৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাত্ৰ একমিনিটতে শেষ কৰিম। মাননীয় জ্যেষ্ঠ সদস্য বৰা ডাঙৰীয়াই কোৱাৰ দৰে মই বৰ্ডৰ বিভিন্ন

* Speech not corrected

খণ্ড ইয়াত লেকাম ধৰোতা নাই। গ্ৰামোন্নয়ণ শিতানত ব্লক কাৰ্য্যালয়ত যি ধৰণে কমিটী কৰা হৈছে এই বৰ্ডটো তেনে কমিটী কৰি দিয়ক। এইটো এটা আঁচনিৰ বস্তু মই নিজৰ ঘৰতে প্ৰমাণ পাইছো। ৫০০ টকাৰ বিল আহে অফিচত গৈ কলে সি দুইশ টকা হয়। এই বিল কালেক্‌শ্যনটো চকু দিব লাগে। বিলৰ যোগেদি কিমান টকা আহিছে কিমান খৰছ হৈছে সেইটো পৰীক্ষা কৰি চাব লাগে। এনেই বহি থাকিলে বদনাম হ'ব। বিভাগটোৰ এটা নতুন ৰূপ দিয়াৰ কাৰণে আমি সন্তোষ পাইছো আৰু সেয়ে মাননীয় সদস্য সকলক কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰিলো।

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (শক্তি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শক্তি খণ্ডৰ ওপৰত মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰি যথেষ্ট যুক্তি প্ৰদৰ্শন কৰিছে। এই যুক্তি সমূহ হৈছে অসমৰ জনসাধাৰনৰ মনত থকা সন্দেহ। জনসাধাৰনৰ সন্দেহ সমূহ যুক্তি সহকাৰে তথ্য ভিত্তিত মাননীয় সদস্য সকলে প্ৰকাশ কৰিছে। এটা কথা জল জল পটপটকৈ ওলাই পৰিছে যিটো মাননীয় বিৰোধী দলৰ সদস্য সকলৰ পৰা ওলাইছে যে অসমৰ শক্তি খণ্ড সংস্কাৰ হোৱাটো অসমৰ ৰাইজে মনে মনে কামনা কৰে। এইটো এটা স্পষ্টধাৰণা অসম চৰকাৰে এই সংস্কাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে অৰ্থাৎ অসম ৰাজ্যৰ বিদ্যুৎ পৰিষদৰ খণ্ডিত কৰা প্ৰক্ৰিয়া যোৱা ১০ ডিচেম্বৰ তাৰিখে এক্সট্ৰা অৰ্ডিনাৰী গেজেট নটিফিকেশ্যনৰ জৰিয়তে কৰা হৈছে। সেই নটিফিকেশ্যনত পাঁচটা কোম্পানী কিয় কৰিবলগা হ'ল তাৰ ব্যাখ্যা দিয়া হৈছে। এমাহৰ আগৰ পৰাই আমি বিভিন্ন পৰ্য্যায়ত এই প্ৰক্ৰিয়াটোক আলোচনা-বিলোচনাৰ মাজেৰে এই প্ৰক্ৰিয়া আৰম্ভ কৰিছো। যিসকল শ্ৰমিক আছে তেওঁলোকে শংকা প্ৰকাশ কৰিছিল যে বিদ্যুৎ পৰিষদ খণ্ডিত নোহোৱামানে তেওঁলোকৰ অস্তিত্ব নাইকীয়া হৈ যাব। যি সকল কৰ্ম্মচাৰীয়ে অৱসৰ গ্ৰহণ কৰিব তেওঁলোকে কোনটো কোম্পেনীৰ পৰা অৱসৰ লবলে পাব কি নাপাব এইধৰণৰ ভালেমান সন্দেহ আছিল। চৰকাৰৰ ফালৰ পৰা বিভিন্ন ধৰণৰ কৰ্ম্মচাৰী সংগঠন ইউনিয়ন আদিৰ লগত আলোচনা বিলোচনা কৰি অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ ২১টা সংগঠন আছে, শ্ৰমিক কৰ্ম্মচাৰী বিষয়া টেকনিকেল নন্‌টেকনিকেল আদি বহু সংগঠন আছে। প্ৰত্যেকটো

* Speech not corrected

সংগঠনৰ নেতাসকলক আমি মাতি আনি কেবালানিও আলোচনা কৰিছো। তেওঁলোকৰ মনত যি বিলাক সন্দেহ আছিল সেইবোৰক আজি মাননীয় সদস্য সকলে প্ৰক্ৰিয়াৰ কথা আলোচনা কৰিববৈলে গৈ সেই বিলাক কথাকে উল্লেখ কৰিছে। কৰ্ম্মচাৰী সকলক আমি বাৰে বাৰে দোহাৰিছিলো আৰু আশ্বাস দিছিলো যে যি কোনো প্ৰকাৰেই নহওক কিয় আমি সংস্কাৰ কৰিববৈলে যাওঁতে শ্ৰমিক কৰ্ম্মচাৰী সকলৰ স্বাৰ্থ বিঘ্নিত হ'ব পৰা কোনো কাম নকৰো আৰু তেওঁলোকৰ স্বাৰ্থ সুৰক্ষা কৰিম। এই ধৰণৰ ব্যৱস্থা লোৱাৰ পিচতহে আমি এই নটিফিকেশ্যনখন কৰিছো তাত সকলো কথা কৈছো। তেওঁলোকক যি ধৰণে আশ্বাস দিয়া হৈছিল সেই আশ্বস ৰূপায়ণৰ কাৰণে চৰকাৰে আন্তৰিকতাৰ কাম কৰিব বিচাৰিছে। ইয়াৰ কাৰণে চৰকাৰে এখন ত্ৰিপাক্ষিক চুক্তি কৰিছে। য'ত থাকিব অসম চৰকাৰ, বৈদ্যুৎ পৰিষদ, বিষয়া সকল আৰু কৰ্ম্মচাৰী সকল। এই ত্ৰিপাক্ষিক চুক্তিত সকলো কথা দাঙি ধৰা হৈছে। এই সংস্কাৰ প্ৰক্ৰিয়া কিয় খৰতকীয়া কৰিব বিচৰা হৈছে তাৰো বাখ্যা দাঙি ধৰা হৈছে। আচলতে এই সংস্কাৰ প্ৰক্ৰিয়া এতিয়াৰ নহয়। আগৰ চৰকাৰৰ দিনত ২০০১ চনৰ ফেব্ৰুৱাৰী মাহত অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ হৈছিল। এই চুক্তি সম্পাদনৰ সময়ত আজি বিৰোধী দলৰ সদস্য মাননীয় হিতেন গোস্বামী ডাঙৰীয়া তেতিয়া শক্তি মন্ত্ৰী আছিল। অৰ্থাৎ গণ পৰিষদৰ দিনৰে পৰা সংস্কাৰ কৰিববৈলে কেন্দ্ৰীয় চৰকাৰৰ লগত চুক্তি কৰিছিল। এই সংস্কাৰ প্ৰক্ৰিয়াৰ আধাৰ হিচাপে কেন্দ্ৰীয় চৰকাৰে ২০০৩ চনত ইলেক্ট্ৰিচিটী এক্ট ২০০৩ বুলি এখন বিল লোকসভাত গৃহীত হৈছিল। তেতিয়া কেন্দ্ৰত বিজেপিৰ চৰকাৰ আছিল। অৰ্থ্যৎ বিজেপি চৰকাৰৰ দিনৰে পৰাই এই প্ৰক্ৰিয়া আৰম্ভ কৰিছে। এই ফালৰ পৰা দেখা যায় এই সংস্কাৰত সৰ্বত্ৰ, সৰ্বসন্মতি আছে। সকলোৱে এতিয়া উন্নত সেৱা বিচাৰিছে। আৰু লগতে কৰ্মদক্ষতা বিচাৰিছে। অসম বিদ্যুৎ পৰিষদত শতকৰা ৯৯ জনেই অসমীয়া মানুহ আছে। ১৯৪৮ চনতে অসম বিদ্যুৎ পৰিষদ গঠন হৈছিল তেতিয়া মেঘালয়ৰ লগত আছিল। সেই বৰ্ডকে ১৯৭৫ চনত পুনগঠন কৰা হ'ল মেঘালয় আতৰি যোৱাৰ কাৰণে। অসম বিদ্যুৎ পৰিষদৰ তলৰ পৰা মুধচলৈকে সকলোখিনিয়ে অসমীয়া মাটিৰ সন্তান। মুধচৰ বিষয়া সকলো মাটিৰ সন্তান হয়। কিন্তু আৰেগিক হলেই সকলো সমস্যাৰ সমাধান নহ'ব। বিদ্যুৎ পৰিষদৰ

পৰা আমি সকলোৱে যোগান বিচাৰো। এইটো সঁচা। সকলোৰে কাৰণেই ই অপৰিহাৰ্য্য। সেই সেৱা কৰ্ম্মদক্ষতা হিচাপ নিকাচ এই পৰিষদৰ পৰা আমি বিচৰামতে পোৱা নাছিলো। যাৰকাৰণে বিদ্যুৎ পৰিষদ ফুটা কলহত পৰিণত হৈছে। অসম চৰকাৰে অকল এই বৰ্ডৰ লগত বিনিয়োগ কৰি আছে। কিন্তু কত কি খৰছ হৈছে তাৰ হিচাপ লওতা নাই। ১৯৪৮ চনৰ পৰা ১৯৭৫ চনলৈকে অসম চৰকাৰৰ ৰাজহুৱা ধন এই বৰ্ডৰ লগত ব্যয় কৰি আহিছে। আমি মাথো কুইক পাৰ্টিচিপেন্ট। বিনিয়োগ কৰা ধনখিনিও আমি মূল্যায়ন কৰাৰ সুবিধা পোৱা নাছিলো।

মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো অসম বিদ্যুৎ পৰিষদক এতিয়ালৈকে আমাৰ চৰকাৰে ৯ হাজাৰ কোটি টকা বিনিয়োগ কৰিছে। অকল এটা অনুষ্ঠানৰ লগতে ইমান ডাঙৰ এটা অংক বিনিয়োগ কৰা হৈছে। তাৰোপৰি ঋণৰ গেৰান্টি আৰু অন্যান্য সা-সুবিধাও আছে। কিন্তু ইয়াৰ পৰা অসমৰ ৰাইজে কি সুফল লাভ কৰিছে বা কুফল পাইছে সেইটো আপোনালোকৰ বক্তৃতাত ওলাই পৰিছে। অকল ৯ হাজাৰ কোটি টকা বিনিয়োগ কৰিলেই যথেষ্ট নহয়। কিন্তু ইয়াৰ পৰিচালন শৈলীৰ লগত কিছুমান সুৰুঙা থকাৰ কাৰণে হয়তো তেওঁলোকে দক্ষতাৰ পৰিচয় দিব পৰা নাই। অসম বিদ্যুৎ পৰিষদে ২০০১ চন পৰ্য্যন্ত শতকৰা ৫৩ ভাগ এগ্ৰিমেন্ট লচ্ কৰিছিল। মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই জানে কাৰণ তেখেত সেই সময়ত শক্তি মন্ত্ৰী আছিল। সেই কাৰণে এই সংস্কাৰ প্ৰক্ৰিয়া ততাতৈয়াকৈ কৰিবলগা হ'ল। ইয়াৰ পিচত অপচয় লাহে লাহে কমিবলৈ আৰম্ভ কৰিছে। এতিয়াও প্ৰায় শতকৰা ৪৫ ভাগ শক্তি অপচয় হৈয়ে আছে। টকাৰ হিচাব ইয়াত কৰলৈ গলে বছৰি ৫৫০ কোটি টকা লোকচান হ'ব। অকল অসম ৰাজ্যিক বিদ্যুৎ পৰিষদেও আগতে ২০ হাজাৰ কৰ্ম্মচাৰী আছিল। এতিয়া অৱশ্যে কমি ১৬ হাজাৰ আছে। মাননীয় সদস্য সকলে আচল কথাকে উত্থাপন কৰিছে আমাৰ সদস্য হৰেন দাস ডাঙৰীয়াই অলপ আগতে কৈ গৈছে যে বিদ্যুৎ পৰিষদৰ পৰা ৰাইজে যি সেৱা পাব লাগে সেই মানদণ্ডৰ সেৱা কেনেকুৱা। কেটেৰা, জেঙেৰা, ভেকাহি আদি বিষয়া সকলৰ পৰা কিমান পাবলগীয়া হয় আমি জনো। তৃণমূল পৰ্য্যায়ৰ পৰা বিষয়া কৰ্ম্মচাৰী লৈ কেতেৰা ভাৱ প্ৰকট হোৱাটো সকলোৱে জানে। তেওঁলোকৰ এটা মনোপলি

ভাৱ দেখুৱাই, ধমকি দিয়ে পইচা দি ৰাইজে বিজুলী কিনিছে। অথচ তেওঁলোকৰ পৰা এই মনোভাৱ পায়। তেওঁলোকৰ ভাৱ আছিল আনে তেওঁলোকক একো কৰিব নোৱাৰে। তেওঁলোকৰ সেৱা নিম্ন মানৰ আছিল। চৰকাৰে সেয়ে এই সংস্কাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। চৰকাৰে যিহেতু বিনিয়োগ কৰিছে ৰাইজৰ ধন সদ-ব্যৱহাৰ হৈছে নে নাই নে বিনিয়োগৰ বিনিময়ত বিপৰীত কিবা হৈছে সেইটো চোৱাৰ দৰ্কাৰ। আমি সেই কৰ্ম্মকুশলতা বিচাৰো। যিটোৱে এই সংস্কাৰ প্ৰক্ৰিয়াৰ দ্বাৰা আনিব বিচাৰিছো যাতে প্ৰতিটো ক্ষেত্ৰতে কৰ্ম্মচাৰীৰ পৰা বিষয়াসকললৈ দায়বদ্ধতা আহি পৰে। ইমান দিনে তেওঁলোক কাৰো ওচৰত একাউন্টেবল্ নাছিল। ক'ত কিমান কি ধৰণে খৰছ হৈছে কি আঁচনি ৰূপয়ণ কৰিছে জনাৰ কোনো ব্যৱস্থা নাছিল। শুনিলে আঁচৰিত হ'ব এই ডাঙৰ ডেডিকেটড্ প্ৰজেক্টৰ মনিটৰিং চেল নাছিল। যাৰ কাৰণে কাৰ্বিলাংপিৰ নিচিনা প্ৰজেক্টেও আমাৰ সকলোৰে কাৰণে এটা মচিব নোৱাৰা দ'চেকা। যিটো প্ৰজেক্টত ৪৫ কোটি খৰছ কৰিব লাগিছিল যোৱা ২৬বছৰেও তাক সম্পূৰ্ণ কৰিব নোৱাৰিলে ৪৫ৰ ঠাইত ৩২৬ কোটি টকা খৰছ হ'ল। ইয়াৰ একাটেবিলীটি কাৰ ওপৰত। ৰাইজৰ ধন বহুত সময়ত ৰাজনীতিজ্ঞ সকলৰ অভিযোগ দিব। কিন্তু অসম আন্দোলনৰ সময়ৰপৰা আৱেগিক হলো স্থানীয় মানুহক কন্টেক্ট দিলো, আদা বেপাৰীক জাহাজ চলাবলৈ দিলো। ইতিহাসে নিশ্চয় এইবিলাক ক'ব। এইবিলাক ঐতিহাসিক ভুল হয়তো হৈছে। এটা প্ৰকল্প কৰিবলৈ যাওঁতে ৰাজহুৱা ধন বিনিয়োগ হয় সেই ধনৰ সূতে মূলে কৰ্ম্মপৰিচালনাত ব্যৱহৃত হ'ব লাগে।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত চুপ্ৰীম কৰ্টত এটা কেচ চলি আছে চৰকাৰে কি ব্যৱস্থা লৈছে নাজানো। আজি পাঁচ দিনমানৰ আগতে এন,ই,টিভিত এজন বিষয়াই পাৰ ইউনিট ৬ৰ পৰা ৭ টকালৈ বৃদ্ধি হ'ব পাৰে বুলি কৈছিল কথাটো সঁচা নেকি?

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী) ঃ** মই কৈ আছো মোৰ কথাখিনি শেষ হ'বলৈ দিয়ক। মই কাকো দোষ দি কথা বিলাক কোৱা নাই। বৰ্ড চলি আছিল কিন্তু সেৱা উত্তৰণ কিন্তু হোৱা নাছিল। সেই কাৰণে আমি দৃঢ় ব্যৱস্থা লৈছো এই দৃঢ়তাৰে কাম কৰিবলৈ যাওঁতে আমি বিভিন্ন পৰ্য্যায়ত বিৰোধী শাসক সকলৰ লগত

* Speech not corrected

মত বিনিময় কৰিছো। প্ৰত্যেকৰে একেই মত যে এইটো সোনকালে কৰিব লাগে। সেয়ে আমাৰ সাহস দুগুণে বাঢ়িল। অসমৰ ৰাইজে সংস্কাৰ বিচাৰিছে। সংস্কাৰ বিচাৰিছেই যেতিয়া সংস্কাৰ প্ৰক্ৰিয়া সোনকালে ৰূপায়ণ কৰাটো স্বাভাৱিক। ১৯৪৮ চনৰে পৰা চলি থকা চিষ্টেমটোক আমি সলনি কৰি নতুন প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ লৈছো। মই এইটো কবলৈ নাযাও পাঁচটা কোম্পানী কৰিছো বুলি ৰাতিটোৰ ভিতৰতে সকলো সমস্যাৰ সমাধান হ'ব। একেদিনেই সেৱাৰ মানদণ্ডৰ উন্নত হ'ব কাৰণ মানুহ একেখিনিয়েই। এইটো কৰোতে নিশ্চয় সময় লাগিব। মাত্ৰ আমি তেওঁলোকৰ সেৱা দায়বদ্ধতা আনিব বিচাৰিছো। বিদ্যুৎৰ নামত কিমান খৰছ কৰিছে কি সেৱা পাইছো এই সকলো বিলাক ব্যৱস্থাৰ সংশোধনী কৰি পৰিচালনলৈ শৈলী তৈয়াৰ কৰিব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহাশয়, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক আমাৰ চৰকাৰে ব্যক্তিগত খণ্ডক দিবলৈ বিচাৰিছে যদিও তাৰে কেইটামান চৰ্ত আছে। সেই চৰ্তৰ ওপৰত বেচ কৰিহে আমি অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক পূৰ্ণ গঠন কৰাৰ লগতে বিদ্যুৎ পৰিষদক এটা পৰিবৰ্তন আনিব বিচৰা হৈছে। আজি অসমত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক ব্যক্তিগত কৰণ কৰাৰ ক্ষেত্ৰত ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বিভিন্ন সংগঠনে আন্দোলনৰ পথ লৈছে যদিও আমি সেই আন্দোলনকাৰী সকলৰ সভাপতি সম্পাদক সকলৰ লগত একাধিকবাৰ আলোচনা-বিলোচনা কৰি তাৰ সমাধানৰ পথ উলিয়াইছো। এইটো ঠিক যে কিবা এটা কৰিবলৈ যাওতে কিবা খুটি-নাতী থাকি যোৱাটো স্বাভাৱিক কথা। অধ্যক্ষ মহাশয়, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক ব্যক্তিগত কৰন কৰাৰ ক্ষেত্ৰত আমি কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা-বিলোচনা কৰিছো আৰু সেই হিচাবেহে আমি যাৱতীয় কাম-কাজ হাতত লৈছো। অধ্যক্ষ মহাশয় মই আপোনাৰ জৰিয়তে আজিৰ এই পবিত্ৰ সদনত জনাব বিচাৰিছো যে বিৰোধী সদস্যই হওক বা বিজেপিৰ সদস্য সকলেই হওক তেওঁলোকে শুনি সুখী হ'ব যে ৰাজ্যিক বিদ্যুৎ পৰিষদক আমি কি দৰে পূৰ্ণ গঠন কৰিব বিচাৰিছো তাৰ বিস্তৃত বাখ্যা মই আজিৰ সদনত দিছো। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ কৰ্ম্মচাৰী সকলে যি নিষ্ঠা আৰু সততাৰে কাম-কাজ কৰিছে সেইটো সঁচাকৈয়ে শলাগিব লগীয়া কথা। কিন্তু তাৰে মাজতে কথা হৈছে যে অসম ৰাজ্যিক

বিদ্যুৎ পৰিষদৰ যি পুৰণা আঁচবাব সেই আচবাবৰ বাবেও আজি অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে যথেষ্ট লোকচান সন্মুখীন হৈছে। আমি পুৰণি যন্ত্ৰপাতি বিলাক আৰু ৩০/৪০ বছৰীয়া ট্ৰেন্সফৰ্মাৰ বিলাক আতৰাই তাক পৰিবৰ্তন সাধিব বিচৰা হৈছে। অধ্যক্ষ মহাশয়, আমি আগৰ চৰকাৰৰ দিনত যিটো কৰিছিল অসম ৰাজ্যিক বিদ্যুৎ পৰিষদত প্ৰয়োজনবোধে ব্যক্তিগতকৰণ কৰাৰ কাৰণে যি পদক্ষেপ লৈছিল তাৰ আধাৰতেই আমি কাম কৰিছো। এইটো ঠিক যে তেওঁলোকক আমি অনুকৰণ কৰিব বিচৰা নাই যদিও তেওঁলোকে দেখুৱাই যোৱা বাটেৰেই আমি আগবাঢ়িব বিচাৰিছো। অধ্যক্ষ মহাশয়, বিৰোধী দলত থাকি আমাৰ মাননীয় সদস্য গোস্বামী ডাঙৰীয়া যেতিয়া অসম গণ পৰিষদ চৰকাৰৰ দিনত শক্তিমন্ত্ৰী আছিল তেতিয়াই ব্যক্তিগত কৰণ কৰাৰ বাবে চৰকাৰ তৰফৰ পৰা কিছু কাম আগবঢ়াই নিয়া হৈছিল যদিও সময়ত হৈ নুঠিল আৰু আজি আমাৰ তৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বত সেই পৰিবৰ্তন আনিব বিচৰা হৈছে। বহুতো বাতৰি কাকতে ব্যক্তিগতকৰণ কৰা সম্পৰ্কত লিখিছে আৰু এচিয়ান ডেভেলপমেন্ট বেংকৰ পৰা লব বিচৰা ল'নৰ ওপৰত আলোচনা হৈছে। কিন্তু আমি চৰকাৰত থাকি এটা কথা ক'ব বিচাৰিছো যে ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থত আমি অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক এটা গতিশীলতা আনিব বিচাৰিছো যাতে তাতে কাম কৰি থকা কৰ্ম্মচাৰীখিনি আৰু পৰিয়াল বৰ্গৰ ভৱিষ্যত কোনো প্ৰকাৰে ক্ষতি নহয়। আমি ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থত কাম কৰিবলৈ যাওতে কিছুমান অসুবিধাও আছে সেইটোও আমি চালি-জাৰি চাব লাগিব। আজিৰ এই পবিত্ৰ সদনত বিৰোধী দলত থাকি আপোনালোকে কিছুমান কথা মোৰ পৰা জানিব বিচাৰিছে আৰু আজি মোৰ তাত আছে সেই বিলাক কাগজ-পত্ৰ মই গাই শুনাম। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে লোকচান খাই থকাটো আজিৰ কথা নহয়। আমি সদায়ে আনৰ পৰা বিদ্যুৎ ধাৰ কৰি বা কিনিহে চলি থাকিব লগা হৈছে। এই ক্ষেত্ৰত আমি কিছুমান চৰ্ত্ত সাপেক্ষে এচিয়ান ডেভেলপমেন্ট বেংকৰ পৰা ধাৰ লৈ কম সূতত কাম কৰিবলৈ আগবাঢ়িছো। এই ক্ষেত্ৰত আমাক বহুতে বহুত কথাই কব। এইটো ঠিক যে ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থত আমি কিছুমান কাম কৰিবলৈ বাধ্য থাকিব লাগিব। অধ্যক্ষ মহাশয়, বিদ্যুৎ বিতৰণ ব্যৱস্থাটোৰ আমি এটা পৰিবৰ্তন

আনিব লাগিব। আও পূৰণি যন্ত্ৰপাতিকে সদায় ব্যৱহাৰ কৰি থাকিলে তাৰ পৰা আমি যি দৰে বিদ্যুৎ সৰবৰাহৰ আশা কৰিব নোৱাৰো সেইদৰে আমি বিদ্যুৎ বিভাগটোৰ পূৰণি সা-সামগ্ৰীবোৰ মেৰামতি বা সেইবোৰ আতৰাই অন্য ৰূপত সজাই কাম কৰিলেহে আমাৰ ৰাজ্যখনে বিদ্যুৎ সংকটৰ পৰা আতৰত থাকিব পাৰিব। অধ্যক্ষ মহাশয়, ডিষ্ট্ৰিবিউচন আৰু বিতৰণ এইটোৰ ওপৰত আমি সৰ্ব্বাধিক গুৰুত্ব আৰোপ কৰিছো। এই দুয়োটাই হৈছে আমাৰ প্ৰধান। এই দুয়োটা যদি আমি ঠিক কৰি লব পাৰো তেনেহ্লে আমাৰ কোনো প্ৰকাৰে অসুবিধা নিশ্চয় নহব। অধ্যক্ষ মহাশয়, আজি আমাৰ ৰাজ্যখনত গাওঁ-ভূঞে নগৰে-চহৰে যিটো হাৰত লোড চেদিং হবলৈ ধৰিছে সেই হাৰত হৈ থাকিলে আমাৰ ৰাজ্যখনত এটা সময়ত বিদ্যুৎৰ নাটনিৰ শেষ হ'ব। এইটো ঠিক যে কিবা কৰিবলৈ যাওতে কিবা নহয় কিবা আসোঁৱাহ থাকিবই। আমি সেই আসোঁৱাহ সমূহ দূৰ কৰাৰ কাৰণেও চেষ্টা কৰিব লাগিব। অধ্যক্ষ মহাশয়, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক সংস্কাৰ কৰিবলৈ যাওতে আমি কিছুমান সমস্যাৰ সন্মুখীন নোহোৱাও নহয়। কিন্তু এইটো ঠিক যে আমি ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থত কিবা কৰিবলৈ যাবই লাগিব। আমি কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিহে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক ব্যক্তিগতকৰণ কৰাৰ কাৰণে আগবাঢ়িছো। এই ক্ষেত্ৰত আমাৰ কেন্দ্ৰীয় চৰকাৰে যথেষ্ট সহায় আগবঢ়াইছে আৰু কেন্দ্ৰীয় চৰকাৰৰ সহায় অবিহনে এইটো কেতিয়াও সম্ভবপৰ নহয়। অধ্যক্ষ মহাশয়, আমাৰ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বিনিয়োগৰ যিটো ব্যৱস্থা সেই ব্যৱস্থাটোত যথেষ্ট আসোৱাহ আছে আৰু এই আসোৱাহ সমূহ দূৰ কৰাৰ কাৰণে আমি চেষ্টা অব্যাহত ৰাখিছো। অধ্যক্ষ মহাশয়, আমি এচিয়ান ডেভেলপমেন্ট বেংকৰ পৰা যিটো হাৰত ল'ন লব বিচাৰিছো সেইটো হাৰত কোনো বেংকে ইমান কম হাৰত সূত লৈ দিব নোৱাৰে। আমি এই গোটেই কথাবিলাক চালিজাৰি চাইহে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক ব্যক্তিগতকৰণ কৰাৰ পক্ষে আগবাঢ়িছো আৰু এচিয়ান ডেভেলপমেন্ট বেংকৰ লগত যোগাযোগ কৰি ১২০০ কোটি টকা ল'ন হিচাবে লব বিচাৰিছো। এই ক্ষেত্ৰত মাননীয় সদস্যসকলে এটা কথা স্বীকাৰ কৰিবই লাগিব যে আজিৰ পৰিবৰ্তিত সমাজ ব্যৱস্থাত আমি অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক সঠিক পথলৈ নিবলৈ আগবাঢ়িছো বুলি মোৰ দৃঢ় বিশ্বাস হৈছে। অধ্যক্ষ মহাশয়, মই

আপোনাৰ জৰিয়তে আজি এই সদনত জনাব বিচাৰিছো যে আমি যি ঋণ লবলৈ আগবাঢ়িছো এচিয়ান ডেভেলপমেন্ট বেংকৰ পৰা তাৰে ৯০ শতাংশ গ্ৰান্ট হিচাবে আৰু ১০ শতাংশ ঋণ হিচাবে আমি লবলৈ আগবাঢ়িছো। এই যিটো সূত লবলৈ বিচাৰিছো সেইটো একেবাৰে নগণ্য যিটো আমি কোনো ৰাষ্ট্ৰীয় কৃত বেংকৰ পৰা নাপাও।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহাশয়, It is a loan. As it is through Central Govt. we will have to return the amount. It is a good thing.

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহাশয়, আমাৰ যিটো বিনিয়োগ প্ৰক্ৰিয়া সেইটোৰ পৰিবৰ্তন আনিব বিচৰা হৈছে। আমি এই গোটেই প্ৰক্ৰিয়াটো শেষ কৰিবলৈ আমাক যথেষ্ট সময়ৰ আৱশ্যক হ'ব। এইটো ঠিক যে ৰাজ্যখনৰ স্বাৰ্থত আমি কিছুমান কাম কৰিবলৈ বাধ্য থাকিব লাগিব। অধ্যক্ষ মহাশয়, এই গোটেই কামখিনি কৰিবলৈ আপোনালোকৰ আৰ্শীৰ্বাদ আৰু যথেষ্ট সাহসৰো প্ৰয়োজন আছে। এই ৬০ শতাংশ ল'ন আৰু ৪০ শতাংশ গ্ৰান্ট লৈ আমি অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক পুনৰ গঠন কৰিবলৈ আগবাঢ়িছো। এই ক্ষেত্ৰত যদি কাৰোবাৰ কিবা খুহ দুৰনি আছে আমাক কলে আমি সেই খুহ দুৰনি মাৰিবলৈ চেষ্টা কৰিম। অধ্যক্ষ মহাশয়, এতিয়া আমি আলোচনাৰ প্ৰক্ৰিয়া চলাই আছে আৰু অতি কম সময়ৰ ভিতৰত ব্যৱস্থা লম। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াইও এই ক্ষেত্ৰত ব্যৱস্থা লৈছে।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৭৬৮ কোটি টকাৰ যি পৰিপূৰক মঞ্জুৰী হিচাপে দিছে আপোনালোকে ব্যৱহাৰ কৰিব পাৰিব। মই এটা কথা চৰকাৰৰ পৰা জানিব বিচাৰিছো কৃষি বিভাগৰ কথা বিশেষকৈ যোৰহাটৰ কৃষি বিশ্ববিদ্যালয়ৰ কথা কব বিচাৰিছো যে কৃষি বিশ্ববিদ্যালয়ৰ যি চৰ্টফল আছে তাৰ কাৰণে কি ব্যৱস্থা লৈছে। যিহেতু কৃষি বিশ্ববিদ্যালয়খনৰ লগত অসমৰ ৰাইজ ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। এই বিশ্ববিদ্যালয়খনৰ যি বিত্তীয় খেলিমেলি হৈ আছে তাৰ কৰ্ম্মচাৰী সকলৰ দৰমহা আদি পোৱাৰ ক্ষেত্ৰত সেইবিলাক যদি তেনেদৰে চলি থাকে বিশ্ববিদ্যালয়খনৰ বহুতো ক্ষতি

---

* Speech not corrected

হব। আজি বহুত দিন ধৰি উপাচাৰ্য্যৰ খেলিমেলিখিনি আছেই। সিদিনা তাত এখন সভা বহিছিল তাত বিত্তীয় সমস্যাৰ বিষয়ে আলোচনা কৰিছিল মোক এই বিষয়ে জনাইছে। এই ক্ষেত্ৰত ব্যৱস্থা লবলৈ বিশেষকৈ চেলাৰী চৰ্টফলৰ ক্ষেত্ৰত কেনে ধৰণৰ ব্যৱস্থা ললে ভাল হয় সেইটো বিবেচনা কৰিবলৈ মই চৰকাৰক অনুৰোধ জনালো যাতে এই শিক্ষানুষ্ঠানটোৰ কোনো ক্ষতি নহয়। মই ইয়াকে কৈ মোৰ বক্তব্য সামৰিলো।

* **শ্ৰী পবীন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিদ্যুৎ পৰিষদৰ কৰ্ম্মচাৰী সকলে তেওঁলোকৰ কিছুমান দাবীৰ কাৰণে আন্দোলন কৰি আছে। তেওঁলোকৰ বহুতো নায্য আজিও পূৰণ নোহোৱাকৈ আছে, চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা লৈছে মই জানিব বিচাৰিছো।

* **শ্ৰী বৃন্দাবন গোস্বামী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই কলেজ শিক্ষকসকলৰ বিষয়ে দুটামান কথা কব বিচাৰিছো। কলেজ শিক্ষকসকলে ভোগ কৰি থকা সমস্যাসমূহৰ আজিও কোনো মীমাংসা নহ'ল। মই অগপ দলৰ ফালৰ পৰা এই কলেজ শিক্ষসকলৰ বিষয়টো বিবেচনা কৰিবলৈ আপোনাৰ জড়িয়তে অনুৰোধ জনাইছো। তেওঁলোকে আজিলৈকে অতি কম দৰমহাতে কাম কৰি কম দৰমহাতে বিদায় লব লগা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জড়িয়তে মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ক হোমিওপ্যেথিক কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে ভোগ কৰি থকা সমস্যা বিলাকৰ প্ৰতি বিবেচনা কৰিবলৈ অনুৰোধ জনাইছো। সদস্যাবিলাক চলি থাকিলে এই শিক্ষানুষ্ঠানটো ধ্বংশ হৈ যাব বুলি তেওঁলোকে আশংকা কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই ৱাটাৰ ৰিচোৰ্চ অথৰিটিৰ যিটো প্ৰস্তাৱ দিছে সেই বিষয়টোৰ ওপৰত আলোচনা কৰাটো উচিত আছিল। এই সংক্ৰান্তত ব্ৰহ্মপুত্ৰ বোৰ্ডৰ কথাটো কব খোজো যে এই বোৰ্ডটো সঁচাকৈয়ে ইণ্ডিপেনদেন্ট অথৰিটি নেকি এই বিষয়টো বিবেচনা কৰি মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই দিয়া প্ৰস্তাৱ নৰ্থ ইষ্ট ৱাটাৰ ৰিচোৰ্চ অথৰিটি বা ব্ৰহ্মপুত্ৰ ৱাটাৰ ৰিচোৰ্চ অথৰিটি হিচাপে গঠন কৰিব পাৰি নেকি চৰকাৰে মীমাংসা কৰিব পাৰিবনে?

---

* Speech not corrected

চাৰ, আন এটা বিষয় হৈছে বিদ্যুৎ পৰিষদৰ কৰ্ম্মচাৰী সকলৰ কথাটো গুৰুত্ব সহকাৰে মীমাংসা কৰিবলৈ চৰকাৰক অনুৰোধ জনাইছো যাতে তেওঁলোকৰ পৰিয়ালবিলাকে সকাহ পায়।

মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ কাম-কাজৰ সমালোচনা হৈছে যে চৰকাৰে প্ৰশাসনিক কামত অযথা হস্তক্ষেপ কৰে। এনেকৈ হস্তক্ষেপ হলে উন্নয়নৰ কামত খেলি-মেলি হয়। গতিকে চৰকাৰে এই বিষয়টোৰ প্ৰতি চকু দিলে ভাল হয়। মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা উল্লেখ কৰিব বিচাৰিছো যে তেজপুৰত এখন পলিটেকনিকেল আৰম্ভ হৈছিল কিন্তু কেবাটাও চৰকাৰ গল-আহিল সেই পলিটেক্নিকেল খনহে কাৰ্য্যক্ষম নহ'ল। আমি জানিবলৈ পাইছো যে তেজপুৰৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ে এটা ইঞ্জীনিয়াৰিং শাখা খুলিব। গতিকে যদি কেন্দ্ৰীয় বিশ্ববিদ্যালয়ে এই পলিটেকনিকেল খন লবৰ বাবে অসম চৰকাৰলৈ প্ৰস্তাৱ পঠায় তেতিয়াহলে অসম চৰকাৰে যাতে সেই প্ৰস্তাৱত অনুমোদন কৰি তেজপুৰৰ এই সম্পত্তিটো ৰক্ষা কৰি তেওঁলোকলৈ হস্তান্তৰ কৰাৰ অনুৰোধ জনাই মোৰ বক্তব্য শেষ কৰিলো।

* **শ্ৰী প্ৰেমধৰ বৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, নেচাৰেল কেলামিটি শিতানত বেচি টকা ধৰাটো ভাল হৈছে। কিন্তু শিক্ষাৰ শিতানতহে কম হৈছে। আমাৰ এটা বচন আছে যে দীন দুখীয়াক পুতৌ কৰি চহকীক আৰু চহকী কৰা হয়। প্ৰাথমিক শিতানত টকা কম হৈছে। ভেঞ্চাৰ স্কুল বেচিকৈ লোৱা ভাল আছিল। ১৯ কোটি টকা কম হৈছে। ৫ কোটি টকা আৰু বঢ়াই দিবলৈ মই অনুৰোধ কৰিলো।

* **শ্ৰী বিমলাংশু ৰয়** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই পুলিচৰ শিতানত কবলৈ গৈ কালিপূজাৰ সময়ত শিলচৰত যি ঘটনা হৈছিল তাৰ বিষয়ে কবলৈ ওলাইছো। সেই ঘটনাৰ ফলত তাত কাৰ্ফিউ দিব লগা পৰিস্থিতিৰ সৃষ্টি হৈছিল। তাত এচপি ট্ৰেন্সফাৰ হৈছিল আৰু 'ওচি'ৰ চাচপেণ্ড হৈছিল। কিন্তু এগৰাকী কেন্দ্ৰীয় মন্ত্ৰীয়ে ওচি চাচপেণ্ড হোৱা বাবে নিজেই চাচপেণ্ড হোৱা বুলি কৈছিল। গতিকে চৰাকৰে এইবোৰ চকু দিলে ভাল হয়। তাত মাৰোৱাৰী মানুহৰ ঘৰত কাম কৰা এজন বঙালী ল'ৰাৰ মৃত্যুক লৈ পৰিস্থিতি উত্তাল

* Speech not corrected

হৈছিল। মাৰোৱাৰী সম্প্ৰদায়ৰ ওপৰতো হাৰাশাস্তি হৈছিল। গতিকে এই বিলাকত কোন দোষী আছিল চৰকাৰে এটা তদন্ত কৰা উচিত। মই খেলৰ শিতানত টকা ধাৰ্যৰ ক্ষেত্ৰত কবলৈ ওলাইছো। চৰকাৰে ২০০৫ চনত ৰাষ্ট্ৰীয় ক্ৰীড়া পাতিব ভাল কথা। কিন্তু অহা বছৰ ৰাষ্ট্ৰীয় ক্ৰীড়া পাতিব পাৰিব নে নাই সেইটো ঠিক কৰিলে ভাল হয়।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰাকৃতিক দুৰ্যোগ শিতানত টকা বেচিকৈ ধৰা ভাল হৈছে। কিন্তু গৰাখহনীয়াৰ ক্ষেত্ৰটো টকা ধৰাৰ দৰকাৰ। এই বিষয়ে বিধান সভাত এটা প্ৰস্তাৱ লৈ কেন্দ্ৰীয় চৰকাৰক আমাৰ সাংসদৰ জৰিয়তে জনাবো ভাল হ'ব।

* **শ্ৰী বুবুল দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মৰিগাওঁ জিলাতে এইবাৰ প্ৰাকৃতিক দুৰ্যোগ বেচিকৈ হৈছিল। গতিকে এই টকাৰে ৰাস্তা-ঘাট, মথাউৰি, দলং আদি সোনকালে মেৰামতি কৰিলে অসমৰ ৰাইজ উপকৃত হ'ব।

* **শ্ৰী হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য বৃন্দাবন গোস্বামী, হিতেন গোস্বামী, বিমলাংশু ৰয়, পবীন্দ্ৰ ডেকা, বুবুল দাসে উত্থাপন কৰা কথা মোৰ দৃষ্টিগোচৰ হৈছে, ইয়াৰ উত্তৰত মই কবলৈ ওলাইছো।

মাননীয় অধ্যক্ষ মহোদয়, যোৱা সদনত তথ্য জনাৰ অধিকাৰ বিধেয়ক খনৰ আলোচনা কৰা হৈছে। তেতিয়া সকলো সদস্যই জানিব বিচাৰিছিল যে বিলাখন কি হ'ব। আজি আমি কব খুজিছো যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সাহসী প্ৰচেষ্টাত অসমৰ ভৱিষ্যৎ আৰু আজি স্বচ্ছ, নিকা আৰু পাৰদৰ্শিতা চৰকাৰ পাইছে। ফলত চৰকাৰ আৰু জনসাধাৰনৰ মাজত থকা দূৰত্ব নাইকিয়া হ'ব। যোৱাকালি মাননীয় সদস্য জয়নাথ শৰ্ম্মা ডাঙৰীয়াই প্ৰশ্ন সুধিছিল, প্ৰশ্ন যেনে ধৰণে সোধা হয় উত্তৰ তেনেধৰণে দিয়া হয়। যোৱাবাৰৰ চি,আৰ,এফত কিমান টকা দিয়া হৈছে ডঃ জয়নাথ শৰ্ম্মা ডাঙৰীয়াই ভালদৰে জানিছিল যে চি,আৰ,এফ ফাইনেন্সৰ ৰিকমেনডেচন মতে হয়। এন,ই,চি প্লেনিঙ কমিচন আৰু ফাইনেন্স মিনিষ্ট্ৰিৰ পৰা দিয়ে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ প্ৰচেষ্টাত প্ৰধানমন্ত্ৰী ডাঙৰীয়াই এইবাৰ অসমৰ বানপানী সমস্যাৰ জোৰা-টাপলি মৰাৰ কাৰণে দুশকোটি

* Speech not corrected

টকা মোকোলাই দিয়ে। ২৪০ কোটি টকা পৰিকল্পনা আয়োগৰ যোগেদি মুকলি কৰি দিয়ে। যোৱাকালি আমি এখন চিঠি পাইছো। আৰু ১৭৩ কোটি টকা তেখেতে ৱাটাৰ ৰিচোৰ্চ মন্ত্ৰালয়ৰ যোগেদি মুকলি কৰি দিবলৈ কৈছে। অহা ৩১ মাৰ্চলৈ আমি অপেক্ষা কৰিব লাগিব। দুদিন আগতে নাবাৰ্ডৰ এম,ডিয়ো মুখ্যমন্ত্ৰী ডাঙৰীয়ালৈ চিঠি দিছিল যে প্ৰধানমন্ত্ৰীয়ে কৈছে অসমৰ বানপানীৰ জোৰাটাপলি মৰাৰ কাৰণে। (সদনত হুলস্থূল কাৰো কথা শুনা নাযায়)। অসমৰ বানপিড়ীত ৰাইজে বিধানসভাৰ মুখলৈ চাই আছে। আমাৰ দায়িত্ব আছে। যোৱাবাৰ আমি কৈছো যে আমি কি কাম কৰিম। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ প্ৰচেষ্টাত নাবাৰ্ডৰ পৰা ২০০ কোটি টকা দিব বিচাৰিছে। মথাউৰি বনাবৰ কাৰণে নাবাৰ্ডে টকা দিব বিচাৰিছে। ভাৰতৰ প্ৰধানমন্ত্ৰীৰ নেতৃত্বত আজি আমি ৭২৮ কোটি টকা ৰেভিনিউ ডিপাৰ্টমেন্টৰ যোগেদি খৰছ হৈছে। ২০০ কোটি বিত্ত বিভাগৰ যোগেদি আৰু ২৪০ কোটি টকা বান সাহাৰ্য্যত খৰছ কৰিছে। ইয়াৰ ওপৰিও অধ্যক্ষ মহোদয় মাননীয় সদস্যসকলে জানি ভাল পাব যে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ প্ৰচেষ্টাত এতিয়া অসমৰ বানপীড়িত ৰাইজক সাহাৰ্য্য দিয়াৰ কাৰণে ৫৪ হাজাৰ টকা মুকলি কৰি দিছে। প্ৰত্যেকৰে দুই বাণ্ডিলকৈ টিং দিয়া হৈছে। বিধানসভাৰ পিচত গাৱলৈ গলে আপোনালোকে দেখা পাব। মাননীয় অধ্যক্ষ মহোদয়, চাপলিমেন্টেৰী ডিমাণ্ডত আৰু কেইটামান সুদুৰপ্ৰসাৰী কথা আছে। মাননীয় হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াই জানি ভাল পাব যে প্ৰথম বাৰৰ কাৰণে অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই বক্সিৰহাট আৰু শ্ৰীৰামপুৰ চেক গেট কম্পিউটাৰাইজ কৰাৰ ব্যৱস্থা লৈছে। অহা ২৮ তাৰিখে ইয়াৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আধাৰশিলা স্থাপন কৰিব। দিলীপ শইকীয়া সোনোৱাল ডাঙৰীয়াই প্ৰায়ে কৰ আৰু পৰিবহন বিভাগৰ দুৰ্নীতিৰ ওপৰত মাত মাতি আহিছে। তেখেতে জানে এইটো নিশ্চয় ভাল পাইছে। বিধানসভাত জানি ভাল পাব পি,ডব্লিউ,ডি শিতানত ৭২ কোটি টকা গ্ৰান্ট কৰিছে। অহা ৩১ মাৰ্চৰ ভিতৰত প্ৰত্যেকটো বিধানসভা সমষ্টিত পাঁচ কিলোমিটাৰ ৰাস্তা পকী কৰা হ'ব। প্ৰতিখন চিভিল হস্পিতালক ১ কোটি টকা আৰু মহকুমা হস্পিতালক ৫০ লাখ টকা দিয়া হ'ব।

মাননীয় অধ্যক্ষ মহাশয়, ৰাষ্ট্ৰীয় সমবিকাশ যোজনা ৪৫ কোটি টকাকৈ দিয়া হৈছে। ধেমাজী, লক্ষীমপুৰ, হাফলং, কোকৰাঝাৰ ইত্যাদি জিলাত এহেজাৰ হাইস্কুলত ৪ লাখ টকা দিয়াৰ কাৰণে আমি ব্যৱস্থা লৈছো। অৰ্থাৎ ৪০ কোটি টকাৰ আৱশ্যক হ'ব। মাননীয় সদস্য দিলীপ শইকীয়া আৰু প্ৰেমধৰ বৰা ডাঙৰীয়াই শুনি সুখি হ'ব যে অহা জানুৱাৰী মাহৰ ৫ তাৰিখে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই সমবিকাশ যোজনাৰ শুভ উদ্বোধন কৰিব। চাপ্লিমেন্টৰী ডিমাণ্ডৰ টকা বিধায়ক সকলে এ,চি কিনাৰ কাৰণে ব্যৱহাৰ কৰিব বুলি বাতৰি কাকতত ওলাইছে কিন্তু এইটো সত্য নহয় এই বাতৰিয়ে আমাৰ মাননীয় সদস্য সকলক আঘাত হানিছে।

